# অন্বেষণ

দ্বাদশ বছৰ ■ ষষ্ঠ সংখ্যা ■ জুলাই, ২০২৫

## ইৰান-ইজৰাইল সংঘাত



## ইণ্টাৰনেটৰ হাট-বজাৰ

## পৃথিৱীৰ পৰা আন্তৰ্জাতিক মহাকাশ আস্থানলৈ

## চেনাবৰ ৰেলৰ দলং



ওডিছী নৃত্য



বিধান চন্দ্ৰ ৰয়



Skeleton flower



Naga cave of Thailand



জিৰো উপত্যকা

# অন্বেষণ

**দ্বাদশ বছৰ, ষষ্ঠ সংখ্যা, জুলাই, ২০২৫ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **পৃথিৱীৰ পৰা আন্তৰ্জাতিক মহাকাশ আস্থানলৈ—এক সুপৰিকল্পিত পৰিকল্পনা**
■ অভিজিত শৰ্মা বৰুৱা

৫ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

৮ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

৯ **ইৰান-ইজৰাইল সংঘাত**
■ প্ৰণীতা দেৱী

১২ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৮ **চিকিৎসক দিৱসৰ আঁৰৰ মানুহজন**
■ সোণালী গগৈ

২০ **ভেলু নাচিয়াৰ**
■ নৱনীতা কলিতা

২১ **ভাৰতৰ উপকূলীয় অঞ্চল**
■ হিৰণ্য কলিতা

২৩ **কৃষি অধ্যয়নৰ গুৰুত্ব**
■ অৰূপ শাণ্ডিল্য

২৪ **চুড’কু**

২৫ **জেঠত আহে বান, আঘোণত পকে ধান**
■ ধানিসা ডেকা

২৬ **ৰ’দালি**
■ জানকী শৰ্মা

২৬ **জোনাক নিশা**
■ ভায়লিনা ডেকা

২৬ **নদী**
■ অনুৰাগ পাটোৱাৰী

২৬ **কবিতাৰ বিষয়**
■ বৃষ্টি ডেকা

২৭ **সংগ্ৰামী শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা**
■ টনবীৰ কাশ্যপ শৰ্মা

২৮ **CEO of YouTube–Neal Mohan**
■ Raktim Tahbildar

২৯ **গড়ভাঙাৰ হাবিত এদিন**
■ বিৰিখ শৰ্মাচাৰ্য্য

৩০ **হৰ্ষিণী কাহ্নেকাৰ**
■ দোকমোকালি গোস্বামী

৩১ **Did You Know**
■ Pallavi Dutta

৩২ **Stories from World Classics**
■ Neha Bora

৩৩ **কুইজ**
■ দীপাংকৰ কৌশিক

৩৪ **চেনাবৰ ৰেলৰ দলং**
■ মানসজ্যোতি শইকীয়া

৩৫ **লোকপিয়ল**
■ অপৰ্ণা দেৱী

৩৭ **চমাংকান উৎসৱ**
■ হিমাশ্ৰী ডেকা

৩৮ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩৯ **ইণ্টাৰনেটৰ হাট-বজাৰ : এমাজন, ফ্লিপকাৰ্ট ইত্যাদি**
■ নিভা ৰাণী ৰায়

**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)
**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : ত্ৰিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*


# পৃথিৱীৰ পৰা আন্তৰ্জাতিক মহাকাশ আস্থানলৈ এক সুপৰিকল্পিত পৰিক্ৰমা

■ অভিজিত শৰ্মা বৰুৱা

শেহতীয়াভাৱে আন্তৰ্জাতিক মহাকাশ আস্থানলৈ (International Space Station, ISS) এক্সিয়ম মিছন ৪ৰ (Axiom Mission 4) যাত্ৰা আৰম্ভ হৈছে। ১১ জুনতে ইয়াৰ উৎক্ষেপণ হোৱাৰ কথা আছিল যদিও 'স্পেচ-এক্স' (space-x) প্ৰতিষ্ঠানৰ ফেলকন-৯ (Falcon-9) ৰকেটত দেখা দিয়া কাৰিকৰী সমস্যা আৰু আইএছএছৰ 'ঝেজডা ছাৰ্ভিচ মডুল'ৰ (Zvezda scrvice module) এক সামান্য বিজুতিৰ বাবে এই অভিযান দুসপ্তাহৰ বাবে পিছুৱাই দিয়া হৈছিল। অৱশেষত ২০২৫ চনৰ ২৫ জুনত, আন্তৰ্জাতিক মান সময় ১২-০১ বজাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেনেডী স্পেচ চেণ্টাৰৰ (Kennedy Space Center) পৰা এই অভিযানৰ 'গ্ৰেচ' (Grace) নামৰ ক্ৰু ড্ৰেগন যানখন মহাকাশলৈ উৎক্ষেপণ কৰা হয়। এই অভিযান হ'ল 'এক্সিয়ম স্পেচ' নামৰ এক ব্যক্তিগত প্ৰতিষ্ঠানে 'স্পেচ এক্স' আৰু 'নাছা'ৰ (National Aeronautics and Space Administration–NASA) লগত অংশীদাৰ হৈ ৰূপায়ণ কৰা এক মহাকাশ অভিযান। ভাৰতৰ বাবে এই অভিযান এই কাৰণেই গুৰুত্বপূৰ্ণ যে এই অভিযানত অংশ লোৱা চাৰিজন মহাকাশচাৰীৰ ভিতৰত শুভাংশু শুক্লা নামৰ এজন ভাৰতীয় মহাকাশচাৰীও আছে। শুক্লা হ'ল ৰাকেশ শৰ্মাৰ পাছত মহাকাশলৈ যোৱা দ্বিতীয়জন ভাৰতীয় মহাকাশচাৰী। এক্সিয়ম মিছন ৪ৰ মহকাশচাৰীকেইজন ১৪ৰ পৰা ২১ দিন আইএছএছ-ত থাকিব আৰু তাৰ পাছত উভতি আহিব।

**আইএছএছ—কি আৰু কিয়?**

আইএছএছ হ'ল মহাকাশত স্থাপিত এক গৱেষণা, পৰ্য্যবেক্ষণ আৰু আবাস কেন্দ্ৰ। বিশ্বৰ পাঁচটা মহাকাশ সংস্থা এই আস্থান স্থাপনৰ লগত জড়িত হৈ আছে।



সেইকেইটা হ'ল—নাছা (আমেৰিকা যুক্তৰাষ্ট্ৰ), ৰছকছমছ (ROSCOSMOS) (ৰাছিয়া), ইউৰোপীয়ান স্পেচ এজেন্সী (European Space Agency) (ইউৰোপ), জাক্সা (JAXA) (জাপান) আৰু কানাডা স্পেচ এজেন্সী (CSA) (কানাডা)। এখন ফুটবলৰ খেলপথাৰৰ প্ৰায় সমান এই মহাকাশ আস্থানটো মূলতঃ মাইক্ৰ'গ্ৰেভিটি (microgravity) সম্পৰ্কত বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা আৰু মহাকাশৰ পৰিবেশ অধ্যয়ন কৰিবৰ বাবে নিৰ্মাণ কৰা হৈছে। এই আস্থানটোত মূলতঃ দুটা ভাগ আছে। প্ৰথমটো হ'ল 'ৰাছিয়ান অৰ্বিটেল ছেগমেণ্ট' (Russian orbital segment)। এইটো ৰাছিয়াৰ মহাকাশ সংস্থা ৰছকছমছে সাজি উলিয়াইছে। আনহাতে আন চাৰিটা মহাকাশ গৱেষণা সংস্থাই 'ইউএছ অৰ্বিটেল ছেগমেণ্ট' নামৰ দ্বিতীয়টো অংশ নিৰ্মাণ কৰিছে। আন্তৰ্জাতিক মহাকাশ আস্থানৰ মূল গাঁথনি হ'ল এক প্ৰকাণ্ড 'ইণ্টিগ্ৰেটেড ট্ৰাছ ষ্ট্ৰাকচাৰ' (integrated truss structure)। এই গাঁথনিৰ ওপৰতে সৌৰ পেনেলসমূহ আৰু ৰেডিয়েটৰসমূহ আছে। সৌৰ পেনেলসমূহে এই আস্থানক প্ৰয়োজনীয় শক্তিৰ যোগান ধৰে। আন্তৰ্জাতিক মহাকাশ আস্থানত যথেষ্টসংখ্যক চাপযুক্ত মডুল (module) বা কুঠৰী আছে। বৈজ্ঞানিক গৱেষণা, আবাসীসকলৰ বাসস্থান, ভঁৰালঘৰ, নিয়ন্ত্ৰণ কক্ষ, বায়ুনিৰুদ্ধ অপাৰেছন আদি বিভিন্ন কামৰ বাবে এই

কুঠৰীসমূহ ব্যৱহাৰ কৰা হয়। বিভিন্ন মহাকাশযান আহি ৰখিবৰ বাবে তাত আঠটা ‘ডকিং এণ্ড বাৰ্থিং’ (docking and berthing) স্থান আছে। এই আস্থানটোৱে ভূপৃষ্ঠৰ পৰা ৪০৯ কিল’মিটাৰ উচ্চতাত থাকি পৃথিৱীখন প্ৰদক্ষিণ কৰি থাকে। প্ৰায় ৯৩ মিনিটত ই পৃথিৱীখনৰ চাৰিওফালে এপাক মাৰে।

আইএছএছ নিৰ্মাণৰ আগতেই নাছাই মহাকাশত ‘ফ্ৰীডম’ (freedom) নামেৰে এক মহাকাশ আস্থান নিৰ্মাণ কৰিবৰ বাবে পৰিকল্পনা কৰিছিল। এই আস্থানৰ বাজেট স্বাভাৱিকভাৱেই বিলিয়ন ডলাৰৰ হিচাপত আছিল। এই খৰচ অতিপাত বেছি হ’ল বুলি আৰু ইয়াৰ পৰা বিশেষ গুৰুত্বপূৰ্ণ লাভ অৰ্জন কৰিব নোৱাৰিব বুলি মত পোষণ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাজনৈতিক নেতা আৰু সাংসদসকলে ইয়াত অনুমোদন নজনালে। ১৯৯৩ চনত যেতিয়া বিল ক্লিণ্টন আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হ’ল, তেতিয়া এটা সিদ্ধান্ত লোৱা হ’ল যে আমেৰিকা যুক্তৰাষ্ট্ৰই নিজাকৈ মহাকাশ আস্থান নিৰ্মাণ নকৰে, কিন্তু এনে কাম কৰিবলৈ আগ বঢ়া আন দেশলৈ সহায়ৰ হাত আগ বঢ়াই এটা আন্তৰ্জাতিক মহাকাশ আস্থান নিৰ্মাণত অংশ ল’ব। ইতিমধ্যে ৰাছিয়াই ‘মিৰ-২’ (mir-2) নামেৰে এক মহাকাশ আস্থান নিৰ্মাণৰ কামত আগ বাঢ়িছিল। ইউৰোপীয়ান ইউনিয়নে ‘কলম্বাছ’ (Columbus) নামেৰে এটা মহাকাশ আস্থান নিৰ্মাণৰ কাম কৰি আছিল, জাপানেও ‘কিব’ ’ (kibo) নামৰ এক মহাকাশ আস্থান নিৰ্মাণ কৰিব খুজিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৰাছিয়াই আন দুখন দেশৰ সৈতে লগ লাগি বিশ্বৰ আটাইতকৈ তাৎপৰ্য্যপূৰ্ণ আন্তৰ্জাতিক ঐক্যৰ কামটো হাতত ল’লে, মানে তেওঁলোক আটায়ে মিলি এক আন্তৰ্জাতিক মহাকাশ আস্থান নিৰ্মাণ কৰিব আৰু তাত সকলোৰে সমান অধিকাৰ থাকিব।

এই আস্থানটোৰ স্থাপনৰ কাম আৰম্ভ হৈছিল ১৯৯৮ চনত। সেই বছৰৰে ২০ নৱেম্বৰত ‘প্ৰট’ন’ নামৰ ৰকেটে ৰাছিয়ান মডুল ‘ঝাৰিয়া’ক (jharia) মহাকাশত স্থাপন কৰে। ঝাৰিয়াই নিজস্ব কক্ষপথত পৃথিৱীক প্ৰদক্ষিণ কৰিবলৈ আৰম্ভ কৰাৰ পাছত নাছাই তেওঁলোকৰ মডুল ‘ইউনিটি’ক মহাকাশলৈ প্ৰেৰণ কৰিলে। নাছাৰ মহাকাশ ছাটল (shuttle) যান ‘এছএছ এনডিভাৰ’ (SS Endeavour) ইউনিটিক মহাকাশলৈ লৈ গৈছিল। এনডিভাৰত দুজন আমেৰিকান মহাকাশচাৰী—জেমছ নিউমেন আৰু জেৰী ৰছো মহাকাশলৈ গৈছিল। তেওঁলোকে মহাকাশৰ নিৰ্দিষ্ট স্থানত ছাটল যানখনৰ বাহিৰলৈ ওলাই মহাকাশত খোজ কাঢ়ি, অৰ্থাৎ ‘স্পেচৱাক’ (spacewalk) কৰি ইউনিটি আৰু ঝাৰিয়াক সংযোগ কৰিলে। সেয়া আছিল আন্তৰ্জাতিক মহাকাশ আস্থানৰ পৰা প্ৰথম স্পেচৱাক। ২০০০ চনত আইএছএছ-ত ৰাছিয়ান মডুল ঝেজডা (Zvezda) সংযোগ কৰা হ’ল। তাৰ ফলত আন্তৰ্জাতিক মহাকাশ আস্থান মহাকাশচাৰীৰ বাবে বসবাসযোগ্য হৈ উঠিল আৰু অন্ততঃ দুজন মহাকাশচাৰী তাত থাকিব পৰা হ’ল। নিৰ্মাণ শেষ হোৱাৰ পাছত ২০০০ চনৰ ২ নৱেম্বৰৰ পৰা মহাকাশচাৰীসকলে পাল পাতি ইয়াত থাকিবলৈ লৈছে আৰু আস্থানটোৰ কাম-কাজ চলাই ৰাখিছে। ২০২৪ চনৰ মাৰ্চ মাহৰ এক হিচাপ অনুসৰি ২২ খন দেশৰ ২৭৯ জন লোক তালৈ গৈছে। ২০৩০ চনলৈকে এই আস্থানটোৰ কাম-কাজ অব্যাহত থাকিব।

**আইএছএছ-লৈ যাত্ৰাকালত মহাকাশচাৰীৰ ওপৰত ক্ৰিয়া**

আইএছএছ অভিমুখী মহাকাশচাৰীসকল মহাকাশযানখনৰ ভিতৰত সোমোৱাৰ পাছত তেওঁলোকৰ বিশেষ কাম নাথাকে। পৰবৰ্তী কামবোৰ পৃথিৱীৰ নিয়ন্ত্ৰণ কক্ষৰ পৰা সম্পাদিত হয়। নিৰ্দিষ্ট সময়ত শক্তি সৃষ্টিকাৰী সহায়ক গোটবোৰ চলিবলৈ আৰম্ভ কৰে। প্ৰতিটো সহায়ক গোট চলিলে মহাকাশচাৰীসকলে এক জোকাৰণি অনুভৱ কৰে। উৎক্ষেপণৰ প্ৰায় ছয় ছেকেণ্ড আগতে মূল ইঞ্জিনবোৰ চলিবলৈ আৰম্ভ কৰে আৰু তেতিয়া মহাকাশচাৰীসকলে বেছি জোকাৰণি অনুভৱ কৰে। মূল ৰকেটটোৰ নিয়ন্ত্ৰিত বিস্ফোৰণ হোৱাৰ লগে লগে যানখন তীব্ৰগতিৰে ওপৰলৈ উঠি যায়। সেই সময়ত মহাকাশচাৰীসকলৰ পাকস্থলী আৰু বাকী অংগবোৰ মোচৰ খাই উঠিব পাৰে। অৱশ্যে মহাকাশচাৰীসকলক

সেই অভিজ্ঞতা কৃত্রিমভাৱে আগতেই দি সেই ক্ষেত্ৰত প্ৰশিক্ষিত কৰা হয়। তাৰ কিছু পাছত হঠাতে সকলো শান্ত হৈ পৰে। মহাকাশচাৰীসকলৰ বিভিন্ন বস্তু, হাত দুখন ভাহি থাকিবলৈ আৰম্ভ কৰে। তাৰ অৰ্থ হ'ল তেওঁলোক পৃথিৱীৰ মাধ্যাকৰ্ষণৰ প্ৰভাৱৰ পৰা মুক্ত হৈ পৰিছে। এইটো প্ৰকৃততে এটা ডাঙৰ ঢাক্কা। কাৰণ তাৰ ফলত মহাকাশচাৰীজনৰ মূৰটোৰ বাহিৰে শৰীৰৰ বাকী অংশই স্বাভাৱিকভাৱে কাম কৰিবলৈ অস্বীকাৰ কৰে। পাছত সেই অংশ বা অংগবোৰে নিজকে খাপ খুৱাই ল'বলৈ চেষ্টা কৰে যদিও তাৰ বাবে কিছু সময় লাগে। কক্ষপথ পোৱাৰ পাছত সেই কক্ষপথেদি ঘূৰি থকাৰ প্ৰথম ছঘণ্টামান বেছ কঠিন। মহাকাশচাৰীসকলে যানখন ক'লৈ গৈ আছে, কেনেকৈ গৈ আছে—একো ধৰিব নোৱাৰে। সকলো তেওঁলোকৰ নিয়ন্ত্ৰণৰ বাহিৰত। যেন এক অনিশ্চিত যাত্ৰাহে।

**যানখন কেনেকৈ আইএছএছ পায়গৈ ?**

সাধাৰণতে মহাকাশযানখনে মাধ্যাকৰ্ষণমুক্ত মহাকাশ পাবলৈ সাত-আঠ মিনিট সময় লাগে। তাৰ পাছত যানখনে পৃথিৱীক প্ৰদক্ষিণ কৰিবলৈ আৰম্ভ কৰে। একে সময়তে আইএছএছ-য়েও পৃথিৱীক প্ৰদক্ষিণ কৰি থাকে। আইএছএছ-ৰ প্ৰদক্ষিণ-বেগ হ'ল ঘণ্টাত প্ৰায় ১৭,৫০০ কিল'মিটাৰ। মহাকাশখন ইমান বিশাল যে তাত আইএছএছক বিচাৰি উলিওৱা অতিশয় কঠিন কাম। পাছে 'উৎক্ষেপণ নিয়ন্ত্ৰণ দল'টোৱে উৎক্ষেপণৰ সময় আৰু বেগ এনেদৰে নিৰ্ধাৰণ কৰি থয়, যাতে যানখন মহাকাশ পায়গৈ মানে আইএছএছো তাৰ ওচৰতে থাকে। নিৰ্ভুল 'পজিছনিং ছিষ্টেম'ৰ (positioning system) সহায়ত মহাকাশযানক আইএছএছৰ লগত সংলগ্ন কৰাটো সম্ভৱ হৈ উঠে। আগতে এনেকৈ এখন মহাকাশযান, আন এখন মহাকাশযানৰ, বা আইএছএছৰ ওচৰ চাপোঁতে দুদিনমান লাগিছিল যদিও উন্নত প্ৰযুক্তিৰ বাবে এই সময় কমি আহি ২০১৩ চনৰ পৰা ছঘণ্টা হৈছিল। আইএছএছৰ আঠটা ডকৰ কোনো এটাৰ লগত আনখন মহাকাশযানখন আহি সংযুক্ত হয়। তাৰ পাছত মহাকাশচাৰীসকল নিজৰ মহাকাশযানখনৰ পৰা ওলাই আহে। 'স্পেচ ছুট' (space suit) পিন্ধা অৱস্থাত ওপঙি ওপঙি তেওঁলোক আইএছএছলৈ যায়। আইএছএছত এটা



ঘণ্টা (bell) আছে। ইয়াৰ (আইএছএছ) প্ৰথম কমাণ্ডাৰ বিল ছেফাৰ্ড নৌবাহিনীৰ এজন বিষয়া আছিল আৰু তেৰেঁই নৌবাহিনীৰ এক প্ৰচলিত নিয়ম তাত ব্যৱহাৰ কৰি ঘণ্টাটো ৰাখিছিল। কোনোবা তালৈ প্ৰথমবাৰৰ বাবে গ'লেই সেই ঘণ্টাটো বজায় আৰু সকলোকে জনাই দিয়ে যে—'মই আহি পালোঁ।' তেতিয়া ইতিমধ্যে আইএছএছত থকা আন মহাকাশচাৰীসকল ওলাই আহে আৰু নতুনকেইজনক সম্ভাষণ জনাই মূল আইএছএছ-ৰ ভিতৰলৈ লৈ যায়।

**শেষত কিছু কথা**

আন্তৰ্জাতিক মহাকাশ আস্থান বা আইএছএছ বিভিন্ন দেশৰ সহায়ত গঢ় লৈ উঠা এক মহাকাশ আস্থান আৰু এই আস্থান কোনো দেশৰে ব্যক্তিগত সম্পত্তি নহয়। ই এক পূৰ্ণ পৰ্য্যায়ৰ অফিচ তথা গৱেষণাগাৰ। মাত্ৰ ইয়াৰ অৱস্থিতি পৃথিৱীত নহৈ যেনিবা মহাকাশত। কাৰ্য্যক্ষম হৈ উঠাৰে পৰা আইএছএছত কোনোবা নহয় কোনোবা মানুহ আছেই আৰু তেওঁলোকে নিজৰ নিজৰ কৰ্তব্য পালন কৰিছে। প্ৰায় ছমাহমান এনেকৈ থকাৰ পাছত তেওঁলোকৰ 'ট্ৰেন্সফাৰ' হয় আৰু নতুন লোকে তেওঁলোকৰ দায়িত্ব চম্ভালে। এই দলসমূহক 'এক্সপিডিছন' (expedition) বুলি জনা যায়। আমাৰ সুনীতা উইলিয়ামছ তেনে এটি দলৰে (এক্সপিডিছন-১৪) সদস্যা আছিল। ইয়াক পৃথিৱীৰ এক বাছ আস্থান বা ৰেল আস্থানৰ দৰে বুলি ভাবি ল'লেও বিশেষ ভুল নহ'ব। মানে কোনো মহাকাশযান যদি মহাকাশৰ কোনো স্থানলৈ বা গ্ৰহ-নক্ষত্ৰৰ ওচৰলৈ যাব খোজে, তেন্তে বাটতে আইএছএছত সোমাই জিৰণি লৈ বা 'চাহ-ভাত' খাই যাব পাৰিব। ❖

## অসমৰ চাৰিগৰাকী সাহিত্যিকলৈ সাহিত্য অকাডেমিৰ শিশু-যুৱ বঁটা






সুৰেন্দ্ৰ মোহন দাস বিনয় কুমাৰ ব্ৰহ্ম সুপ্ৰকাশ ভূএগ অমৰ খুংগাৰ বড়ো

যোৱা ১৮ জুন তাৰিখে ৰাজ্যখনৰ চাৰিগৰাকী সাহিত্যিকে ২০২৫ বৰ্ষৰ সাহিত্য অকাডেমিৰ শিশু আৰু যুৱ বঁটা লাভ কৰাৰ কথা সংগঠনটোৱে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। এই বৰ্ষত বিশিষ্ট শিশু-সাহিত্যিক সুৰেন্দ্ৰ মোহন দাস আৰু বিনয় কুমাৰ ব্ৰহ্মই 'সাহিত্য অকাডেমি'ৰ শিশু সাহিত্য বঁটা তথা সুপ্ৰকাশ ভূএগ আৰু অমৰ খুংগুৰ বড়োৱে যুৱ বঁটা লাভ কৰিবলৈ সক্ষম হয়। অসমীয়া ভাষাৰ পদ্যপুথি 'মইনাহঁতৰ পদ্য'ৰ বাবে সুৰেন্দ্ৰ মোহন দাসে অকাডেমিৰ শিশু-সাহিত্য পুৰস্কাৰ লাভ কৰে।

আনহাতে কোকৰাঝাৰ জিলাৰ দোতমা নিবাসী বিশিষ্ট সাহিত্যিক বিনয় কুমাৰ ব্ৰহ্মই 'খান্তি বোসোন আৰো আখু দানায়' (নীতিশিক্ষা আৰু চৰিত্ৰ গঠন) শীৰ্ষক গ্ৰন্থৰ বাবে বড়ো ভাষাত সাহিত্য অকাডেমিৰ শিশু বঁটা লাভ কৰে।

তদুপৰি শিৱসাগৰ জিলাৰ দিখৌমুখৰ যুৱ গল্পকাৰ সুপ্ৰকাশ ভূএগই 'কুঁচিয়ানামা' শীৰ্ষক গ্ৰন্থ সংকলনৰ বাবে ২০২৫ বৰ্ষৰ অকাডেমিৰ যুৱ বঁটা লাভ কৰিছে। দিখৌমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিভাগৰ বিষয় শিক্ষক সুপ্ৰকাশ ভূএগৰ বঁটাপ্ৰাপ্ত গ্ৰন্থ 'কুঁচিয়ানামা' গুৱাহাটীৰ পূৰ্বায়ন প্ৰকাশনে ২০২৩ চনত প্ৰকাশ কৰি উলিয়াইছিল।

১৯৯৪ চনত পানেৰিত জন্মগ্ৰহণ কৰা যুৱ কবি অমৰ খুংগুৰ বড়োৱে বড়ো ভাষাৰ 'আং অসুৰ' শীৰ্ষক কাব্যগ্ৰন্থৰ বাবে এই বৰ্ষৰ সাহিত্য অকাডেমিৰ যুৱ বঁটা লাভ কৰিছে। বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ খুংগুৰ বড়োৰ কেইবাখনো গ্ৰন্থ প্ৰকাশ পাইছে। পুৰস্কাৰ প্ৰাপকসকলে বঁটাৰ লগতে তাম্ৰপত্ৰ আৰু পঞ্চাছ হাজাৰকৈ টকা লাভ কৰিব।

## নৰেন্দ্ৰনাথ দাস আৰু ড° মল্লিকা কন্দলীলৈ ২০২৫ বৰ্ষৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা

যোৱা ২০ জুন তাৰিখে নলবাৰীৰ গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসম চৰকাৰে কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত কৰা বিষ্ণুপ্ৰসাদ ৰাভা দিৱসৰ অনুষ্ঠানত বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰনাথ দাস আৰু নৃত্যশিল্পী ড° মল্লিকা কন্দলীক ২০২৫ বৰ্ষৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। একেটা অনুষ্ঠানতে এই বৰ্ষৰ শোণিত কোঁৱৰ গজেন বৰুৱা বঁটা বিশিষ্ট সত্ৰীয়া সাধক সোণাৰাম শৰ্মা বুঢ়াভকত আৰু স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা বিশিষ্ট সমাজসেৱী শ্ৰীযজ্ঞেশ্বৰ চেতিয়াক প্ৰদান কৰা হয়। তদুপৰি ২০২৫ বৰ্ষৰ 'শ্ৰীশ্ৰীমাধৱদেৱ বঁটা' বিশিষ্ট সাহিত্যিক, গৱেষক ড° থানেশ্বৰ শৰ্মাক, 'বীৰ চিলাৰায় বঁটা', অপাৰেছন সেন্দূৰৰ ছহিদ দীপক চিংগাখামক (মৰণোত্তৰভাৱে) আৰু 'কালিচৰণ ব্ৰহ্ম বঁটা' বিশিষ্ট কবি-সাহিত্যিক ধনেশ্বৰ ইংতিক প্ৰদান কৰা হয়। বঁটাসমূহ প্ৰাপকসকলক আনুষ্ঠানিকভাৱে প্ৰদান কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উল্লেখযোগ্য যে যোৱা ১২ জুন তাৰিখে ২০২৩ বৰ্ষৰ 'শ্ৰীমন্ত শংকৰদেৱ বঁটা' আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ড° সোণাল মানসিঙক ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

## প্ৰধানমন্ত্ৰী মোডীৰ ত্ৰিদেশীয় বিদেশ ভ্ৰমণ : জি-৭ সন্মিলনত অংশগ্ৰহণ

যোৱা ১৫ জুন তাৰিখে চাৰিদিনীয়া ভ্ৰমণসূচী লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী তিনিখন দেশ ক্ৰমে চাইপ্ৰাছ, কানাডা আৰু ক্ৰ'ৱেচিয়া ভ্ৰমণৰ উদ্দেশ্যে ভাৰতৰ পৰা যাত্ৰা আৰম্ভ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে চাইপ্ৰাছত উপস্থিত হোৱাৰ পাছতে প্ৰধানমন্ত্ৰী মোডীক দেশখনৰ ৰাষ্ট্ৰপতি নিকোছ ক্ৰিষ্টোডউলিডছে বিমান বন্দৰত আদৰণি জনায়। বৈঠকত দুয়োখন দেশৰ মাজত বাণিজ্য, শিক্ষা, প্ৰতিৰক্ষা, বিনিয়োগ আদি বিষয়ত কেইবাখনো বুজাবুজিৰ চুক্তি

স্বাক্ষৰিত হয়। ১৬ জুনত অনুষ্ঠিত এক চৰকাৰী অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোডীক দেশখনৰ সৰ্বোচ্চ সন্মান 'গ্ৰেণ্ড ক্ৰছ অৱ দা অৰ্ডাৰ অৱ মাকাৰিয়োছ-৩' (Grand Cross of the Order of Makarios-III) ৰাষ্ট্ৰপতি নিকোছে প্ৰদান কৰে।

চাইপ্ৰাছ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোডী ১৬ জুনত কানাডাৰ কানানাস্কিছটত উপস্থিত হয়। কানাডাৰ নতুন প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নিৰ আমন্ত্ৰণক্ৰমে প্ৰথমবাৰৰ বাবে কানাডা ভ্ৰমণ কৰা প্ৰধানমন্ত্ৰী মোডী কাৰ্নিৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয় আৰু দুয়োজন দেশনেতাই কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

কানাডাত অনুষ্ঠিত জি-৭ শীৰ্ষ সন্মিলনত এজন আমন্ত্ৰিত সদস্য হিচাপে অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোডীয়ে সন্ত্ৰাসবাদ তথা যুদ্ধ বন্ধ কৰিবৰ বাবে সকলোকে আহ্বান জনায়। 'জি-৭' সংগঠনৰ সদস্য ৰাষ্ট্ৰকেইখন হ'ল—ফ্ৰান্স, ইটালী, জাৰ্মানী, ইংলণ্ড, কানাডা, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু জাপান।

কানাডা ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোডী ১৮ জুনত ক্ৰ'ৱেচিয়াত উপস্থিত হৈ দেশখনৰ ৰাষ্ট্ৰপতি জোৰান মিলান'ভিচ আৰু প্ৰধানমন্ত্ৰী আণ্ড্ৰেজ প্লেনক'ভিচৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। এই দেশখন ইউৰোপৰ প্ৰৱেশদ্বাৰ হিচাপে বিবেচিত আৰু মোডী হৈছে ক্ৰ'ৱেচিয়া ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী। এই ভ্ৰমণ কালত দুয়োখন দেশৰ মাজত বাণিজ্য, সংস্কৃতি বিনিময়কে ধৰি বিভিন্ন বিষয়ত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।

## গুৱাহাটী বিশ্ববিদ্যালয়ত পাৰমাণৱিক শক্তিৰ বিৰল পৰীক্ষা

যোৱা ৭ জুন তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অধ্যাপক কুশল কলিতাৰ নেতৃত্বত গৱেষকৰ এটা দলে সফলতাৰে পাৰমাণৱিক শক্তিৰ (nuclear energy) বিৰল পৰীক্ষা সম্পাদন কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। পদাৰ্থৰ মৌলিক কণিকাৰ মাজত তীব্ৰ সংঘৰ্ষ ঘটাই বিশ্ববিদ্যালয়খনৰ গৱেষকৰ দলটোৱে অভিনৱ পৰীক্ষা তথা তথ্য আহৰণৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ সক্ষম হয়। ছুপাৰকণ্ডাক্টিং চাইক্ল'ট্ৰন (superconducting cyclotron) ব্যৱহাৰ কৰি পৰীক্ষা-নিৰীক্ষা চলোৱা দেশৰ প্ৰথমখন প্ৰতিষ্ঠান হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ে স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হয়। কলকাতাৰ ভেৰিয়েবল এনাৰ্জি চাইক্ল'ট্ৰন চেণ্টাৰত (The Variable Energy Cyclotron Centre, Kolkata) শেহতীয়াকৈ যোৱা দুমাহ ধৰি গৱেষকৰ দলটোৱে বিশদভাৱে অধ্যয়ন কৰি এই উল্লেখযোগ্য সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। এই পৰীক্ষা কাৰ্য্যত পদাৰ্থৰ মৌলিক কণিকাৰ মাজত প্ৰচণ্ড সংঘৰ্ষ সংঘটিত হয় আৰু অধিক ক্ষুদ্ৰ ক্ষুদ্ৰ কণালৈ বিভাজন ঘটি সক্ৰিয় শক্তি উৎপাদন হয়। এই অভূতপূৰ্ব সাফল্যই পাৰমাণৱিক পদাৰ্থবিজ্ঞানৰ ক্ষেত্ৰখনক নতুন গতি প্ৰদান কৰিব বুলি বিজ্ঞানীসকলে আশা কৰিছে।

## আহমেদাবাদত বিমান দুৰ্ঘটনাত ২৭০ জনৰ প্ৰাণহানি

যোৱা ১২ জুন তাৰিখে দুপৰীয়া ১ বাজি ৩৮ মিনিটত আহমেদাবাদ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা উৰণৰ পাছতে লণ্ডনমুখী এয়াৰ ইণ্ডিয়াৰ ফ্লাইট-১৭১ খনে সমীপৰ বিজে মেডিকেল কলেজৰ ছাত্ৰাবাসত প্ৰচণ্ড জোৰেৰে খুন্দা মাৰি দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাত জ্বলি খণ্ড-বিখণ্ড হৈ পৰা বিমানখনত থকা ২৪১জন আৰোহীৰ লগতে ছাত্ৰাবাসৰ ২৯জন লোকসহ মুঠ ২৭০জন লোকে প্ৰাণ হেৰুৱায়। দুই পাইলটসহ বিমানখনৰ ১৪জন কৰ্মীৰ প্ৰাণহানি হয় যদিও এজন আৰোহীয়ে জঁপিয়াই প্ৰাণৰক্ষা কৰিবলৈ সক্ষম হয়। দুৰ্ঘটনাত প্ৰাণৰক্ষা পৰা লোকজন ইংৰাজ নাগৰিক ৰমেশ বিশ্বাস কুমাৰ। পাইলটে উৰন্ত অৱস্থাত জৰুৰী বাৰ্তা প্ৰেৰণ কৰে যদিও উৰণৰ ৫ মিনিটৰ পাছতে বিমানখন দুৰ্ঘটনাত পতিত হয়। যান্ত্ৰিক বিজুতিৰ বাবেই ভাৰসাম্য হেৰুৱাই বিমানখন ধ্বংস হোৱা বুলি কোৱা হৈছে যদিও দুৰ্ঘটনাটোৰ তদন্তৰ দায়িত্ব আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'নেছনেল ট্ৰেন্সপ'ৰ্টেছন ছেফটি ব'ৰ্ড'ক (National Transportation Safety Board) অৰ্পণ কৰা হৈছে।

## আইপিএলৰ নতুন চেম্পিয়ন আৰচিবি



যোৱা ৩ জুন তাৰিখে আহমেদাবাদত অনুষ্ঠিত ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণৰ চূড়ান্ত খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে (আৰচিবি) চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়। টাটা আইপিএলৰূপে পৰিচিত এই বৰ্ষৰ প্ৰতিযোগিতাত মুঠ ১০টা দলে ৭৪ খন খেলত অৱতীৰ্ণ হৈছিল আৰু ২২ মাৰ্চ তাৰিখে প্ৰতিযোগিতাখনিৰ আৰম্ভণি হৈছিল। প্ৰতিযোগিতাত আৰচিবিৰ ক্ৰুণাল পাণ্ডিয়াই চূড়ান্ত খেলত শ্ৰেষ্ঠ খেলুৱৈৰ পুৰস্কাৰ লাভ কৰাৰ বিপৰীতে মুম্বাই ইণ্ডিয়ানছৰ সূৰ্য্যকুমাৰ যাদৱে টুৰ্ণামেণ্টৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। চেম্পিয়ন দলটোৱে সুদৃশ্য ট্ৰফীৰ লগতে নগদ ২০ কোটি টকাৰ পুৰস্কাৰ লাভ কৰে।

## ৰীমা দাসলৈ শ্ৰেষ্ঠ চলচ্চিত্ৰ পৰিচালকৰ বঁটা



যোৱা ২৩ জুন তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক মহানগৰত অনুষ্ঠিত ২৫ সংখ্যক নিউয়ৰ্ক ইণ্ডিয়ান ফিল্ম ফেষ্টিভেল, (New York Indian Film Festival), ২০২৫ত যশস্বী চলচ্চিত্ৰ পৰিচালক ৰীমা দাসে শ্ৰেষ্ঠ চলচ্চিত্ৰ পৰিচালকৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। পৰিচালকগৰাকীয়ে তেওঁৰ 'ভিলেজ ৰকষ্টাৰ্ছ-২' (Village Rockstars-2) নামৰ অসমীয়া চলচ্চিত্ৰখনৰ বাবে এই সন্মান লাভ কৰিবলৈ সক্ষম হয়। দুটাকৈ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সক্ষম হোৱা চলচ্চিত্ৰখনৰ মূল উপজীব্য হৈছে এগৰাকী গাঁৱলীয়া কিশোৰীয়ে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে সংগীতত লাভ কৰা সাফল্য। সাধাৰণতে মানুহ আৰু প্ৰকৃতিৰ মাজত থকা গভীৰ আত্মিক সম্পৰ্কক চলচ্চিত্ৰত জীৱন্ত ৰূপ দিবলৈ সমৰ্থ হোৱা ৪৮ বছৰীয়া ৰীমা দাসৰ ঘৰ কামৰূপ জিলাৰ ছয়গাঁৱত। ফ্লাযিং ৰিভাৰ ফিল্মছ আৰু একাংগা ফিল্ম এছিয়াৰ দ্বাৰা প্ৰযোজিত চলচ্চিত্ৰখনত মুখ্য চৰিত্ৰত অভিনয় কৰা শিল্পীসকল হৈছে—ভনিতা দাস, মহানন্দ দাস আদি। ৰীমা দাস পৰিচালিত 'ভিলেজ ৰকষ্টাৰ্ছ' চলচ্চিত্ৰখনে ২০১৭ বৰ্ষত ৰাষ্ট্ৰীয় শ্ৰেষ্ঠ চলচ্চিত্ৰৰ স্বৰ্ণ কমল বঁটা লাভ কৰাৰ লগতে আৰু অস্কাৰৰ বাবে মনোনীত হৈছিল।

## ইতিহাস গঢ়ি মহাকাশত শুভাংশু শুক্লা

যোৱা ২৫ জুন তাৰিখে দিনৰ ১২.০১ বজাত মহাকাশ যাত্ৰাৰে ইতিহাস সৃষ্টি কৰে ভাৰতীয় মহাকাশচাৰী, বায়ুসেনা বাহিনীৰ গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাই। মাৰ্কিন মহাকাশ গৱেষণা সংস্থা 'নাছা'ৰ কেনেডি স্পেচ চেণ্টাৰৰ পৰা আন তিনিগৰাকী মহাকাশচাৰীৰ লগত ভাৰতীয় মহাকাশচাৰী শুক্লাই স্পেচ এক্সৰ ড্ৰেগন কেপছুলৰ জৰিয়তে মহাকাশলৈ যাত্ৰা কৰে। ফেলকন-৯ ৰকেটেৰে প্ৰেৰণ কৰা 'ড্ৰেগন' মহাকাশযানখনে দহ মিনিটৰ পাছত দুশ কিল'মিটাৰ উচ্চতাত মহাকাশৰ নিৰ্দিষ্ট কক্ষপথত উপনীত হয়। ড্ৰেগন যানখনে প্ৰচণ্ড গতিৰে আৱৰ্তন কৰি পৰৱৰ্তী ২৮ ঘণ্টাৰ ভিতৰত 'আন্তঃৰাষ্ট্ৰীয় মহাকাশ আস্থান'ৰ (International Space Station) লগত সংযুক্ত হয় আৰু মহাকাশচাৰীসকলে তাত প্ৰৱেশ কৰে। এই মহাকাশ অভিযানৰ আন সহযাত্ৰীসকল হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ পেগী হুইটছন (মহিলা), পোলেণ্ডৰ শ্লউজ উজনানস্কি আৰু হাংগেৰীৰ টিবৰ ৰাপু। 'একজিয়ম-৪' নামেৰে নামকৰণ কৰা এই মহাকাশ অভিযানৰ কমাণ্ডাৰ হিচাপে নেতৃত্ব বহন কৰিছে নাছাৰ মহাকাশচাৰী পেগী হুইটছনে। আন্তৰ্জাতিক মহাকাশ আস্থানত থাকি মুঠ ৬০টা বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰিবলগীয়া দলটোৱে ১৪ দিনৰ পাছত পৃথিৱীলৈ উভতি আহিব। ১৯৮৪ চনত ৰাছিয়াৰ পৰা মহাকাশলৈ যোৱা ৰাকেশ শৰ্মাৰ পাছত শুভাংশু শুক্লা হৈছে দ্বিতীয়গৰাকী ভাৰতীয় মহাকাশচাৰী। উল্লেখযোগ্য যে ১৯৮৪ চনত ৰাকেশ শৰ্মাই 'ছয়ুজ টি-১১' (Soyuz T-11) মহাকাশযানখনত মহাকাশত ৭ দিন ২১ ঘণ্টা অতিবাহিত কৰিছিল। ❖

■ সংগ্ৰহ : কুশল গোস্বামী

## খবৰৰ লেছেৰি বোটলা

**(২১ মে', ২০২৫ ৰ পৰা ২০ জুন, ২০২৫লৈ)**

২১ **মে'** : সমগ্ৰ ৰাজ্যতে 'আন্তৰ্জাতিক চাহ দিৱস' পালন কৰা হয়।

২২ **মে'** : ১৮৮৭ চনত নিৰ্মিত হয়বৰগাঁও ৰেল ষ্টেছনৰ নৱনিৰ্মিত ৰূপটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে উদ্বোধন কৰে।

২৩ **মে'** : হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত বিদেশী শিক্ষাৰ্থীৰ নামভৰ্তি নিষিদ্ধ কৰা ড'নাল্ড ট্ৰাম্প চৰকাৰৰ সিদ্ধান্ত ফেডাৰেল আদালতে স্থগিত ৰাখে।

২৫ **মে'** : ২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ২.৬৯ লাখ কোটি টকাৰ লাভাংশ কেন্দ্ৰীয় চৰকাৰক হস্তান্তৰ কৰে।

২৬ **মে'** : ছাৰজাহত অনুষ্ঠিত আন্তৰ্জাতিক দবা প্ৰতিযোগিতাত মায়ংক চক্ৰৱৰ্তীয়ে চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰে।

৩১ **মে'** : দক্ষিণ কোৰিয়াত অনুষ্ঠিত এছিয়ান এথলেটিকছ চেম্পিয়নশ্বিপত ভাৰতে ৮টা সোণ, ১০টা ৰূপসহ মুঠ ২৪ পদকেৰে দ্বিতীয় স্থান লাভ কৰে।

১ **জুন** : 'বৃটেইন'ছ গট টেলেণ্টত (Britains' Got Talent) অসমৰ ৯ বছৰীয়া বিনীতা চেত্ৰীয়ে দ্বিতীয় ৰাণাৰ্চ-আপৰ স্থান লাভ কৰে।

৩ **জুন** : যোৰহাট সমষ্টিৰ কংগ্ৰেছ দলৰ সাংসদ গৌৰৱ গগৈয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে।

৫ **জুন** : আফগানিস্তান, ম্যানমাৰ, য়েমেনকে ধৰি বিশ্বৰ ১২খন ৰাষ্ট্ৰৰ নাগৰিকক আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণত নিষেধাজ্ঞা আৰোপ কৰা হয়।

৬ **জুন** : প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে জম্মু-কাশ্মীৰত চেনাব নদীৰ ওপৰত বিশ্বৰ উচ্চতম ৰেল দলংখন উদ্বোধন কৰে।

৭ **জুন** : উদ্যোগপতি ইলন মাস্কে 'দা আমেৰিকা পাৰ্টি' নামৰ নতুন ৰাজনৈতিক দল খুলিব বুলি ঘোষণা কৰে।

৮ **জুন** : বিশ্ববেংকৰ প্ৰতিবেদন অনুসৰি ২০২৩ চনত ভাৰতৰ চৰম দৰিদ্ৰ লোকৰ সংখ্যা ৭.৫২ কোটি।

৯ **জুন** : ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ নামেৰে ডিব্ৰুগড়ৰ মোহনবাৰীস্থ বিমান বন্দৰটো নামকৰণ কৰা হ'ব বুলি অসম বিধানসভাই সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰে।

- উৱেফা নেছনছ লীগত স্পেইনক হৰুৱাই পৰ্তুগালে চেম্পিয়নৰ খিতাপ দখল কৰে।

১০ **জুন** : বিশ্ব অৰ্থনীতিত জনমূৰি আয়ৰ ক্ষেত্ৰত ভাৰতৰ স্থান ১৪৩ (গড় আয় বছৰি ২.৪৪ লাখ) বুলি তথ্য প্ৰকাশ।

১২ **জুন** : অসবৰ্ণ বিবাহত ৰাজ্যই আপত্তি কৰিব নোৱাৰে বুলি উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰে।

১৪ **জুন** : মিউনিখত অনুষ্ঠিত বিশ্বকাপ শ্যুটিং প্ৰতিযোগিতাত ভাৰতৰ সুৰুচি সিঙে ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত স্বৰ্ণ পদক লাভ কৰে।

১৫ **জুন** : বিজেপিৰ কনাড পুৰকায়স্থ আৰু অসম গণ পৰিষদৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য বিনাপ্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত হয়।

১৬ **জুন** : ১৬ সংখ্যক লোকপিয়ল ২০২৭ চনত সম্পাদন কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰে জাননী জাৰি কৰে।

- বাংলাদেশ চৰকাৰে 'মজিবুৰ ৰহমান'ক দিয়া 'জাতিৰ পিতা' উপাধি প্ৰত্যাহাৰ কৰে।

১৮ **জুন** : পাকিস্তানৰ মুখ্য সেনাধ্যক্ষ আছিম মুনৰক আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে হোৱাইট হাউছলৈ দুপৰীয়াৰ আহাৰৰ বাবে অতিথি হিচাপে আমন্ত্ৰণ কৰি খলকনিৰ সৃষ্টি কৰে।

১৯ **জুন** : দেশৰ শৈক্ষিক সূচকত চণ্ডীগড়ে শীৰ্ষস্থান লাভ কৰাৰ বিপৰীতে অসমে দ্বিতীয় সৰ্বনিম্ন স্থান লাভ কৰে।

২০ **জুন** : পেৰিছত অনুষ্ঠিত ডাইমণ্ড লীগত জেভেলিন থ্ৰ'ৱাৰ নীৰজ চোপ্ৰাই স্বৰ্ণ পদক লাভ কৰে। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

# ইৰান-ইজৰাইল সংঘাত

## আতংকৰ মাজতে আকস্মিক যুদ্ধবিৰতি

■ প্ৰণীতা দেৱী



ইজৰাইল আৰু ইৰানৰ মাজৰ প্ৰায় দুই দশকজোৰা তিক্ততাপূৰ্ণ সম্পৰ্ক আৰু শত্ৰুতাৰ বিধ্বংসী ৰূপৰ সাক্ষী হৈ ৰ'ল সমগ্ৰ বিশ্ব। উভয় দেশৰ মাজৰ আক্ৰমণ-প্ৰত্যাক্ৰমণে কেৱল মধ্যপ্ৰাচ্যত অস্থিৰতা সৃষ্টি কৰাই নহয়, বৰঞ্চ সমগ্ৰ বিশ্বকে আতংকিত কৰি তুলিছিল। উচ্চ প্ৰযুক্তিসম্পন্ন অত্যাধুনিক ক্ষেপণাস্ত্ৰৰ ব্যৱহাৰ, চাইবাৰ আক্ৰমণ, সামৰিক অভিযানৰ প্ৰেক্ষাপটত একবিংশ শতিকাত বিশ্ববাসী অন্য এখন মহাযুদ্ধৰ সাক্ষী হ'বলৈ ওলাইছে বুলিও সৰ্বত্ৰ চৰ্চা হৈছিল। বিশেষকৈ ইৰানৰ পাৰমাণৱিক ঘাটিত আমেৰিকাৰ আক্ৰমণে এই আশংকা অধিক ঘনীভূত কৰি তুলিছিল। কিন্তু তাৰ দুদিন পাছতেই উভয় দেশে অস্ত্ৰবিৰতিৰ বাবে মান্তি হোৱাত বিশ্বই যেন সাময়িকভাৱে হ'লেও স্বস্তিৰ নিশ্বাস পেলালে।

যোৱা ১৩ জুনত ইজৰাইলে ইৰানৰ সামৰিক ঘাটিকে ধৰি বহুকেইটা স্থানত আক্ৰমণ কৰে। দেশখনে এই অভিযানৰ নাম দিয়ে অপাৰেছন ৰাইজিং লায়ন (Operation Rising Lion)। ইৰানৰ পাৰমাণৱিক পৰীক্ষা বিশ্বৰ বিভিন্ন দেশৰ লগতে ইজৰাইল আৰু আমেৰিকাৰ বাবে উদ্বেগৰ বিষয় হৈ পৰিছিল। ইজৰাইলৰ চোৰাংচোৱাই দিয়া তথ্য অনুসৰি ইৰান অতি কম দিনৰ ভিতৰতে পাৰমাণৱিক অস্ত্ৰ বিকশাই তোলাৰ পথত অগ্ৰসৰ হৈছে, যিটো ইজৰাইলৰ অস্তিত্বৰ প্ৰতি ভাবুকিস্বৰূপ। ইজৰাইলে অভিযান চলাই ইৰানৰ পাৰমাণৱিক ঘাটিৰ লগতে সামৰিক ভৱনসমূহ আক্ৰমণ কৰে। ইয়াৰ লগতে ইৰানৰ আকাশী প্ৰতিৰক্ষা ব্যৱস্থা নিষ্ক্ৰিয় কৰি তোলে। এই আক্ৰমণত ইৰানৰ কেবাগৰাকীও শীৰ্ষ সেনা বিষয়া আৰু পৰমাণু বিজ্ঞানী নিহত হয়। আমেৰিকাই ইৰানৰ সৈতে অসামৰিক পাৰমাণৱিক চুক্তি সম্পাদন কৰিব খোজাৰ সময়তে এই আক্ৰমণ সংঘটিত হোৱা কথাটোত সন্দেহ প্ৰকাশ কৰি ইৰানৰ শীৰ্ষ নেতা আয়াতোল্লা আলি খামেনেই এই কাৰ্য্যৰ বাবে ইজৰাইলে মূল্য ভৰিব লাগিব বুলি সকীয়াই দিয়ে। ইৰানে ইজৰাইলৰ বিৰুদ্ধে অপাৰেছন ট্ৰু প্ৰমিজ-৩ (Operation True Promise-3) আৰম্ভ কৰে। ইৰানে চলোৱা আক্ৰমণত এখন চিকিৎসালয়কে ধৰি তেল আভিভৰ বিভিন্ন অসামৰিক স্থান ক্ষতিগ্ৰস্ত হোৱা বুলি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। এই আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ঘটনাত উভয় দেশেই ক্ষতিগ্ৰস্ত হয়।

আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত সম্প্ৰতি শত্ৰু দেশৰূপে পৰিগণিত ইজৰাইল আৰু ইৰানৰ মাজত এসময়ত গোপন সহযোগিতা আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্কই বিৰাজ কৰিছিল। ১৯৪৮ চনত ইজৰাইলে মধ্যপ্ৰাচ্যত এখন স্বতন্ত্ৰ দেশ হিচাপে আত্মপ্ৰকাশ কৰিছিল। সেই সময়ত বেছিভাগ ইছলামিক দেশেই পেলেষ্টাইনক বিভাজন কৰি ইজৰাইল গঠনৰ বিৰোধিতা কৰাৰ লগতে ইজৰাইলক স্বীকৃতি দিবলৈ অস্বীকাৰ কৰিছিল। ইৰানেও ৰাষ্ট্ৰসংঘত ইজৰাইল গঠনৰ বিপক্ষে ভোট দিছিল। কিন্তু পৰবৰ্তী সময়ত দুয়োখন দেশৰ মাজত সুসম্পৰ্ক গঢ়ি উঠিছিল। দীৰ্ঘদিনীয়া সাম্ৰাজ্যবাদী ইতিহাস আৰু আৰব ৰাষ্ট্ৰসমূহৰ সৈতে অস্বস্তিকৰ সম্পৰ্ক থকা ছিয়া বসতিপ্ৰধান দেশ ইৰানে ইজৰাইলক স্বীকৃতি দিয়ে। ইৰানৰ শ্বাহ মহম্মদ

ৰেজা পাহলৱীৰ শাসনকালত দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তী সময়ত শীতল যুদ্ধৰ কালছোৱাত দেশখন আমেৰিকাৰ মিত্ৰ দেশৰূপে পৰিগণিত হৈছিল। ইজৰাইলেও সেয়ে ইৰানক বিশ্বস্ত বন্ধুৰূপে গ্ৰহণ কৰিছিল। ১৯৫০-১৯৬০ চনৰ সময়ছোৱাত ইজৰাইলে তুৰস্ক আৰু ইথিঅ'পিয়াৰ লগতে ইৰানৰ সৈতে মিত্ৰতা গঢ়ি তুলিছিল। ১৯৫৮ চনত ইৰান, তুৰস্ক আৰু ইজৰাইলে 'ট্ৰাইডেণ্ট' (Trident) নামৰ চুক্তিৰ জৰিয়তে চোৰাংচোৱা তথ্য বিনিময়, অৰ্থনৈতিক সহযোগিতা আৰু অস্ত্ৰ-শস্ত্ৰৰ বাণিজ্যকে ধৰি বিভিন্ন ক্ষেত্ৰত সম্পৰ্ক গঢ়ি তুলিছিল। ইজৰাইলৰ চোৰাংচোৱা সংস্থা মোছাদ (Mossad) আৰু ইৰানৰ চোৰাংচোৱা সংস্থা ছাবাকে (SAVAK) পৰস্পৰক ঘনিষ্ঠভাৱে সহযোগ কৰিছিল। ইৰানে ইজৰাইলক খাৰুৱা তেলৰ যোগান ধৰাৰ বিপৰীতে ইজৰাইলে ইৰানক উন্নত মানৰ কৃষি আৰু প্ৰযুক্তিগত সহায় আগ বঢ়াইছিল।

ইজৰাইলৰ সৈতে এনে সম্পৰ্কৰ সমান্তৰালকৈ ইৰানত আমেৰিকা আৰু পশ্চিমীয়া দেশসমূহৰ প্ৰভাৱ বৃদ্ধি পাইছিল। আনহাতে ইৰানৰ মুছলমান জনসাধাৰণ পেলেষ্টাইনৰ লোকসকলৰ প্ৰতি সহানুভূতিশীল আছিল। দেশখনৰ সমাজ সংস্কাৰক, ধৰ্মগুৰু মাহমোদ টেলেগানিয়ে (Mahmoud Taleghani) পেলেষ্টাইনৰ শৰণাৰ্থীসকলৰ দুখ-দুৰ্দশা দেখি ইৰানে ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি দাবী উত্থাপন কৰিছিল। তেওঁ লগতে ইজৰাইলৰ সৈতে ইৰানৰ কূটনৈতিক সম্পৰ্ককো সমালোচনা কৰিছিল। দেশখনৰ জনসাধাৰণৰ পৰা ধন সংগ্ৰহ কৰি জাকাত হিচাপে পেলেষ্টাইনলৈ প্ৰেৰণ কৰা হৈছিল। ইৰানৰ চৰকাৰে পৰৱৰ্তী সময়ত এনে ধৰণে ধন সংগ্ৰহত বাধা আৰোপ কৰিছিল।

১৯৭৯ চনত ইৰানত হোৱা ইছলামিক বিদ্ৰোহৰ (Islamic Revolution) পাছত দেশখন ইছলামিক প্ৰজাতন্ত্ৰত পৰিণত হয়। ইয়াৰ পাছতেই ইৰান-ইজৰাইলৰ দ্বিপাক্ষিক সম্পৰ্কতো যতি পৰে। তেহৰাণত থকা ইজৰাইলৰ দূতাবাস বন্ধ কৰি দিয়া হয়। আয়াতোল্লা ৰূহল্লা খ'মেইনিৰ (Ayatollah Ruhollah Khomeini) নিৰ্দেশত গঠন হোৱা ইৰানৰ বৈদেশিক নীতিতো ব্যাপক সালসলনি হয়। দেশখনে ইজৰাইলক কেৱল ৰাজনৈতিক বিৰোধী হিচাপেই নহয়, বৰঞ্চ অবৈধ ৰাষ্ট্ৰ হিচাপে গণ্য কৰিবলৈ ল'লে। শোষিত মুছলমান বিশেষকৈ পেলেষ্টাইনীসকলৰ প্ৰতি সমৰ্থন আগ বঢ়োৱাৰ লগতে ইৰানে ইজৰাইলৰ বিৰোধিতাৰে লেবাননত হিজবুল্লা আৰু পেলেষ্টাইনত হামাছৰ দৰে সন্ত্ৰাসবাদী সংগঠনক সহায় কৰিবলৈ ধৰিলে। আমোদজনকভাৱে এই শত্ৰুতাৰ পাছতো ১৯৮০ চনত আৰম্ভ হৈ ৮ বছৰ ধৰি চলা ইৰাক-ইৰান যুদ্ধৰ সময়ত গোপনে দ্বিপাক্ষিক সম্পৰ্ক বৰ্তাই ৰাখি ইজৰাইলে ইৰানক অস্ত্ৰৰ যোগান ধৰিছিল। খমেইনিৰ অধীনৰ ইৰানতকৈ ছাদ্দাম হুছেইনৰ ইৰাকক ইজৰাইলে বেছি বিপদজনক বুলি গণ্য কৰিছিল। পৰৱৰ্তী সময়ত ইৰানে পাৰমাণৱিক পৰীক্ষণ আৰম্ভ কৰাৰ পৰা দুয়োখন দেশ ঘোৰ শত্ৰুত পৰিণত হ'ল। এই পৰীক্ষাক ইজৰাইলে নিজৰ অস্তিত্বৰ প্ৰতি ভাবুকি হিচাপে গণ্য কৰাৰ লগতে ইৰানে পাৰমাণৱিক অস্ত্ৰ বিকশাই তুলি হামাছ, হিজবুল্লা আৰু হুটীৰ দৰে সন্ত্ৰাসবাদী সংগঠনক যোগান ধৰিব বুলি ইজৰাইলে আশংকা প্ৰকাশ কৰি আহিছে।

আন্তঃৰাষ্ট্ৰীয় আণৱিক শক্তি সংস্থাই (International Atomic Energy Agency) ইৰানৰ হাতত যথেষ্ট পৰিমাণৰ উন্নতমানৰ ইউৰেনিয়াম থকাৰ লগতে ইয়াৰ সংসাধনৰ জৰিয়তে পাৰমাণৱিক অস্ত্ৰ বিকশাই তুলিব পাৰিব বুলি নিশ্চিত কৰিছিল। এই পাৰমাণৱিক পৰীক্ষণ শান্তিপূৰ্ণ উদ্দেশ্যেৰে কৰা বুলি ইৰানে প্ৰকাশ কৰিছিল যদিও আন্তঃৰাষ্ট্ৰীয় আণৱিক শক্তি সংস্থাৰ নিৰীক্ষকক কেইটামান পাৰমাণৱিক ক্ষেত্ৰ পৰিদৰ্শনৰ বাবে দেশখনে অনুমতি নিদিয়া কাৰ্য্যই সন্দেহৰ সৃষ্টি কৰিছিল। ইৰান পাৰমাণৱিক নিৰস্ত্ৰীকৰণ চুক্তিত স্বাক্ষৰ কৰা দেশ যদিও এই চুক্তিৰ বাধ্যবাধকতাৰ ক্ষেত্ৰত ইৰানৰ স্থিতি সলনি হ'ব পাৰে বুলি পশ্চিমীয়া দেশসমূহে মত প্ৰকাশ কৰি আহিছে। সি যি নহওক, আমেৰিকাই ইৰানৰ সৈতে পাৰমাণৱিক পৰীক্ষা সম্পৰ্কে আলোচনা কৰিবলৈ লোৱাৰ সময়তে ইজৰাইলে এই আক্ৰমণ সংঘটিত কৰে। তাৰ পাছতেই ইৰানৰ পাৰমাণৱিক অস্ত্ৰৰ আকাংক্ষাক ৰোধ কৰাৰ বাবে আক্ৰমণৰ বিকল্প নাছিল বুলি ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে প্ৰকাশ

ইৰানৰ পাৰমাণৱিক ঘাটিত আমেৰিকাৰ আক্ৰমণৰ প্ৰত্যুত্তৰত দেশখনে কাটাৰত থকা আমেৰিকাৰ বায়ুসেনাৰ ঘাটিত আক্ৰমণ চলায়। এই আক্ৰমণত ইৰানে আমেৰিকাৰ ঘাটি ধ্বংস কৰা বুলি দাবী কৰিলেও এই আক্ৰমণ সফলতাৰে প্ৰতিহত কৰা বুলি আমেৰিকাই প্ৰকাশ কৰে। এই ঘটনাক্ৰমৰ মাজতেই আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে উভয় পক্ষৰ মাজত যুদ্ধ বিৰতিৰ কথা ঘোষণা কৰে। এই ঘোষণাৰ পাছত উভয় পক্ষই যুদ্ধ বিৰতি উলংঘা কৰা বুলি সংবাদ মাধ্যমত প্ৰকাশ পাইছে।

ইৰান-ইজৰাইলৰ মাজত ১২ দিন ধৰি চলা যুদ্ধ আমেৰিকাৰ অংশগ্ৰহণৰ দুদিন পাছতেই সমাপ্ত হ'ল। এই যুদ্ধত ইজৰাইলৰ ক্ষয়-ক্ষতিৰ পৰিমাণ কম বুলি চৰ্চা হৈছে যদিও ইৰানো এই যুদ্ধত পৰাজিত হোৱা বুলি পোনচাটেই ধাৰণা কৰাটো যুগুত নহ'ব। ইৰানৰ পাৰমাণৱিক প্ৰকল্পৰ বিস্তৰ ক্ষতি হ'ল আৰু এই ক্ষেত্ৰত দেশখন কিছু বছৰলৈ পিছুৱাই গ'ল যদিও দেশখনৰ সেই সম্পৰ্কীয় জ্ঞান আৰু কৌশল একেবাৰে ধ্বংস হৈ যোৱা বুলিও ক'ব নোৱাৰি। ইৰানে ভৱিষ্যতে অধিক গোপনীয়তাৰে পাৰমাণৱিক কাৰ্য্যসূচী চলাই নিয়াৰ সম্ভাৱনা আছে। যদি এনে হয় ইজৰাইলো নীৰৱে বহি থকাৰ সম্ভাৱনা নাই। সেয়ে এই অস্ত্ৰবিৰতিক বিশেষজ্ঞসকলে সাময়িক বিৰতি বুলিহে অভিহিত কৰিছে। আমেৰিকাৰ অংশগ্ৰহণে ইৰান-ইজৰাইলৰ যুদ্ধক তৃতীয় বিশ্বযুদ্ধত পৰিণত কৰিব বুলি বিশ্ববাসী শংকিত হৈ থকাৰ সময়তে যুদ্ধবিৰতি ঘোষণা হ'ল যদিও সংঘাতৰ অৱসান ঘটা বুলি ক'ব নোৱাৰি। ছায়া যুদ্ধ (proxy war), চাইবাৰ আক্ৰমণ আদিৰ মাধ্যমত মধ্যপ্ৰাচ্যত হয়তো অদূৰ ভৱিষ্যতেও অশান্তি, অস্থিৰতা আৰু অনিশ্চতাই বিৰাজ কৰিব পাৰে। ❖

কৰে। এই আক্ৰমণৰ পাছত বিশ্বৰ বহু ৰাষ্ট্ৰই ইজৰাইলৰ আত্মৰক্ষাৰ অধিকাৰ আছে বুলি মন্তব্য কৰাৰ বিপৰীতে আন একাংশ ৰাষ্ট্ৰই এই কাৰ্য্যক গৰিহণা দিয়ে। ইপিনে আমেৰিকাই তেওঁলোকৰ সহায় নোলোৱাকৈ ইজৰাইলে নিজাকৈ ইৰান আক্ৰমণ কৰা বুলি মন্তব্য কৰে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে যোৱা ২০ জুনত ইজৰাইল-ইৰানৰ মাজত যুদ্ধত অংশগ্ৰহণৰ সম্পৰ্কত ২ সপ্তাহৰ ভিতৰত সিদ্ধান্ত লোৱা হ'ব বুলি ঘোষণা কৰে। কিন্তু তাৰ দুদিন পাছতেই ২২ জুনত আমেৰিকাই ইৰানৰ ফৰদৌ (Fordow), নাটাঞ্জ (Natanz) আৰু ইছফাহানৰ (Esfahan) তিনিটা পাৰমাণৱিক ঘাটিত আক্ৰমণ কৰি ক্ষতিসাধন কৰে। এই আক্ৰমণ সফল হোৱা বুলি সামাজিক মাধ্যমযোগে ঘোষণা কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে 'এতিয়া শান্তিৰ সময়' বুলিও উল্লেখ কৰে। ইজৰাইলে এই আক্ৰমণক আদৰণি জনায় আৰু ই ইতিহাস সলনি কৰিব বুলি উল্লেখ কৰে। আনহাতে ইৰানে এই আক্ৰমণৰ জৰিয়তে আমেৰিকাই আন্তঃৰাষ্ট্ৰীয় আইন আৰু ৰাষ্ট্ৰসংঘৰ চনদ উলংঘা কৰা বুলি সমালোচনা কৰে। এই ঘটনাৰ পাছত বৃটেইন, ইউৰোপীয় সংঘৰ লগতে আন বহু দেশে ইৰান পাৰমাণৱিক শক্তিসম্পন্ন দেশ হোৱাটো উচিত নহয় বুলি মন্তব্য কৰে। ভাৰতে আলাপ-আলোচনাৰ মাধ্যমেৰে বিষয়টো সমাধানৰ পোষকতা কৰে। চৌদি আৰৱ, ইৰাক, কাটাৰ, ওমান আদি দেশে শান্তিৰক্ষাৰ বাবে আহ্বান জনোৱাৰ বিপৰীতে চীন, ৰাছিয়াকে ধৰি কোনো কোনো দেশে আমেৰিকাৰ কাৰ্য্যক গৰিহণা দিয়ে।

## কুইজৰ উত্তৰসমূহ

১। জ্ঞানপীঠ বঁটা। কবিগৰাকী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ২। ভাৰতীয় টেষ্ট দলৰ অধিনায়ক হিচাপে অভিষেক টেষ্টত শতক অৰ্জন কৰা ভাৰতীয় এই পাঁচগৰাকী ৩। কুঁচিয়ানামা ৪। সন্তৰ ৫। আনন্দৰাম ঢেকিয়াল ফুকন ৬। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফী ৭। অম্বিকাগিৰী ৰায়চৌধুৰী ৮। ব্লেকবক্স ৯। কনকলাল বৰুৱা ১০। হাজং ১১। ফিনলেণ্ড ১২। ৰাটাৰমেন অৱ ইণ্ডিয়া ১৩। ডিমাচা ১৪। প'ল ভ'ল্ট ১৫। আগাথা ক্ৰিষ্টি। (ৰহস্য সাহিত্যৰ সম্ৰাজ্ঞী বুলি পৰিচিত)। ❖

# অপৰাজেয়




জীৱনৰ বাটত আমি সৰু-বৰ অনেক সমস্যাৰ মুখামুখি হওঁ। এই সমস্যাবোৰে আমাক বহু সময়ত ভাৰাক্ৰান্ত কৰে, হতাশাত ভোগায়। কেতিয়াবা আমাৰ কৰ্মোদ্যম হেৰাই যায় আৰু আমি নিজৰ লক্ষ্য-উদ্দেশ্যৰ পৰা আঁতৰি আহোঁ। প্ৰকৃততে এনে কৰাটো অনুচিত। নিজৰ শক্তি, সামৰ্থ্য অনুধাৱন কৰি শেষ পৰ্য্যায়লৈকে যুঁজি যোৱাজনহে আদৰণীয়। যি যুঁজি যায়—প্ৰয়াস অব্যাহত ৰাখে তেওঁহে অপৰাজেয় হৈ ৰয়। ‘অপৰাজেয়’ হৈ ৰোৱা এজন কিশোৰৰ প্ৰেৰণাদায়ক কাহিনী আছে কিৰণ তামুলীয়ে ৰচনা কৰা ‘অপৰাজেয়’ নামৰ কিতাপখনত।

ৰাণা নামৰ এটি ল’ৰা। ক্ৰিকেট বৰ ভালদৰে খেলিব পাৰে বাবে স্কুলত তাৰ নাম টেণ্ডুলকাৰ। এই টেণ্ডুলকাৰে নিজৰ অভিনৱ ক্ৰিকেটশৈলীৰে বিদ্যালয়ৰ সকলোকে অভিভূত কৰিছিল। এই টেণ্ডুলকাৰেই এবছৰ দিন ধৰি বিদ্যালয়লৈ আহিব পৰা নাই। কাৰণটো হৃদয়বিদাৰক। পলিঅ’ ৰোগত আক্ৰান্ত হোৱাৰ বাবে তজবজীয়া ৰাণাৰ ভৰি এখন নিশকতীয়া হৈ পৰিল। সি আগৰ দৰে চলা-ফুৰা কৰিব নোৱাৰে। খোজ কাঢ়িবৰ বাবে পেং ল’বলগীয়াও হ’ল। এবছৰৰ পাছত বিদ্যালয়লৈ গৈ ৰাণাৰ ভালো লাগিল, দুখো লাগিল। সহপাঠীসকলৰ কৌতূহল ভৰা, পুতৌমিহলি দৃষ্টি দেখি অলপ বিব্ৰতবোধ কৰিলে। ভাল খেলুৱৈ হিচাপে স্কুলত নাম থকা ৰাণাই ভৱিষ্যতে আৰু ক্ৰিকেট খেলিব নোৱাৰিব বুলি জানি, অনুভৱ কৰি বিষণ্ণ হৈ পৰিল। ৰাণাৰ মনত ক্ৰিকেট খেলাৰ সপোনটো পুনৰ জাগ্ৰত কৰিলে বিদ্যালয়খনলৈ নতুনকৈ অহা ৰাজু নামৰ ল’ৰাটোৱে। ইফালে বিদ্যালয়ৰ কেইজনমান কম বয়সীয়া শিক্ষাৰ্থীৰ আগ্ৰহৰ বাবে ৰাণাই পেং লোৱা অৱস্থাৰেই ক্ৰিকেট খেলিবলগীয়া হ’ল। সৰু ল’ৰাবোৰক ক্ৰিকেট খেলাৰ বিভিন্ন কৌশল শিকাবলগীয়াও হ’ল। সহপাঠী কিছুমানে ৰাণাক ‘ৰাণা লেঙেৰা’ বুলি জোকোৱাৰ বাবে কিছুদিনলৈ ৰাণা হতাশগ্ৰস্ত হৈ পৰিল যদিও বন্ধু ৰাজুৰ সান্নিধ্যই তাৰ মনোবল ঘূৰাই আনিলে। ৰাজুৰ দেউতাকৰো এখন ভৰি নাছিল। সেনাবাহিনীত কাম কৰা ৰাজুৰ দেউতাকৰ কাৰ্গিল যুদ্ধৰ সময়তে এখন ভৰি নোহোৱা হৈছিল। নকল ভৰি লৈয়ে চলা-ফিৰা কৰা, নিজকে

'কপিলদেৱ' বুলি কৈ ক্ৰিকেট খেলা ৰাজুৰ দেউতাকৰ উৎসাহভৰা কথাই ৰাণাৰ মনোবল বঢ়াই তুলিলে।

শাৰীৰিক বাধা সত্ত্বেও ক্ৰিকেটৰ অনুশীলন অব্যাহত ৰখা ৰাণালৈ এদিন এটি ভাল সুযোগ আহিল। গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত বিশেষভাৱে সক্ষমসকলৰ বাবে আয়োজন কৰা ক্ৰীড়া মহোৎসৱত অসমৰ ক্ৰিকেট দলৰ হৈ ৰাণাই খেলাৰ সুযোগ পালে। গুৱাহাটীত অনুশীলন কৰিবলৈ আহোঁতে ৰাণাই লগ পালে ময়ূৰ নামৰ অন্ধ ল'ৰাজনক। ময়ূৰৰ ইতিবাচক চিন্তা আৰু মনোবল দেখি ৰাণাই দুগুণ উৎসাহ অনুভৱ কৰিলে। তিনিদিনৰ অনুশীলনৰ পাছত ৰাণাহঁতৰ খেল আৰম্ভ হ'ল। অসম-বংগ দলৰ মাজৰ ফাইনেল খেলখনত ৰাণাক অসম দলৰ কেপ্টেইন নিৰ্বাচন কৰা হ'ল। সেইখন খেল উদ্বোধন কৰিবলৈ আহিছিল স্বয়ং শচীন টেণ্ডুলকাৰ। খেলত ৰাণাই খুব সুন্দৰ প্ৰদৰ্শন কৰিলে। বংগ দলক জিকিবলৈ ১টা বলত ১ ৰাণ লগা অৱস্থাত ৰাণাই অপৰিসীম শক্তি প্ৰদৰ্শন কৰি বংগ দলৰ খেলুৱৈক কেচ আউট কৰি অসমক বিজয়ৰ সোৱাদ দিলে। পাছদিনা গুৱাহাটীৰ সকলোতে জিলিকি উঠিল এখন ৰঙীন পোষ্টাৰ। ৰাণাই কেচ ধৰাৰ সেই বিশেষ মুহূৰ্তৰ দৃশ্যটোৰ। ৰাণাৰ পেংডাল হাতৰ পৰা এৰাই গৈছে, বলটো ধৰিবলৈ হাতখন ওপৰলৈ মেলি পিছলৈ গৈ থকাৰ দৃশ্য। পোষ্টাৰখনৰ তলত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছিল 'অপৰাজেয়'।

নেশ্যনেল বুক ট্ৰাষ্টে প্ৰকাশ কৰা ৬০টকা মূল্যৰ এই কিতাপখন পঢ়ি তোমালোকে নিশ্চয় ভাল পাবা। ❖

## অসমীয়া ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন ইত্যাদি

# উমৈহতীয়া শ বাহী শ হয়

হিন্দু ৰীতি মতে শ (শৱ) অৰ্থাৎ মৃতদেহ বাহী হ'ব নাপায়। সেইবাবে সম্ভৱস্থলত একেদিনাই কাঠ-সংস্কাৰ কৰা হয়। কিন্তু কেতিয়াবা ইয়াৰ ব্যতিক্ৰম হয়। মৃত লোকজনৰ আত্মীয়-কুটুম্ব, বংশ-পৰিয়াল যদি বেছি হয়, তেতিয়া তেওঁলোকলৈ ৰৈ থাকোঁতে সময়মতে কাঠ সংস্কাৰ কৰা নহয়গৈ। এই যোজনাফাকিৰ অৰ্থ এয়াই যে উমৈহতীয়া কামবোৰ অৰ্থাৎ কৰিবলৈ বহুত মানুহ থকা কামবোৰ এজনে আনজনে কৰিব বুলি বাগি ধৰোঁতে সময়মতে আৰু পৰিপাটিকৈ কৰা হৈ নুঠে। উমৈহতীয়া কামবোৰ প্ৰায়ে লেহেমীয়া হয়। এজনে আনজনে কৰিব বুলি ৰৈ থাকোঁতে কোনেও দায়িত্বসহকাৰে কামটো নকৰে, যাৰ ফলত সময়মতে আৰু সুকলমে কামটো সমাধা নহয়।

**প্ৰায়োগিক বাক্য :** এই সৰু কামটো দুই-তিনিজন মানুহেই কৰিব পাৰিব, বেছি মানুহ ল'লে অসুবিধা হ'ব, উমৈহতীয়া শ বাহী শ হ'বগৈ। ❖

*চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

# মিছাইল কি?



মিছাইলৰ নাম আমি বৰ্তমান সময়ত সঘনাই শুনি থাকোঁ। এই মিছাইলনো কি আৰু মিছাইল কিয় ব্যৱহাৰ কৰা হয় জানানে?

ধৰা হ'ল যুদ্ধৰ সময়ত কোনো ঠাইত বোমা পেলাবলৈ শত্ৰুপক্ষৰ বোমাৰু বিমান এখন আহি আছে। এই বোমাৰু বিমানখনক মাটিৰ পৰাই ধ্বংস কৰিব পাৰি। তাৰ বাবে মাটিৰ পৰা অস্ত্ৰ পঠিয়াব লাগিব। সাধাৰণতে মাটিৰ পৰা ৰকেটৰ সহায়ত অস্ত্ৰবিধ ওপৰলৈ পঠিয়াই উপযুক্ত দিশত আৰু বেগত তাক এৰি দিয়া হয়, অৰ্থাৎ মাৰি পঠিওৱা বা প্ৰক্ষেপ কৰা হয়। এনেদৰে প্ৰক্ষেপ কৰা অস্ত্ৰবিধক মিছাইল (missile) বোলা হয়। একেবিধ অস্ত্ৰকে কিন্তু 'মাৰি নপঠিয়ালে' মিছাইল বোলা নহয়।

প্ৰক্ষেপ কৰাৰ পাছত যদি মিছাইলবোৰৰ ওপৰত কোনো ধৰণৰ নিয়ন্ত্ৰণ ৰখা নহয়, তেনে মিছাইলক অনিৰ্দেশচালিত (unguided) মিছাইল বোলা হয়। ইলেকট্ৰনিকছ আৰু যন্ত্ৰ-বিদ্যাৰ উন্নতিৰ ফলত আজিকালি মিছাইলবোৰ নিৰ্দেশচালিত (guided) কৰিব পৰা গৈছে। উপযুক্ত যন্ত্ৰপাতিৰ সহায়ত মাটিৰ পৰাই বা আকাশৰ পৰাও মিছাইলবোৰক এনেদৰে নিৰ্দেশ দিব পাৰি যে ই সকলো মুহূৰ্ততে য'লৈ পঠিওৱা হৈছে তালৈকে গৈ থাকিব।

মিছাইলবোৰ মাটিৰ কোনো ঠাইৰ পৰা মাটিত থকা কোনো লক্ষ্যলৈ পঠিয়াব পাৰি। মাটিৰ পৰা আকাশত থকা লক্ষ্যবস্তুলৈ পঠিয়াব পাৰি, নতুবা আকাশৰ পৰা মাটিলৈও পঠিয়াব পাৰি।

কিছুমান মিছাইলৰ গাত ডেউকাজাতীয় অংশ থাকে। এনেবোৰ মিছাইলক ক্ৰুইজ (cruise) মিছাইল বোলে। আন এবিধ মিছাইল আছে, নাম বেলিষ্টিক (ballistic) মিছাইল। এইবোৰৰ গাত ডেউকা নাথাকে। এনে মিছাইল বহুত ওপৰলৈ তুলি নি নিৰ্দিষ্ট দিশত নিক্ষেপ কৰা হয় যাতে ই ওজন আৰু গতিৰ যুটীয়া প্ৰভাৱত কোনো লক্ষ্যত খুন্দা মাৰেগৈ। বহু দূৰলৈ পঠিওৱা বেলিষ্টিক মিছাইলৰ দিশ সালসলনিও কৰিব পাৰি।

*তথ্য উৎস : বিজ্ঞানৰ কি কিয় কেনেকৈ কোন আৰু কেতিয়া, শান্তনু কৌশিক বৰুৱা।*

# *চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা*

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## ফাষ্ট ফুডৰ আৰম্ভণি




ফাষ্ট ফুড (fast food) বুলি ক'লেই পিজ্জা, বাৰ্গাৰ, হটডগ, ছেণ্ডুইচ আদি বিভিন্ন খাদ্যৰ তালিকাখন আমাৰ মনলৈ আহে। আজিৰ নৱপ্ৰজন্মৰ মাজত বিশেষভাৱে জনপ্ৰিয় এই ফাষ্ট ফুডবোৰৰ বৈশিষ্ট্য হ'ল এনে খাদ্য খুব কম সময়তে তৈয়াৰ কৰিব পাৰি আৰু ক'ৰবালৈ গৈ থকা অৱস্থাতো খাব পাৰি। এই ফাষ্ট ফুডৰ ধাৰণা প্ৰথমে আৰম্ভ হৈছিল আমেৰিকাত। ব্যস্ত আমেৰিকান লোকসকলে সাধাৰণতে বিভিন্ন কামত মনোনিবেশ কৰিব লগা হোৱা বাবে আৰু মহিলাসকলো বেছিভাগেই চাকৰিজীৱী হোৱা বাবে ৰন্ধা-বঢ়াত বেছি সময় খৰচ কৰিব নোৱাৰে। এনে কাৰণতেই আমেৰিকাত বাহিৰত কম সময়তে খাব পৰা সোৱাদযুক্ত খাদ্যৰ চাহিদা বাঢ়ি যায় আৰু ফাষ্ট ফুডে জনপ্ৰিয়তা লাভ কৰিবলৈ ধৰিলে।

১৯০২ চনত ফ্ৰাংক হাৰ্ডাৰ্ট (Frank Hardart) আৰু জো হৰ্ন (Joe Horn) নামৰ দুজন লোকে আমেৰিকাত এখন ৰেষ্টুৰেণ্ট খুলিছিল। এই ৰেষ্টুৰেণ্টত গ্ৰাহকসকলক প্ৰথমতে পইচা দি তাৰ পাছত নিজে খাদ্য সংগ্ৰহ কৰিবলৈ কোৱা হৈছিল। সেই ৰেষ্টুৰেণ্টখনেই ফাষ্ট ফুডৰ আৰম্ভণি কৰিছিল। তাৰ পাছত ৰে ক্ৰক (Ray Kroc) নামৰ এজন ছেলছমেনে ফাষ্ট ফুডৰ এখন ৰেষ্টুৰেণ্ট 'মেক ডনাল্ড' (Mc Donald) আৰম্ভ কৰে। তাৰ পাছৰে পৰা সমগ্ৰ বিশ্বতে ফাষ্ট ফুড জনপ্ৰিয় হৈ উঠে। অৱশ্যে বৰ্তমান সময়ত কৰা বিভিন্ন পৰীক্ষা আৰু সমীক্ষাত প্ৰকাশ পাইছে যে ফাষ্ট ফুড স্বাস্থ্যৰ বাবে উপযোগী নহয়। ফাষ্ট ফুডত কেলৰিৰ পৰিমাণ বেছি থাকে বাবে এনে খাদ্য খালে মেদবহুলতাৰ সমস্যা বাঢ়ে। ❖

## শুৱলা ভাষা

| ভুল | শুদ্ধ | প্ৰায়োগিক বাক্য |
|---|---|---|
| বিদেহী | বিদেহ | তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। |
| নূন্যতম | ন্যূনতম | পৰীক্ষাটোত উত্তীৰ্ণ হ'বৰ বাবে ন্যূনতম ৪০ নম্বৰ পাব লাগিব। |
| যাতায়ত | যাতায়াত | পুৰণি কালত যাতায়াত ব্যৱস্থা উন্নত নাছিল। |
| ওতঃপ্ৰোত | ওতপ্ৰোত | গাঁৱৰ ভাওনাখনৰ সৈতে দেউতাহঁত ওতপ্ৰোতভাৱে জড়িত হৈ আছে। ❖ |

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

### শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

| অসমীয়া | ইংৰাজী |
|---|---|
| অনুসূচী, সময়সূচী | schedule |
| অনুসূচিত জাতি | scheduled caste |
| অনুসূচিত জনজাতি | scheduled tribe |
| পণ্ডিত, বিজ্ঞ লোক | scholar |
| জলপানি, ছাত্ৰ বৃত্তি | scholarship |
| তিৰবিৰাই থকা | scintillate, twinkle |
| কেঁচী | scissors |
| গালি পৰা | scold |
| অৱজ্ঞাপূৰ্ণ, ঘৃণাপূৰ্ণ | scornful |
| বৃশ্চিক ৰাশি | scorpio |
| দুশ্চৰিত্ৰৰ লোক | scoundrel |
| চিঞৰা, চিৎকাৰ কৰা | scream |
| পৰ্দা | screen |
| চিত্ৰনাট্য | screenplay |

| অসমীয়া | ইংৰাজী |
|---|---|
| হস্তলিপি | script |
| ন্যায়পৰায়ণ, বিবেকবান | scrupulous |
| সূক্ষ্ম পৰ্য্যবেক্ষণ | scrutiny |
| মোহৰ | seal |
| ভাস্কৰ, খনিকৰ | sculptor |
| ভাস্কৰ্য্য | sculpture |
| নাৱিক | sailor |
| সন্ধান কৰা, অন্বেষণ | search |
| মাধ্যমিক শিক্ষা | secondary education |
| গুপ্ত, গোপন | secret |
| চোৰাংচোৱা, গুপ্তচৰ | secret agent |
| সচিব | secretary |
| সচিবালয় | secretariat |
| মুখ্য সচিব | chief secretary |
| ধৰ্মনিৰপেক্ষ | secular |
| নিৰাপদ | secure ❖ |

# ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ শাস্ত্ৰীয় নৃত্য



**ওডিছী নৃত্য :** ওডিছী নৃত্য ভাৰতবৰ্ষৰ প্ৰাচীন শাস্ত্ৰীয় নৃত্যকলাসমূহৰ ভিতৰত অন্যতম। এইবিধ নৃত্যৰ উৎপত্তিস্থল হৈছে ওড়িশা। ওডিছী নৃত্যত লয় আৰু তালৰ অপূৰ্ব সমাহাৰ ঘটা দেখা যায়। প্ৰাচীন কালত এইবিধ নৃত্য মূলতঃ মন্দিৰৰ দেৱদাসীসকলে পৰিবেশন কৰিছিল। পাছলৈ এইবিধ নৃত্যই ৰাজসভাতো স্থান লাভ কৰে। ওডিছী নৃত্যত মুঠ ১০৮ বিধ নৃত্য শৈলী পোৱা যায়। ওড়িশাৰ ভুৱনেশ্বৰ, কোনাৰ্ক আৰু পুৰীৰ মন্দিৰৰ বেৰত এইবিধ নৃত্যৰ বহু ভংগিমা খোদিত কৰা আছে। ভৰত নাট্যম আৰু কুচিপুড়ি নৃত্যৰ লগত ওডিছী নৃত্যৰ মূল ভংগিমাৰ যথেষ্ট সাদৃশ্য দেখা পোৱা যায়। পৰম্পৰাগত ওডিছী নৃত্যত দুটা প্ৰধান শৈলী আছে, প্ৰথমটো শৈলী কেৱল মহিলাই আধ্যাত্মিক মন্দিৰ নৃত্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি পৰিবেশন কৰে আৰু দ্বিতীয়টো শৈলীত ল'ৰাই ছোৱালীৰ দৰে সাজ-পোছাক পিন্ধে। তদুপৰি মন্দিৰৰ উৎসৱমুখৰ অনুষ্ঠানৰ লগতে সাধাৰণ লোকৰ মনোৰঞ্জনৰ বাবেও এইবিধ নৃত্য পৰিবেশন কৰা দেখা যায়। বৰ্তমান ভাৰতীয় শিল্পীসকলে আধুনিক ওডিছী নৃত্যত পৰীক্ষামূলক ধাৰণা, বিষয়বস্তু আৰু নাটকৰ বৈচিত্ৰ্যপূৰ্ণ সংযোজন কৰিছে। উল্লেখযোগ্য যে, ১৯৯১ চনত মাইকেল জেকচনৰ জনপ্ৰিয় একক গীত 'ব্লেক অৰ হোৱাইট'ত (black or white) পৰম্পৰাগত ওডিছী নৃত্য অন্তৰ্ভুক্ত কৰা হৈছিল। এইবিধ নৃত্যত প্ৰাচীন ওড়িশাত প্ৰচলিত বৌদ্ধ আৰু শৈৱ পৰম্পৰা বা নৃত্যৰ প্ৰভাৱ পৰিলক্ষিত হয়। ওডিছীয়ে আংগিক, বাচিক, আহাৰ্য্য আৰু সাত্বিক—এই চাৰি প্ৰকাৰৰ অভিনয় অনুসৰণ কৰে। ওডিছী নৃত্য পৰিবেশন কৰাৰ সময়ত পাটৰ শাৰী, ব্লাউজ, নাগপাশ, মাথামণি, কিংকিনী, কৰকংকন আদি পৰিধান কৰা হয়। আনুষংগিক বাদ্য হিচাপে থাকে বাঁহী, তানপুৰা, ব্ৰহ্মবীণা, মৃদংগ, ঘণ্টিতাল ইত্যাদি। ওডিছী নৃত্যৰ আবৃত্তি ওড়িয়া আৰু সংস্কৃত ভাষাত পৰিবেশন কৰা হয় আৰু ওডিছী সংগীত পৰম্পৰাৰ ৰাগ আৰু তালক কঠোৰভাৱে অনুসৰণ কৰা হয়। ভাৰতৰ কেইগৰাকীমান প্ৰসিদ্ধ ওডিছী নৃত্যশিল্পী হ'ল—ইন্দ্ৰাণী ৰহমান, কস্তুৰী পাটনায়ক, কেলুচৰণ মিশ্ৰ, সোণাল মানসিং, সংযুক্ত পাণিগ্ৰাহী আদি। এইসকল প্ৰসিদ্ধ শিল্পীৰ প্ৰচেষ্টাত ওড়িশাৰ অন্যতম শাস্ত্ৰীয় নৃত্য 'ওডিছী'য়ে সমগ্ৰ ভাৰতবৰ্ষতে অধিক জনপ্ৰিয় হৈ পৰে। ❖

# চিকিৎসক দিৱসৰ আঁৰৰ মানুহজন

■ সোণালী গগৈ



ড° বিধান চন্দ্ৰ ৰয় আছিল একাধাৰে এজন চিকিৎসক, ৰাজনীতিবিদ, শিক্ষাবিদ, সমাজ সংগঠক আৰু স্বাধীনতা যুঁজাৰু। ভাৰতবৰ্ষ যেতিয়া ঔপনিৱেশিকতাবাদীৰ হাতোৰাৰ কৰলত আছিল তেতিয়াই ড° বিধান চন্দ্ৰ ৰয়ে চিকিৎসাবিজ্ঞান বিষয়ত সুখ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। এইগৰাকী মহান ব্যক্তিৰ জীৱনৰ কৰ্মক্ষেত্ৰখন কেৱল চিকিৎসাবিজ্ঞানৰ মাজতে সীমাবদ্ধ নাছিল। ড° ৰয়ৰ চেষ্টাতে বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান, উদ্যোগ তথা নগৰে (যেনে, ছল্ট লেক, কল্যাণী আৰু দুৰ্গাপুৰ আদি) আধুনিকতাৰ পৰশ পাইছিল।

ড° বিধান চন্দ্ৰ ৰয়ৰ জন্ম হৈছিল ১৮৮২ চনৰ ১ জুলাই তাৰিখে। দেউতাক আছিল প্ৰকাশ চন্দ্ৰ ৰয় আৰু মাক আছিল আঘৰকামিনী দেৱী। চাকৰি সূত্ৰে দেউতাক পাটনাত থাকোঁতে পাটনাৰ বেংকীপুৰত বিধান চন্দ্ৰ ৰয়ৰ জন্ম হৈছিল। পাঁচজন ককাই-ভাই আৰু দুগৰাকী বাই-ভনীৰে পৰিয়ালৰ সৰ্বকনিষ্ঠ আছিল বিধান চন্দ্ৰ ৰয়।

পাটনাতে শিক্ষা জীৱন আৰম্ভ কৰা বিধান চন্দ্ৰ ৰয়ে 'কলকাতা মেডিকেল কলেজ এণ্ড হাস্পতাল'ত শিক্ষা গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত লণ্ডনৰ 'ছেইণ্ট বাৰ্থলোমিউছ হাস্পতাল'ৰ (St Bartholomew's Hospital) পৰা মেডিচিন (medicine) বিশেষজ্ঞ হিচাপে স্বীকৃতি পায়।

ভাৰতলৈ ঘূৰি আহি ড° ৰয়ে চাকৰিত যোগদান কৰাৰ উপৰি প্ৰয়োজন অনুসৰি ব্যক্তিগতভাৱেও চিকিৎসা সেৱা আগ বঢ়াইছিল। ড° ৰয়ে প্ৰথমে কলকাতা মেডিকেল কলেজ এণ্ড হাস্পতালত আৰু কেম্পবেল মেডিকেল স্কুলত (Campbell Medical School) শিক্ষকতাৰ চাকৰি কৰে। তেওঁ 'ইণ্ডিয়ান কাৰ্ডিঅ'লজি ছ'চাইটি'ৰ (Indian Cardiological Society) সভাপতিৰূপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। ড° ৰয়ে জাতিৰ পিতা মহাত্মা গান্ধীৰো ব্যক্তিগত চিকিৎসক বন্ধু হিচাপে কাম কৰিছিল।

১৯২৫ চনত ড° ৰয়ে বেৰেকপুৰ সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে বেংগল বিধানসভালৈ নিৰ্বাচিত হৈছিল। উল্লেখ্য যে তেওঁৰ প্ৰতিদ্বন্দ্বী আছিল সুৰেন্দ্ৰ নাথ বেনাৰ্জী। তেওঁ নিৰ্বাচিত হৈয়ে হুগলীত হোৱা প্ৰদূষণৰ সমাধান বিচাৰি প্ৰস্তাৱ আগ বঢ়ায়। ১৯২৮ চনত ড° ৰয় সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিলৈ নিৰ্বাচিত হয়। ড° ৰয়ৰ নেতৃত্বত বংগত আইন অমান্য আন্দোলন পৰিচালিত হৈছিল। এই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰাৰ বাবে তেওঁ আলিপুৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হিচাপে থাকিব লগা হৈছিল। ১৯৩০ চনত তেওঁ কংগ্ৰেছ ৱৰ্কিং কমিটিৰ (Congress working committee) সদস্য মনোনীত হয়।

১৯৩১ চনৰ মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা দাণ্ডী যাত্ৰাৰ সময়ত কলকাতা কৰ্প'ৰেছনৰ বহুতো সদস্যক বৃটিছ চৰকাৰে কাৰাগাৰলৈ নিক্ষেপ কৰিছিল। ড° ৰয়ক কংগ্ৰেছৰ অনুৰোধত কাৰাগাৰলৈ নপঠালে যদিও কৰ্প'ৰেছনৰ দায়িত্বৰ পৰা অব্যাহতি দিলে। ১৯৩১-৩৩ চনলৈ তেওঁ কলকাতাৰ মেয়ৰ হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। এই সময়ছোৱাত তেওঁ বিনামূলীয়া শিক্ষা, চিকিৎসাসেৱা, ৰাস্তা-ঘাট, বিদ্যুৎ আৰু খোৱা পানী যোগান আঁচনি উন্নীতকৰণৰ আঁচনি গ্ৰহণ কৰে। তেওঁ চিকিৎসালয় আৰু স্বাস্থ্যকেন্দ্ৰ স্থাপনৰ বাবেও মঞ্জুৰি প্ৰদান কৰে।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত তেওঁ ১৯৫০ চনত পশ্চিমবংগৰ প্ৰথম মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰে। তেওঁৰ নেতৃত্বতে ১৯৫২-৫৭ চনৰ বাবে পশ্চিমবংগৰ বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছ দল জয়ী হয়। ড° ৰয়ৰ কাৰ্য্যকালতে খড়গপুৰ কাৰিকৰী প্ৰতিষ্ঠান

(Kharagpur Technical Institute) স্থাপিত হয়। ড° ৰয়ে এই প্ৰতিষ্ঠানৰ ব'ৰ্ড অৱ গৱৰ্নৰৰ (Board of Governor) প্ৰথমজন চেয়াৰমেন হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। ড° ৰয়ৰ কাৰ্য্যকালৰ সময়ত বংগ প্ৰদেশত সাম্প্ৰদায়িক সংঘৰ্ষ, দুৰ্ভিক্ষ, নিবনুৱা সমস্যা আৰু পূব পাকিস্তানৰ পৰা অহা শৰণাৰ্থীয়ে এক ভয়াবহ ৰূপ ধাৰণ কৰিছিল। এনে সংকটৰ সময়ত ড° ৰয়ে জনসাধাৰণক ঐক্যবদ্ধভাৱে ভৱিষ্যতৰ লক্ষ্য স্থিৰ কৰি কাম কৰি যাবলৈ আহ্বান জনাইছিল।

ড° ৰয়ে বিশ্বাস কৰিছিল যে, সুস্বাস্থ্য আৰু সবল মানসিকতাৰ অবিহনে ভাৰতীয় লোকে প্ৰকৃত স্বাধীনতা লাভ কৰিব নোৱাৰে। সেয়ে তেওঁ স্বাস্থ্য সম্পৰ্কীয় বা চিকিৎসা সম্পৰ্কীয় শিক্ষাৰ প্ৰসাৰত গুৰুত্ব দিছিল। যাদৱপুৰ যক্ষ্মা চিকিৎসালয়, চিত্তৰঞ্জন সেৱা সদন, কমলা নেহৰু মেম'ৰিয়েল হাস্পতাল, ভিক্ট'ৰিয়া ইন্সটিটিউট (Victoria Institute) আৰু চিত্তৰঞ্জন কেন্সাৰ হাস্পতাল স্থাপনত তেওঁ বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ১৯২৬ চনত শিশু আৰু মহিলাৰ বাবে ড° ৰয়ে চিত্তৰঞ্জন সেৱা সদন মুকলি কৰে। তেওঁ আনকি কলকাতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হৈ থকা সময়ত জাপানীসকলৰ আক্ৰমণৰ বাবে আতংকিত হৈ থকা শিক্ষক-ছাত্ৰ আৰু কৰ্মচাৰীসকলৰ সুৰক্ষাৰ ব্যৱস্থা কৰি নিৰাপদে, নিৰ্ভয়ে শিক্ষাদান কাৰ্য্যসূচী অব্যাহত ৰাখিছিল। তেওঁৰ বাসভৱনটো পৰৱৰ্তী সময়ত এটা ন্যাসক প্ৰদান কৰা হয়। ইয়াত ন্যাসটোৱে এখন চিকিৎসালয় স্থাপন কৰে।

চিকিৎসাবিজ্ঞানৰ লগতে ৰাজনীতি, বিজ্ঞান, দৰ্শন, কলা আৰু সাহিত্য ক্ষেত্ৰলৈ উল্লেখনীয় বৰঙণি যোগোৱা ব্যক্তিসকললৈ ১৯৭৬ চনৰ পৰা ড° বিচি ৰয় ৰাষ্ট্ৰীয় বঁটা তেওঁৰ সোঁৱৰণত প্ৰদান কৰি অহা হৈছে। ১৯৬৭ চনত নতুন দিল্লীস্থিত 'চিলড্ৰেন বুক ট্ৰাষ্ট'ত শিশুসকলৰ বাবে তেওঁৰ সোঁৱৰণত পুথিভঁৰাল আৰু অধ্যয়ন কেন্দ্ৰ নিৰ্মাণ কৰা হয়। বৰ্তমান নতুন দিল্লীৰ তিনমূৰ্তি ভৱনত থকা নেহৰু মেম'ৰিয়েল পুথিভঁৰাল আৰু সংগ্ৰহালয়ত তেওঁৰ ব্যক্তিগত নথি-পত্ৰ সংৰক্ষিত কৰি ৰখা হৈছে।

চিকিৎসা ক্ষেত্ৰলৈ আগ বঢ়োৱা অৱদানৰ বাবে ভাৰত চৰকাৰে ১৯৬১ চনত তেওঁক ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্নৰে বিভূষিত কৰে। ৮০ বছৰীয়া জন্মদিনটোতে ১৯৬২ চনত তেওঁ ইহলীলা সম্বৰণ কৰে। উল্লেখ্য যে, তেওঁৰ জন্ম আৰু মৃত্যু দিনটো অৰ্থাৎ ১ জুলাই তাৰিখটো সমগ্ৰ ভাৰতবৰ্ষই প্ৰতি বছৰে ৰাষ্ট্ৰীয় চিকিৎসক দিৱস বা নেছনেল ডক্টৰছ ডে (National Doctors Day) হিচাপে পালন কৰে। ❖

# তোমালোকৰ বাবে প্ৰশ্ন, জুলাই, ২০২৫

১। 'দ্য ইনহেৰিটেন্স অৱ লছ' (The Inheritance of Loss) উপন্যাসখনৰ বাবে ২০০৬ চনত কোনগৰাকী সাহিত্যিকে বুকাৰ বঁটা লাভ কৰিছিল?

২। পিনী হৈছে মহিলাসকলে পৰিধান কৰা মেখেলা আৰু ৰিকং হৈছে পুৰুষৰ চুৰিয়া। এয়া অসমৰ কোনটো জনগোষ্ঠীৰ বাৰু?

৩। ইয়াক দেৱী দুৰ্গাৰ প্ৰতীকৰূপে গণ্য কৰা হয়। ললিতা সহস্ৰনামা আৰু সৌন্দৰ্য্য লাহৰী গ্ৰন্থত ইয়াৰ ব্যৱহাৰৰ কথা উল্লেখ আছে। বৰ্তমান সময়ত বহুল চৰ্চিত এয়া কি বাৰু?

৪। ড° ভূপেন হাজৰিকাই পৰিচালনা কৰা 'এৰাবাটৰ সুৰ' চলচ্চিত্ৰখনত ভজলুং কাকাৰ চৰিত্ৰত কোনে অভিনয় কৰিছিল?

৫। অষ্ট্ৰেলিয়াৰ মেথিউ হেডেন, দক্ষিণ আফ্ৰিকাৰ হাচিম আমলা, গ্ৰেম স্মীথ, নিউজিলেণ্ডৰ ডেনিয়েল ভেট্ট'ৰী, পাকিস্তানৰ ছানা মিৰ আৰু ইংলণ্ডৰ ছাৰা টেইলৰ—এইসকলৰ সৈতে যোৱা ৯ জুনত কোনজন ভাৰতীয় ক্ৰিকেটাৰৰ নাম সংযোজন হৈছে? ❖

# ভেলু নাচিয়াৰ

■ নৱনীতা কলিতা



ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসলৈ চালে আমি ৰাণী লক্ষ্মীবাঈৰ নামটো সকলোতে পাওঁ। কিন্তু ৰাণী লক্ষ্মীবাঈৰ বৃটিছ বিৰোধী সংগ্ৰামৰ বহু আগতেই নাৰীশক্তিৰ পৰিচয় দি শক্তিশালী বৃটিছ বাহিনীৰ সৈতে যুদ্ধ কৰি বিজয় লাভ কৰিছিল তামিলনাডুৰ শিৱগংগাৰ এক বীৰাংগনা নাৰী ৰাণী ভেলু নাচিয়াৰে।

প্ৰবল দেশপ্ৰেম তথা জাতীয়তাবাদী মনৰ শক্তিশালী ব্যক্তিত্বৰ গৰাকী ৰাণী ভেলু নাচিয়াৰ হ'ল বৃটিছৰ বিৰুদ্ধে থিয় দিয়া প্ৰথমগৰাকী সাহসী নাৰী। নিজ ৰাজ্যৰ প্ৰতি থকা দায়বদ্ধতা তথা দেশপ্ৰেমৰ সুন্দৰ নিদৰ্শন দাঙি ধৰি ৰাণী ভেলু নাচিয়াৰে সাহসেৰে থিয় দিছিল শক্তিশালী বৃটিছ বাহিনীৰ বিৰুদ্ধে। তেওঁৰ বুকুত আছিল অফুৰন্ত সাহস, বিশ্বাস আৰু ৰণকৌশল। মহিলাৰ ওপৰত আৰোপিত হৈ থকা সমাজ ব্যৱস্থাৰ বিভিন্ন প্ৰত্যাহ্বান অতিক্ৰম কৰি তেওঁ নিজ ৰাজ্য ৰক্ষাৰ স্বাৰ্থত দেশপ্ৰেমৰ এক উজ্জ্বল প্ৰতিভূ হিচাপে দেখা দিছিল।

তামিলনাডুৰ 'ৰামনাথপুৰম' ৰাজ্যৰ ৰজা চেল্লামুথু বিজয় ৰঘুনাথ সেতুপতি আৰু ৰাণী মুথথাল নাচিয়াৰৰ একমাত্ৰ সন্তান আছিল ভেলু নাচিয়াৰ। ১৭৩০ চনৰ জানুৱাৰী মাহৰ ৩ তাৰিখে জন্ম লাভ কৰা ৰামনাথপুৰম ৰাজ্যৰ ৰাজকুমাৰী ভেলু নাচিয়াৰ সৰুৰে পৰা অত্যন্ত মেধাৱী তথা ধনুৰ্বিদ্যা, ঘোঁৰাচালনা, সমৰকলা আদিত পাৰ্গত আছিল। তেওঁ তৰোৱাল চালনাৰ লগতে বিভিন্ন অস্ত্ৰবিদ্যাতো পাকৈত আছিল। বিভিন্ন ৰাজনৈতিক শিক্ষাৰ লগতে তেওঁ সৰুৰে পৰা উৰ্দু, ইংৰাজী, ফৰাচী আদি বিভিন্ন ভাষাত দক্ষতাও অৰ্জন কৰিছিল।

১৭ বছৰ বয়সত তামিলনাডু ৰাজ্যৰ শিৱগংগা মন্নাৰৰ মুথু বদুগনাথ থেৱৰৰ লগত তেওঁ বিবাহপাশত আবদ্ধ হয়। এটি কন্যা সন্তানেৰে অতি সুন্দৰকৈ তেওঁৰ বৈবাহিক জীৱন অতিবাহিত হৈছিল। হঠাৎ বৃটিছ বাহিনীয়ে শিৱগংগা ৰাজ্য আক্ৰমণ কৰোঁতে বৃটিছ বাহিনীৰ হাতত তেওঁৰ স্বামীৰ মৃত্যু হয়। পৰৱৰ্তী সময়ত বৃটিছ বাহিনীয়ে শিৱগংগা ৰাজ্য দখল কৰে। সৰুৰে পৰা স্পষ্টবাদী আৰু সাহসী স্বভাৱৰ ভেলু নাচিয়াৰে বৃটিছৰ বশ্যতা স্বীকাৰ নকৰি নিজ কন্যাক লৈ শিৱগংগা এৰি পলাই যায়।

বিদ্ৰোহৰ অগণি বুকুত বান্ধি লৈ ভেলু নাচিয়াৰে সম্পূৰ্ণ আঠ বছৰ কাল আত্মগোপন কৰি থাকিল। তেওঁৰ বুকুত আছিল অফুৰন্ত সাহস আৰু আত্মবিশ্বাস। স্বামী হত্যাৰ প্ৰতিশোধ তথা নিজ ৰাজ্য ৰক্ষাৰ্থে তেওঁ সম্পূৰ্ণ আঠ বছৰ কালত নিজকে তথা নিজ সেনাদলক সাজু কৰি তুলিছিল শক্তিশালী বৃটিছ বাহিনীৰ সৈতে যুঁজ দিবলৈ। সামৰিক ৰণনীতি, কূটনীতি আৰু যুদ্ধ কৌশলত পাৰ্গত নাচিয়াৰে মহিলা শক্তিত বিশ্বাস কৰিছিল আৰু মহিলাৰ ওপৰত আৰোপিত সমাজ ব্যৱস্থাক প্ৰত্যাহ্বান জনাই তেওঁ নাৰী সমাজক জাগ্ৰত কৰি তুলিছিল। ফলস্বৰূপে গঠন হৈছিল ভাৰতৰ প্ৰথম 'মহিলা সেনা দল'। মহিলা শক্তিক জাগ্ৰত কৰি বীৰাংগনা ভেলু নাচিয়াৰে নাৰীসকলক অস্ত্ৰবিদ্যা, ৰণনীতি আৰু ৰণকৌশল শিকাই এক শক্তিশালী মহিলা সেনাবাহিনী তৈয়াৰ কৰিছিল। এই ক্ষেত্ৰত তেওঁক সহায় কৰিছিল মহীশূৰৰ সম্ৰাট হাইদৰ আলীয়ে। সম্ৰাটে তেওঁক ৫,০০০

সৈন্যৰ লগতে যুদ্ধত প্ৰয়োজনীয় বহু সামগ্ৰী যোগান ধৰি বৃটিছ বাহিনীৰ সৈতে যুঁজিবলৈ সাহস দিছিল।

নাচিয়াৰৰ সেনাদল লাহে লাহে সাজু হৈ উঠিছিল আৰু ১৭৮০ চনত সম্পূৰ্ণ ৰণকৌশল অৱলম্বন কৰি ভেলু নাচিয়াৰে বৃটিছ সেনাবাহিনীক আক্ৰমণ কৰে। অতি সাহসিকতা তথা বীৰত্বৰে তেওঁ যুদ্ধ আৰম্ভ কৰে। সেই সময়তে তেওঁৰ সেনা বাহিনীৰ গুৰি ধৰোঁতা সেনাপতি ‘কুইলি’ নামৰ এক সাহসী মহীয়সী নাৰীয়ে নিজকে ঘিউত ডুবাই গাত জুই লগাই লৈ বৃটিছ বাহিনীৰ ‘গুলী-বাৰুদৰ ভঁৰালত’ জাঁপ দি বৃটিছ বাহিনীৰ সম্পূৰ্ণ অস্ত্ৰ-শস্ত্ৰ তথা গুলী-বাৰুদৰ ভঁৰাল নষ্ট কৰি দিছিল। যাৰ ফলত বৃটিছ বাহিনীৰ যুদ্ধৰ সঁজুলিসমূহ সম্পূৰ্ণৰূপে অগ্নিত জাহ গৈছিল। এই ঘটনাটোৰে বৃটিছ বাহিনীক যথেষ্ট দুৰ্বল কৰি তুলিছিল আৰু সেই সুযোগতে ভেলু নাচিয়াৰে নিজ বীৰত্বৰে বৃটিছ বাহিনীক পৰাস্ত কৰি নিজ ৰাজ্য শিৱগংগাৰ পৰা খেদি পঠিয়াইছিল।

নিজ ৰাজ্য উদ্ধাৰ কৰি তেওঁ শিৱগংগা ৰাজ্যৰ সিংহাসনত বহে আৰু সুদীৰ্ঘ দহ বছৰ কাল সুন্দৰভাৱে ৰাজ্য চলাই নিয়ে। সাহসী, স্পষ্টবাদী ব্যক্তিত্বৰ অধিকাৰী ৰাণী ভেলু নাচিয়াৰে কৰ্তব্যনিষ্ঠা, দেশপ্ৰেম তথা সমাজ সেৱাৰ জৰিয়তে ভাৰতীয় সমাজত এক আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গৈছে। ভাৰতৰ ইতিহাসত পুৰুষৰ সমান্তৰালকৈ সাহসেৰে যুঁজ দি বিজয়ী হোৱা ভেলু নাচিয়াৰৰ দৰে মহিলাক আমি নাৰীবাদৰ আদৰ্শ স্বৰূপে গ্ৰহণ কৰা উচিত।

তামিলনাডুত এই বীৰাংগনাগৰাকীক ‘বিৰমংগাই’ অৰ্থাৎ ‘সাহসী নাৰী’ উপাধিৰে সম্বোধিত কৰা হয়। ২০০৮ চনত তেওঁৰ সন্মানাৰ্থে ভাৰত চৰকাৰে এক ডাক টিকট প্ৰচলন কৰিছিল। এইগৰাকী মহান নাৰীয়ে তেওঁৰ কামৰ জৰিয়তে ভাৰতীয় জাতীয় ইতিহাসত এটা সোণালী অধ্যায় ৰচি থৈ গৈছে। ❖

## ভূগোল

# ভাৰতৰ উপকূলীয় অঞ্চল

■ **হিৰণ্য কলিতা**

৭,৫০০ কিল’মিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ ভাৰতৰ উপকূলীয় (coastal) অঞ্চলটো বৈচিত্ৰ্য, প্ৰাকৃতিক সৌন্দৰ্য্য আৰু অৰ্থনৈতিক উৎসৰ এক ভঁৰাল। ৯খন ৰাজ্য আৰু দুখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ সীমাৰেখাত অৱস্থিত এই উপকূল বিভিন্ন প্ৰজাতিৰ জীৱ-জন্তু আৰু সাগৰীয় জীৱকে ধৰি পৰিৱেশতন্ত্ৰৰ অলেখ উপাদানৰ ভঁৰাল।

**ভূগোল আৰু জলবায়ু** (geography and climate)

ভাৰতৰ উপকূলভাগক বহলভাৱে চাৰিটা অঞ্চলত ভাগ কৰিব পাৰি। সেইকেইটা হ’ল—

ক) আৰব সাগৰৰ উপকূল খ) বংগোপ সাগৰৰ উপকূল গ) আন্দামান আৰু নিকোবাৰ দ্বীপপুঞ্জ আৰু ঘ) লাক্ষাদ্বীপ দ্বীপপুঞ্জ।

আৰব সাগৰৰ সীমাৰেখাত থকা পশ্চিম উপকূল সাধাৰণতে ঠেক আৰু শিলাময়। আনহাতে বংগ উপসাগৰৰ সীমাৰেখাত থকা পূব উপকূল তুলনামূলকভাৱে সমতল আৰু বালিচহীয়া।

ভাৰতৰ উপকূলীয় অঞ্চলত গ্ৰীষ্মমণ্ডলীয় জলবায়ু দেখা যায়। ইয়াত বছৰটোৰ সৰহভাগ সময়ত অধিক উষ্ণতা আৰু আৰ্দ্ৰতা থাকে। এই অঞ্চলত ঘূৰ্ণিবতাহ, ছুনামি (tsunami) আৰু অন্যান্য প্ৰাকৃতিক দুৰ্য্যোগৰ প্ৰৱণতাও আছে, যিয়ে পৰিবেশতন্ত্ৰৰ ওপৰত বিধ্বংসী প্ৰভাৱ পেলাব পাৰে।

**অৰ্থনৈতিক গুৰুত্ব**

ভাৰতৰ উপকূলীয় অঞ্চলটোৰ অৰ্থনৈতিক গুৰুত্ব অপৰিসীম। ইয়াত প্ৰধান বন্দৰ, জাহাজ পথ আৰু মাছ

ধৰা উদ্যোগ আছে। এই অঞ্চলত বস্ত্ৰশিল্প, খনি, তেল শোধনাগাৰকে ধৰি কেইবাটাও প্ৰধান উদ্যোগ আছে।

ভাৰতৰ উপকূলীয় অঞ্চলে দেশৰ পৰ্য্যটন খণ্ডলৈ উল্লেখযোগ্য অৱদান আগ বঢ়াই আহিছে। এই অঞ্চলৰ কেইবাখনো ঠাই গোটেই পৃথিৱীৰ পৰ্য্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ। তেনে কেইখনমান উল্লেখযোগ্য ঠাই হ'ল— গোৱা, কেৰালা, চেন্নাই, আন্দামান আৰু নিকোবাৰ দ্বীপপুঞ্জ, লাক্ষাদ্বীপ আদি।

**পাৰিবেশিক চিন্তা**

ভাৰতৰ উপকূলীয় অঞ্চলটোৱে উপকূলীয় খহনীয়া, প্ৰদূষণ, বাসস্থান ধ্বংসকে ধৰি কেইবাটাও সমস্যাৰ সন্মুখীন হৈ আহিছে। উপকূলীয় ভূমি আৰু সম্পদৰ চাহিদা বৃদ্ধিৰ বাবে মেংগ্ৰোভ্ (mangrove), প্ৰবাল প্ৰাচীৰ (coral reefs) আৰু অন্যান্য জটিল পৰিবেশতন্ত্ৰৰ অৱক্ষয় ঘটিছে। জলবায়ু পৰিবৰ্তনেও এই সমস্যাসমূহ আৰু অধিক ভয়াবহ কৰি তুলিব বুলি আশংকা কৰা হৈছে। সাগৰৰ জলপৃষ্ঠ বৃদ্ধি আৰু ধুমুহাৰ পৰিমাণ বৃদ্ধিয়ে উপকূলীয় সম্প্ৰদায় আৰু পৰিবেশতন্ত্ৰৰ বাবে যথেষ্ট ভাবুকি কঢ়িয়াই আনিছে।

**সংৰক্ষণৰ প্ৰচেষ্টা**

এই সমস্যাসমূহৰ সমাধানৰ বাবে ভাৰত চৰকাৰে উপকূলীয় পৰিবেশ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত সাগৰীয় সংৰক্ষিত অঞ্চল স্থাপন, বহনক্ষম (sustainable) মাছ ধৰা পদ্ধতিৰ প্ৰসাৰ, উপকূলীয় অঞ্চলৰ নিয়ম কাৰ্য্যকৰী কৰা ইত্যাদি। ইয়াৰ উপৰি কেইবাটাও বেচৰকাৰী সংস্থা আৰু সম্প্ৰদায়ৰ গোটে উপকূলীয় পৰিবেশতন্ত্ৰ সংৰক্ষণ কৰিবলৈ আৰু বহনক্ষম



জীৱিকাৰ প্ৰসাৰৰ বাবে কাম কৰি আছে।

**ভাৰতৰ উপকূলীয় অঞ্চলৰ মূল পৰিসংখ্যা**

ক) ভাৰতীয় উপকূলৰ দৈৰ্ঘ্য : ৭৫১৭ কিল'মিটাৰ খ) উপকূলৰ সীমান্তৱৰ্তী ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ সংখ্যা : ১১ গ) উপকূলীয় জিলাত বাস কৰা জনসংখ্যা : ২৫ কোটিতকৈ অধিক ঘ) ভাৰতৰ সামুদ্ৰিক বাণিজ্যৰ মূল্য : ৯০ লাখ কোটিৰ ওপৰত ঙ) ভাৰতৰ সামুদ্ৰিক সংৰক্ষিত অঞ্চলৰ সংখ্যা : ১২।

**উপসংহাৰ**

ভাৰতৰ উপকূলীয় অঞ্চলটো এক অনন্য আৰু মূল্যবান সম্পদ যিয়ে পাৰিবেশিক তথা অৰ্থনৈতিক লাভালাভ আৰু সাংস্কৃতিক তাৎপৰ্য্য বহন কৰে। কিন্তু এই অঞ্চলটোৱে পৰিবেশ সম্পৰ্কীয় কেইবাটাও প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, যাৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন হৈ পৰিছে। বহনক্ষম উন্নয়নক প্ৰসাৰিত কৰি, জটিল পৰিবেশতন্ত্ৰ সংৰক্ষণ তথা উপকূলীয় সম্প্ৰদায়ক সহায় কৰি আমি ভাৰতৰ উপকূলীয় অঞ্চলটোক ভৱিষ্যৎ প্ৰজন্মৰ বাবে সুৰক্ষিত কৰাত সহায় কৰিব পাৰোঁ। ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীৰ নাম, জুন, ২০২৫

প্ৰিন্স কলিতা (ষষ্ঠ ঘ), বৰষা শৰ্মা (পঞ্চম ঘ), যশিতা গোস্বামী (ষষ্ঠ ক), যুক্তা গোস্বামী (দশম গ), সুপ্ৰতীক সঞ্জীৱ ডেকা (সপ্তম ঘ), অধৃত দৈৰিক বৈশ্য সাউদ (নৱম খ), হৃষীকেশ ৰাভা (সপ্তম ঘ), ময়ূৰী তালুকদাৰ (সপ্তম ক), মনশ্ৰী কলিতা (পঞ্চম ঘ)। ❖

# কৃষি অধ্যয়নৰ গুৰুত্ব

■ অৰূপ শাণ্ডিল্য




প্ৰাক মৌচুমী (monsoon) কালত ৰাজ্যত এইবাৰ বৰষুণ কমকৈ হৈছিল। বিপৰীতে চলিত বৰ্ষৰ প্ৰাক বাৰিষাতে ৰাজ্যত আৰম্ভ হোৱা প্ৰথমটো বানত ক্ষতিগ্ৰস্ত হৈছিল ৬ লাখৰো অধিক লোক। জুন মাহৰ প্ৰথম ভাগতে আকৌ গ্ৰীষ্মপ্ৰবাহৰ (heat wave) পৰিণতিত স্কুলৰ পাঠদানৰ সময় আগুৱাই আনিবলগীয়া অৱস্থাৰ সৃষ্টি হয়। অনাগত সময়ত বতৰৰ এই পৰিবৰ্তন আৰু তাৰ ফলত হ'বলগীয়া বিভিন্ন ধৰণৰ ক্ষয়-ক্ষতি বাঢ়িব বুলি ইতিমধ্যে বিভিন্ন গৱেষণা, সমীক্ষাই দেখুৱাইছে। এনে পৰিস্থিতিত কৃষি আৰু জলবায়ু পৰিবৰ্তন সম্পৰ্কীয় অধ্যয়ন আৰু কেৰিয়াৰৰ গুৰুত্ব পূৰ্বৰ তুলনাত ভালেখিনি বৃদ্ধি পাইছে। দিন অতিবাহিত হোৱাৰ লগে লগে কৃষি সম্পৰ্কীয় বিবিধ অধ্যয়ন, গৱেষণাৰ গুৰুত্ব আৰু বৃদ্ধি পাব। লগে লগে চৰকাৰী-বেচৰকাৰী খণ্ডত চাকৰি, নিয়োগৰ সম্ভাৱনাও বাঢ়িব। চাকৰিৰ বাবে সাধাৰণ কৃষি স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লোৱাতকৈও তাৰ পৰৱৰ্তী পৰ্য্যায়ত কৰিবলগীয়া গৱেষণাৰ অপাৰ সম্ভাৱনা আছে। এটা একেবাৰে সৰু উদাহৰণ দিব পৰা যায়। এসময়ত আমি আহু ধানৰ খেতি কৰিছিলোঁ। ছটিয়াই সিঁচি দিয়া আহু ধানৰ খেতি বিভিন্ন কাৰণত কমি আহিল। কিন্তু জলবায়ু পৰিবৰ্তনৰ এই সময়ত বিশ্বজুৰি গৱেষণা চলিছে—কিদৰে শালি ধানৰ বতৰতো কঠীয়া ৰোৱাৰ সলনি আহুৰ দৰে ছটিয়াই ধানৰ খেতি কৰিব পৰা যায়। কম পানীত তেনে ধানৰ খেতি কৰিব পৰা যায়, অথচ উৎপাদন বেছি হয়। বিশ্বত জলবায়ু পৰিবৰ্তনে খাদ্য শস্যৰ উৎপাদনত অনেক বিঘিনি ঘটাইছে। বিপৰীতে জনসংখ্যাৰ দ্ৰুত বৃদ্ধি অব্যাহত আছে। এতেকে কৃষি অধ্যয়নৰ গুৰুত্ব আৰু বাঢ়িব।

কৃষিৰ স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰীধাৰী এজন লোকে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ কৃষি, উদ্যান শস্য, মীন, পশুপালন, দুগ্ধ সংসাধন (processing) আদি বিভাগৰ বিভিন্ন চৰকাৰী চাকৰিৰ উপৰি বেচৰকাৰী খণ্ডৰ বিভিন্ন পদতো নিযুক্তি লাভৰ বাবে যোগ্যতা অৰ্জন কৰে। এপিএছচি, ইউপিএছচি-এ আয়োজন কৰা পৰীক্ষাৰ জৰিয়তে নিযুক্তি লাভ, ভাৰতীয় বন সেৱা , এছএছচি, বেংক আৰু অন্য বিত্তীয় সেৱা, সাৰ-কীটনাশক প্ৰস্তুতকাৰী প্ৰতিষ্ঠান, খাদ্য সংসাধন প্ৰতিষ্ঠান আদিত চাকৰিৰ বাবেও বাট মুকলি হয় কৃষি স্নাতক, স্নাতকোত্তৰ ডিগ্ৰীধাৰীৰ। বৰ্তমানৰ পৰিস্থিতিত বহনক্ষম (sustainable) কৃষিৰ ধাৰণা জনপ্ৰিয় হ'বলৈ ধৰাৰ লগে লগে চৰকাৰী-বেচৰকাৰী অন্য বিভিন্ন বিভাগতো কৃষি ডিগ্ৰীধাৰীৰ চাকৰিৰ বাট মুকলি হ'বলৈ ধৰিছে। তদুপৰি গৱেষণাৰ ক্ষেত্ৰত এগ্ৰোনমিষ্টৰ (agronomist) পৰা আৰম্ভ কৰি পতংগতত্ত্ববিদলৈ (entomologist) অনেক বিষয়ৰ চাকৰিৰ বাট মুকলি হৈছে। ক'ব পাৰি জলবায়ু পৰিবৰ্তনে কৃষি গৱেষণাৰ ন ন দুৱাৰ মুকলি কৰিছে। কৃষিখণ্ডত যান্ত্ৰিকীকৰণ, কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগ, ৰবটিকছ (robotics), ড্ৰোনৰ (drone) ব্যৱহাৰ আদিয়ে নিয়োগৰ নতুন নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। কৃষি সম্পৰ্কীয় ষ্টাৰ্টআপে (startup) কৃষিক নতুন পথেৰে আগুৱাই নিবলৈ ধৰিছে। কৃষি সম্পৰ্কীয় ষ্টাৰ্টআপৰ ভৱিষ্যৎ অতি উজ্জ্বল। পৰম্পৰাগত পদ্ধতিৰ সলনি বহনক্ষম কৃষি পদ্ধতি এতিয়া বিশ্বজুৰি আকৰ্ষণৰ কেন্দ্ৰবিন্দু। বহনক্ষম কৃষি পদ্ধতিয়েহে বিশ্ববাসীক খাদ্য নিৰাপত্তা দিব পাৰিব। সেয়ে চৰকাৰী চাকৰিতকৈও এনে পদ্ধতিৰ গুৰুত্ব আৰু সম্ভাৱনা দিন অতিবাহিত হোৱাৰ লগে লগে বাঢ়ি গৈ থাকিব। অৰ্থাৎ কৃষি খণ্ডত চৰকাৰী-বেচৰকাৰী চাকৰি, গৱেষণাৰ কেৰিয়াৰৰ সম্ভাৱনা বৃদ্ধি পোৱাৰ লগে লগে বহনক্ষম কৃষিয়ে এক নতুন কৃষি কেৰিয়াৰৰ বাট মুকলি কৰিব। ইতিমধ্যে তাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ❖

## চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

### চুড'কু ২২২ (সমাধান)

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 3 | 4 | 1 | 2 | 5 | 8 | 6 | 7 | 9 |
| 7 | 6 | 5 | 4 | 9 | 1 | 8 | 3 | 2 |
| 9 | 2 | 8 | 6 | 3 | 7 | 1 | 4 | 5 |
| 6 | 1 | 3 | 5 | 8 | 9 | 7 | 2 | 4 |
| 2 | 8 | 7 | 1 | 4 | 3 | 9 | 5 | 6 |
| 4 | 5 | 9 | 7 | 6 | 2 | 3 | 8 | 1 |
| 8 | 7 | 6 | 9 | 2 | 4 | 5 | 1 | 3 |
| 5 | 3 | 4 | 8 | 1 | 6 | 2 | 9 | 7 |
| 1 | 9 | 2 | 3 | 7 | 5 | 4 | 6 | 8 |

### চুড'কু ২২৩

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 9 | | | | 7 | 1 | | | |
| 7 | 4 | | | | | | 8 | 9 |
| | | | | 9 | | | 7 | |
| 5 | 9 | | 2 | | | 7 | 4 | |
| | | 7 | 9 | | | | | |
| | | | 7 | | | 1 | 9 | |
| 6 | 2 | 9 | 8 | | 7 | | | |
| | | | 6 | | 9 | 5 | | 7 |
| | 7 | | | | | 9 | | |

## তোমালোকে জানানে?

# বায়ুৰ আৰ্দ্ৰতা কেনেকৈ জোখা হয়?




বায়ুমণ্ডলত থকা জলীয় বাষ্পৰ মুঠ পৰিমাণকে আৰ্দ্ৰতা (humidity) বুলি কোৱা হয়। বায়ুমণ্ডলত জলীয় বাষ্পৰ ৰূপত কিছু পানী থাকে। তাপমাত্ৰা বৃদ্ধিৰ লগে লগে বায়ুক সংপৃক্ত (saturate) কৰিব পৰা জলীয় বাষ্পৰ (moisture) পৰিমাণো বৃদ্ধি পায়। উদাহৰণস্বৰূপে, ৪.৪ ডিগ্ৰী ছেলছিয়াছত ৪৫৪ কিল'গ্ৰাম আৰ্দ্ৰ বায়ুত সৰ্বাধিক ২ কিল'গ্ৰাম জলীয় বাষ্প থাকে আৰু ৩৭.৮ ডিগ্ৰী ছেলছিয়াছত একে পৰিমাণৰ আৰ্দ্ৰ বায়ুত সৰ্বাধিক ১৮ কিল'গ্ৰাম জলীয় বাষ্প থাকে। হাইগ্ৰ'মিটাৰ হৈছে বায়ুৰ আৰ্দ্ৰতা জুখিবলৈ ব্যৱহাৰ কৰা এবিধ যন্ত্ৰ। আৰ্দ্ৰতা কেইবাটাও ধৰণে প্ৰকাশ কৰিব পাৰি। নিৰপেক্ষ আৰ্দ্ৰতা হৈছে এক বিশেষ আয়তনৰ বায়ুত থকা জলীয় বাষ্পৰ ওজন। ইয়াক গ্ৰাম প্ৰতি ঘনমিটাৰ এককত প্ৰকাশ কৰা হয়। জলীয় বাষ্পৰ ওজন আৰু জলীয় বাষ্পকে ধৰি বায়ুৰ মুঠ ওজনৰ অনুপাতক নিৰ্দিষ্ট আৰ্দ্ৰতা বুলি জনা যায়। নিৰ্দিষ্ট পৰিমাণৰ বায়ুৰে ধৰি ৰাখিব পৰা সৰ্বাধিক জলীয় বাষ্পৰ পৰিমাণৰ লগত তুলনা কৰি কোনো সময়ত বায়ুত থকা জলীয় বাষ্পৰ পৰিমাণক শতাংশত প্ৰকাশ কৰিলে তাক আপেক্ষিক আৰ্দ্ৰতা বোলে। আৰ্দ্ৰতা বেছি হ'লে ঘামৰ বাষ্পীভৱন হ্ৰাস পায়। ফলত আমাৰ বেছি গৰম অনুভৱ হয়। ❖

# ইচিজি (ECG) কি?

ইচিজি বা Electro-Cardiogram হ'ল বৈদ্যুতিক শক্তিৰ সহায়ত এক ধৰণৰ যান্ত্ৰিক কৌশলেৰে অংকিত হৃদপিণ্ডৰ ৰেখাচিত্ৰ। এনে ৰেখাচিত্ৰ অংকনৰ যন্ত্ৰক বোলা হয় ইলেক্ট্ৰোকাৰ্ডিঅ' গ্ৰাফ। হৃদপিণ্ডৰ ক্ৰিয়া অনিয়মিত হ'লে এই যন্ত্ৰৰ সহায়ত তাৰ অৱস্থা নিৰূপণ কৰা হয়। ৰেখাচিত্ৰৰ ধৰণ দেখি হৃদপিণ্ডৰ কাৰ্য্যকাৰিতা বা ত্ৰুটি-বিচ্যুতি সহজেই ধৰা পেলাব পাৰি। সংক্ষেপে ইয়াকেই ইচিজি (ECG) কৰা বুলি কোৱা হয়। ❖

# জেঠত আহে বান, আঘোণত পকে ধান

■ ধানিসা ডেকা
ষষ্ঠ শ্ৰেণী



অসম এখন কৃষিপ্ৰধান ৰাজ্য। অসমৰ প্ৰায় ৮০ শতাংশ লোক কৃষিজীৱী। অসমত বিভিন্ন শস্যৰ খেতি কৰা হয়। তাৰ ভিতৰত ধান খেতি অন্যতম। এই ধান খেতিৰ বাবে বৰষুণৰ প্ৰয়োজন। জেঠ মাহৰ পৰা আঘোণ মাহলৈকে শালি ধানৰ খেতি কৰা হয়।

জেঠ মাহৰ পৰা আমাৰ অসমত যথেষ্ট বৰষুণ হ'বলৈ আৰম্ভ কৰে। যাৰ ফলত আমাৰ কৃষকসকলে পথাৰত শালি ধানৰ খেতিৰ বাবে কঠীয়া সিঁচিবলৈ আৰম্ভ কৰে। সেই ধানৰ পৰা গজালি ওলায়। কঠীয়াবোৰ এক বা ডেৰ মাহৰ ভিতৰত ওখ হয়। কঠীয়া সিঁচা শেষ কৰাৰ পাছত জেঠ-আহাৰ মাহৰ ভিতৰত বৰষুণৰ মাত্ৰা বৃদ্ধি পায়, নদ-নদীবোৰ পানীৰে উপচি পৰে। এই পানীবোৰ চাৰিওফালে বাগৰি পথাৰবোৰো পানীৰে ওপচাই পেলায়। ইয়াকে আমি বান বোলোঁ। এই বানৰ ফলত পথাৰবোৰৰ মাটিত পলস পৰে। এই পলসুৱা মাটিত আমাৰ কৃষকসকলে হাল বাই খেতি কৰিবলৈ সাজু কৰি লয়। সেই ধৰণে জেঠ-আহাৰ মাহৰ বানৰ পাছত পলসুৱা মাটিত শাওণ মাহৰ পৰা আৰম্ভ কৰি ভাদ মাহৰ শেষলৈ কঠীয়াবোৰ ৰুই পথাৰবোৰ সেউজীয়া কৰি দিয়ে। সেউজীয়া পথাৰবোৰৰ মনোৰম দৃশ্য চাই চাই খেতিয়কসকলৰ মন আনন্দ-উলাহেৰে নধৰা হয়।

তাৰ পাছতেই আহিন মাহত খেতিয়কসকলে আনন্দেৰে উৎসৱ-পাৰ্বণসমূহত যোগদান কৰি খেতি চপোৱা সময়লৈ ৰৈ থাকে। অৱশ্যে এই সময়ৰ ভিতৰত বান কমি গৈ ঠাইবোৰ শুকান হ'বলৈ আৰম্ভ কৰে। তাৰ পাছতেই খেতিয়কসকলে খেতিপথাৰত আহিন-কাতি মাহৰ সংক্ৰান্তিৰ দিনা কাতি বিহু পালন কৰে। এই বিহুত আকাশবন্তি জ্বলাই, পথাৰৰ মাজে মাজে চাকি জ্বলাই খেতিপথাৰত থকা অনিষ্টকাৰী পোক-পৰুৱাবোৰ নিধন কৰে আৰু সন্ধিয়া সময়ত তুলসী ৰুই তাৰ গুৰিত সকলোৰে এই নামটো গায়—

"তুলসীৰ তলে তলে
মৃগ পহু চৰে
তাকে দেখি ৰামচন্দ্ৰই
হৰ ধনু ধৰে।"

নামনি অসমৰ কিছু কিছু অঞ্চলত এই বুলিও গায়—

"ক'লা গোসাঁয়ে
আজি গধূল বেলা
ধুলাই লুতুল-পুতুল হৰি
ধুলাই লুতুল-পুতুল
গাজি কল খাব গোসাঁই
আহে খাতাৰ-খুতুৰ
তুলসী মৰি গ'ল
পাতো সৰি গ'ল
ভকতে গাঁথে মালা
সেই মালাধাৰি
কৃষ্ণই পিন্ধিলা
জহ সৰগৰে দৰা।"

কাতি বিহুৰ পাছতেই ধানবোৰ ওলাবলৈ আৰম্ভ কৰে। লাহে লাহে এই গুটিবোৰ পূৰঠ হৈ আঘোণ মাহত ধানবোৰ পকিবলৈ আৰম্ভ কৰে। গোটেই আঘোণ মাহত পথাৰবোৰত পকাধানে সোণালী ৰূপ লয়। আঘোণ মাহৰ শেষৰ ফালে কৃষকসকলে ধানবোৰ চপাই ঘৰলৈ আনি মৰণা মাৰি ভঁৰালত থয় আৰু এই ধানেৰে প্ৰায়সকলে খেতিয়কে ন-খোৱা উৎসৱ পালন কৰে। ❖

# ৰ'দালি

■ জানকী শৰ্মা
পঞ্চম শ্ৰেণী

ৰ'দালি অ' ৰ'দালি
বৰ দুষ্ট তুমি,
জাৰৰ দিনত লুকাই থাকা
মেঘৰ আঁৰত বহি।
গৰমৰ দিনত আমাক
জ্বলাই জ্বলাই মাৰা,
ঠাণ্ডাৰ দিনত আকৌ
লুকাই বহি থাকা।
ৰ'দালি আইতা
এবাৰ ওলাই আহাচোন।
মই ঠাণ্ডাত কঁপি আছোঁ
দেখিছাই দেখোন ! ❖

# কবিতাৰ বিষয়

■ বৃষ্টি ডেকা
ষষ্ঠ শ্ৰেণী

কবিতা এটা লিখিম বুলি
কলম হাতত লৈ,
বহি থাকিলোঁ টেবুলৰ আগত
এখিলা কাগজ থৈ।
কি লিখিম কি কৰিম
থাকিলোঁ বাট চাই,
দিনে-ৰাতি উজাগৰে থাকি
বিচাৰি পোৱা নাই।
বিচাৰি বিচাৰি পালোঁ
এটা বিষয়,
য'ত আছে জ্ঞানৰ আলয়
সেয়া হ'ল
আমাৰ অসম জাতীয় বিদ্যালয়। ❖



# নদী

■ অনুৰাগ পাটোৱাৰী
ষষ্ঠ শ্ৰেণী

বৈ যায় বৈ যায় নদীবোৰ,
বাস কৰে তাত কীট-পতংগ, মাছ-কাছবোৰ।
অসমৰ ডাঙৰ নদী ব্ৰহ্মপুত্ৰ,
উমানন্দ পৃথিৱীৰ নদীদ্বীপ ক্ষুদ্ৰ
গংগা, যমুনা, কাবেৰী নদী
অনবৰতে বৈ থাকে; নিছিগা গতি।
নদীত চলি থাকে জাহাজ-নাও,
যাতায়াতৰ বাবে আমি দলঙো সজাওঁ।
বৰষুণত উপচি পৰে দুয়োটি পাৰ,
নৈপৰীয়া গাঁৱৰ লাগে হাহাকাৰ।
জলবিদ্যুৎ উৎপাদন হয় নদীৰ পৰা,
নদী অবিহনে ধ্বংস হ'ব এই ধৰা।
নদী নহ'লে মানুহো নাথাকে জীয়াই
প্ৰদূষিত নকৰিবা নদীত জাবৰ পেলাই। ❖

# জোনাক নিশা

■ ভায়লিনা ডেকা
সপ্তম শ্ৰেণী

অযুত তৰাৰে ভৰা !
জোনাক নিশাৰ আকাশ,
পদুলিমুখৰ ফুলৰ সুগন্ধি
বিয়পায় কিমান যে সুবাস !
জোনাক নিশা ভাগৰি পৰোঁ
তৰা গণি গণি
চোতালত বহি আইতাই কোৱা
সাধু শুনি শুনি
জোনাক নিশা উৰি ফুৰে
জোনাকী পৰুৱা,
ঢিমিক-ঢামাককৈ জিলিকাই ৰাখে
গাঁৱৰ শুৱনি বাটচ'ৰা। ❖



# সংগ্ৰামী শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা

■ **টনবীৰ কাশ্যপ শৰ্মা**

ষষ্ঠ শ্ৰেণী



অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ ক্ষেত্ৰখনত যিসকল মহীৰুহে নক্ষত্ৰৰ দৰে পোহৰাই তুলিছে তাৰ ভিতৰত বিষ্ণুপ্ৰসাদ ৰাভা অন্যতম। জনতাৰ শিল্পী ৰাভা আছিল একাধাৰে কবি, ঔপন্যাসিক, গল্পকাৰ, অভিনেতা, পৰিচালক, গীতিকাৰ, গায়ক, বাদক তথা কুশলী নৃত্যশিল্পী। ১৯০৯ চনৰ ৩০ জানুৱাৰীত ঢাকাত জন্মগ্ৰহণ কৰা ৰাভাই অসমীয়া সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ অসামান্য অৱদান আগ বঢ়াই যোৱা বাবে তেখেতক কলাগুৰু আখ্যা দিয়া হয়।

ছাত্ৰ জীৱনৰ আৰম্ভণিৰ পৰাই ৰাভাৰ হৃদয়ত জাতীয়তাবোধৰ উন্মেষ ঘটিছিল। সেই সময়ছোৱাত ভাৰতৰ স্বাধীনতা আন্দোলনে তীব্ৰ ৰূপ লয় আৰু সমাজত অস্থিৰ পৰিবেশৰ সূচনা হয়। বিষ্ণু ৰাভায়ো তেওঁৰ সহযোগীসকলৰ লগত বৃটিছৰ বিৰুদ্ধে আন্দোলনত যোগদান কৰে। আন্দোলনত যোগদান কৰিয়েই ৰাভাই কবিতাৰ ভাষাৰে বিপ্লৱী পৰিচয় দাঙি ধৰে—

হে বিপ্লৱী বীৰ অধিনায়ক হে
দিয়া অগ্নিবাণী বিপ্লৱৰ
ভাঙা বন্দীশাল কৌটিকালৰ
মুক্তি হওক নিৰ্য্যাতিতৰ...

বৃটিছ বিৰোধী আন্দোলনৰ সমান্তৰালকৈ তেওঁ সমাজৰ শোষিত শ্ৰেণীৰ কল্যাণৰ হকেও সংগ্ৰাম আৰম্ভ কৰে। তেওঁ অনুভৱ কৰিছিল যে সমাজত দুটা শ্ৰেণীৰ লোকহে আছিল। প্ৰথমটো ধনিক শ্ৰেণী আৰু দ্বিতীয়টো শোষিত শ্ৰেণী। শোষিত শ্ৰেণীৰ ভিতৰতে আছে কৃষকসকল। যুগে যুগে কৃষক-শ্ৰমিকসকলে অশেষ নিৰ্য্যাতন ভুগিবলগীয়া হৈছে। শোষণৰ বিৰুদ্ধে জাতীয় চেতনাদীপ্ত আহ্বানেৰে তেওঁ লিখিছিল—

হেৰ বিপ্লৱী বিদ্ৰোহী বীৰ
তোল তোৰ অৱনত শিৰ।
অতদিন তই আছিলি সুসুপ্ত
পৰ পদানত
নিৰ্য্যাতিত নিপীড়িত
দলিত পতিত।
আজি এই নতুন যুগত হ তই জাগ্ৰত।

তেওঁৰ ৰচিত নৃত্য-নাটিকা 'মুক্তি দেউল'ত লিখিছিল শ্ৰমিক-কৃষকক শোষণৰ পৰা মুক্ত কৰিব নোৱাৰিলে দেশৰ স্বাধীনতা অৰ্থহীন হৈ পৰিব। শ্ৰমিক-কৃষকসকলক উদাত্ত কণ্ঠেৰে আহ্বান জনাইছিল—

ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্
লোহাৰ শিকলি ভাঙ্।
ছিঙ্ ছিঙ্ ছিঙ্ ছিঙ্
দাসৰ বান্ধোন ছিঙ্।
..............................
হেৰউ কৃষক,
প্ৰথম বিপ্লৱী বীৰ প্ৰকৃতিৰ বক্ষ
বিদাৰক।
ধৰণীৰ বুকু ফালি
নাঙলৰ ফাল তুলি
পোনে পোনে তয়ে লখিমীক লভিছিলি।

সংগ্ৰামী জীৱন পৰিক্ৰমাৰে বিপ্লৱী কবি বিষ্ণুপ্ৰসাদ ৰাভাই লিখা গভীৰ শব্দবোৰ আমাৰ হৃদয়ত কথা হৈ, সুৰ হৈ আজীৱন বাজি থাকিব। ❖

**সহায়ক গ্ৰন্থ :** *ইয়ে আজাদী ঝুথা হ্যায়। লেখক : অনিল কুমাৰ কলিতা।*

# CEO of YouTube–Neal Mohan

■ **Raktim Tahbildar**
Class VIII



Neal Mohan is an American business executive who is the current chief executive officer of Youtube. Mohan was born in Lafayette, Indiana US state on July 14, 1973. His parents, Aditya Mohan and Deepa Mohan were Indians. They are from the city of Lucknow. Aditya Mohan moved to the United States in the early 1970s to pursue a PhD in civil engineering. He was admitted to Purdue University. Mohan grew up in Ann Arbor, Michigan. He moved to India in 1985, with his family, spending the next seven years completing high school at St. Francis' College, where he learned to speak Hindi and Sanskrit. At some point between 1991 and 1992, Mohan moved back to the United States. He attended Stanford University, graduating in 1996 with a degree in electrical engineering. Mohan started working at Accenture, before joining a startup called Net Gravity. He soon became a prominent figure in the company.

After returning to Stanford in 2003 to pursue his MBA, NetGravity's parent company, DoubleClock, which had acquired the company in 1997, began to undergo serious issues stemming from another 1999 acquisition of Abacus Direct; this ultimately led to the merger being effectively annulled. Mohan was enlisted by Daird Rosenblatt, who had become DoubleClick's new CEO in the wake of the split, to work at the company in 2005. Together, they reoriented the company, devising a plan said to still have an influence on Google's operations.

DoubleClick was acquired by Google in 2007, an acquisition largely oriented by Google executive Susan Wojcicki. She and Mohan extensively worked together for the next fifteen years. In 2015, Mohan became CPO of YouTube, which Wojcicki headed as CEO. Throughout the late 2010s and early 2020s, he spearheaded much of the company's ventures, such as YouTube TV, YouTube music, YouTube premium and YouTube shorts. Upon Wojcicki's registration in February 2023, he succeeded her as CEO of YouTube.

Mohan is married to Hema Sareen Mohan who has worked in the non-profit and public welfare sectors for two decades. He married his wife while in New York during his time working for DoubleClick.

Mohan has also worked with Microsoft and sat on the boards of Stitch Fix, 23 and Me.

Neal Mohan has received several awards and recognitions for his work in the digital advertising and media industries. The awards are– Industry Luminery Award, IAB Tech Lab Distinguished Leadership Award, Adwok 100, Global Telecom Business Power 100 and Arjay Miller Scholar etc.

On February 16, 2023 Mohan was selected as the successor of Susan Wojcicki as YouTube's CEO. ❖

# গড়ভাঙাৰ হাবিত এদিন

■ বিৰিখ শৰ্মাচাৰ্য্য
অষ্টম শ্ৰেণী

২০২৪-২৫ বৰ্ষৰ গৰম বন্ধত ক'তো ফুৰিবলৈ যোৱাই নাছিলোঁ। সেয়েহে ৩০-০৭-২০২৪ তাৰিখে আমি দিনতীয়াকৈ ভ্ৰমণলৈ ওলালোঁ। আমি লখৰা চাৰিআলিৰ পৰা বাঁওফালে ঘূৰি গড়ভাঙা সংৰক্ষিত বনাঞ্চললৈ ৰাওনা হ'লোঁ। গড়ভাঙালৈ সোমোৱা প্ৰবেশ পথৰ পৰা আমাৰ গন্তব্যস্থান নাহৰপাহাম জলপ্ৰপাতলৈ ২৫ কিল'মিটাৰ বাট। পাহাৰৰ সৰু একাঁ-বেঁকা পথ, তাতে আকৌ বাৰিষাৰ বতৰ। এনে দুৰ্গম বাটত আকৌ হাতীৰ লাদ দেখি আমাৰ ভয় দুগুণে বাঢ়িল। যদি হাতী এটা সন্মুখতে আহি ওলায়, তেতিয়াতো আমাৰ পলাবৰো কোনো উপায় নাথাকিব। কিন্তু আমি মনত সাহস গোটাই আগুৱাই গৈ থাকিলোঁ। অলপ দূৰ গৈয়েই আমি গছত বহি থকা কেইবাটাও সোণালী বান্দৰ দেখিলোঁ। তাতেই ৰৈ অলপ সময় বান্দৰকেইটা চালোঁ। তাৰ পাছত পুনৰ গন্তব্যস্থানলৈ ৰাওনা হ'লোঁ।

গভীৰ অৰণ্যৰ মাজৰ দুৰ্গম পথেৰে কিছুদূৰ যোৱাৰ পাছত জালকপাহাম নামৰ গাঁওখনৰ অপৰূপ সৌন্দৰ্য্য দেখিবলৈ পালোঁ। হালোৱাই হাল বাইছে, ৰোৱণীয়ে আনন্দ-উল্লাসেৰে কঠীয়া ৰুইছে। চাৰিওফালে সেউজ পৰিবেশ। যাত্ৰাপথত গাঁওখন দেখি বৰ সন্তোষ পালোঁ। এইবোৰ দেখি আমাৰ ভয় কমিল।

গাঁওখন পাৰ হৈ অহাৰ পাছত এটা বোকাময় তিনিআলি পোৱা যায়। তাৰে এটা ফালে থকা ফলকখনত নাহৰপাহাম জলপ্ৰপাতলৈ বুলি এটা পথলৈ নিৰ্দেশনা দিয়া আছিল। গাড়ীখন তাতে থৈ আমি প্ৰায় ডেৰ কিলোমিটাৰ ঠেক পথটোৰে খোজ কাঢ়ি যোৱাৰ সিদ্ধান্ত ল'লোঁ। অৱশেষত সেই পথো অতিক্ৰম কৰি গন্তব্যস্থানত উপস্থিত হ'লোঁ।

আমি জলপ্ৰপাতলৈ নামি গ'লোঁ। ওপৰৰ পৰা অবিৰতভাৱে পানী পৰি থকা ঠাইখিনিৰ যিমান ওচৰলৈ যাওঁ সিমানেই পানীৰ কোব তীব্ৰ হৈ যায়। বহুত কষ্ট হ'লেও মই সেই ঠাইলৈ গৈছে এৰিলোঁ। পানীৰ কোবাল সোঁতে মোক উটুৱাই নিব খুজিছিল। এনে আনন্দ, এনে শিহৰণভৰা অভিজ্ঞতা, সাগৰ কি মহাসাগৰত গা ধুই আহিলেও নাপাম চাগৈ। এই আনন্দৰ কথা ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। পানীৰ মাজতেই এখন ঝুলনাও আছিল। স্ফুৰ্তি-তামাচা কৰি কমেও ডেৰ ঘণ্টা প্ৰকৃতিৰ অনুপম সৃষ্টি উপভোগ কৰাৰ পাছত আমি উভতি আহিবলৈ ওলালোঁ। তেতিয়াহে লাগিল আচল লেঠাটো ! দূৰ-দূৰণিলৈ কোনো দোকানেই নাই। দুই-এখন সুৰাৰ দোকানৰ বাহিৰে অন্য কোনো দোকান নাই। লোকসকলে যদি দোকানত সুৰাৰ সলনি থলুৱা পিঠা-পনা, জলপান বা ৰুটী-তৰকাৰিৰ ব্যৱস্থা কৰিলেহেঁতেন, তেনেহ'লে তাৰ বাসিন্দাসকলো লাভান্বিত হোৱাৰ লগতে পৰ্য্যটকসকলৰো সুবিধা হ'লহেঁতেন। ইমান সুন্দৰ পৰিবেশ থকাৰ পাছতো গড়ভাঙা এক পৰ্য্যটন ক্ষেত্ৰ হিচাপে পিছপৰি ৰোৱাৰ ই এটা অন্যতম কাৰণ যেন অনুভৱ হয়।

লাহে লাহে আমাৰ ভোক বাঢ়ি আহি আছিল। বহুত দূৰ অহাৰ পাছত এখন দোকান পালোঁ। অন্য একো নাপাই চাহ-বিস্কুটকে খালোঁ। অন্ততঃ ভোকটো কমিল।

প্ৰকৃতিৰ এই অনুপম সৃষ্টি চাই চাই আমি উভতি আহিলোঁ। লখৰাতেই ৰুটী-মাংস খাই আমি ঘৰ পালোঁহি।

ই মোৰ জীৱনৰ এক স্মৰণীয় দিন। এনে প্ৰাকৃতিক সৌন্দৰ্য্য চাবলৈ পোৱাটো বৰ টান। কষ্টও হয়। কিন্তু সেই সৌন্দৰ্য্য উপভোগ কৰাৰ সময়ত ভাগৰ, কষ্টবোৰ উৎসাহ-আনন্দত পৰিণত হয়। 'গড়ভাঙা ৰিজাৰ্ভ ফৰেষ্ট'ৰ পৰা উভতি আহিবলৈ মোৰ একেবাৰেই ইচ্ছা নাছিল। ❖

# হৰ্ষিণী কান্হেকাৰ

■ **দোকমোকালি গোস্বামী**
ষষ্ঠ শ্ৰেণী



জীৱনত অসম্ভৱকো সম্ভৱ কৰি তোলা লোক বিশ্বত অনেক আছে। সেই লোকসকলে কেতিয়াবা নিজৰ প্ৰচেষ্টাত ইতিহাস ৰচিব পাৰে। এনে অসম্ভৱকো সম্ভৱ কৰিবলৈ প্ৰয়োজন আত্মবিশ্বাস, একাগ্ৰতা তথা সাহসৰ। তেনে এক ব্যতিক্ৰমী নাৰী হৈছে হৰ্ষিণী কান্হেকাৰ (Harshini Kanhekar)। পুৰুষে কৰিব পৰা কাম নাৰীয়েও কৰিব পাৰে। পাছে এটা সময়ত বহুতো কাম নাৰীক কৰিবলৈ দিয়া হোৱা নাছিল। সেয়া আছিল সেই সমাজৰ নিয়ম। সেই নিয়ম উলংঘা কৰিলে ঘৰখনক বা ব্যক্তিজনক এঘৰীয়া কৰা হৈছিল। ইয়াৰ বাহিৰেও অন্যান্য বহুতো শাস্তি বিহা হৈছিল।

হৰ্ষিণী কান্হেকাৰৰ জন্ম হৈছিল মহাৰাষ্ট্ৰৰ নাগপুৰত। সৰুৰে পৰা তেওঁৰ মনত বহুতো ব্যতিক্ৰমী চিন্তাই বাহ লৈছিল। সেয়েহে হয়তো তেওঁ হ'ব পাৰিছিল ভাৰতৰ প্ৰথমগৰাকী মহিলা অগ্নিযোদ্ধা (firefighter) অগ্নিযোদ্ধা মানে হ'ল অগ্নি নিৰ্বাপন কৰা কৰ্মী। কোনো স্থানত জুই লাগিলে তেওঁলোকে তাক নিৰ্বাপন কৰি মানুহৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰে।

হৰ্ষিণী কান্হেকাৰে শিক্ষা গ্ৰহণ কৰিছিল নাচিকৰ এখন স্কুলত। আনহাতে তেওঁ অ'মৈন অমৃতাবাঈ ডাগা কলেজৰ পৰা বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰে। কান্হেকাৰে পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আৰু গণিত বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰিছিল। ২০০২ চনত তেওঁ নেছনেল ফায়াৰ ছাৰ্ভিচ কলেজলৈ (National Fire Service Collage, NFSC) অধ্যয়ন কৰিবলৈ যায়। তেতিয়ালৈ কোনো ছোৱালীয়েই ফায়াৰ ইঞ্জিনিয়াৰিং কোৰ্ছ পঢ়িবলৈ আগ বাঢ়ি অহা নাছিল। পাছে সাহসী, আত্মবিশ্বাসী হৰ্ষিণীয়ে তাতেই পঢ়াৰ সিদ্ধান্ত লৈছিল।

২০০৬ চনত তেওঁ গুজৰাটৰ মেহচানা ফায়াৰপ্লেচ ষ্টেছনত চাকৰি জীৱন আৰম্ভ কৰে। যি সময়ত দেশৰ আন নাৰীসকলে এনে কাম কৰিবলৈ সাহস নকৰিছিল, সেই সময়ত হৰ্ষিণীয়ে সাহসেৰে নিজৰ সপোন গঢ়িছিল।

নিজৰ কৰ্মৰ বাবে হৰ্ষিণী কান্হেকাৰে বহুতো পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। তাৰ ভিতৰত 'ফাৰ্ষ্ট লেডী', 'ৱ'মেন ট্ৰান্সফৰ্মিং ইণ্ডিয়া', 'ভাৰত কি লক্ষ্মী' আদি উল্লেখযোগ্য।

উল্লেখযোগ্য যে হৰ্ষিণী আৰু তেওঁৰ স্বামী প্ৰণীশ উৰানকাৰ প্ৰখ্যাত বাইকাৰ। দুয়োৰে লেহ লাডাখ খাৰডুং লাপাছৰ পৰা কাৰ্গিললৈ বাইকেৰে ভ্ৰমণ কৰাৰো কৃতিত্ব অৰ্জন কৰিছে।

হৰ্ষিণীয়ে দেশৰ নাৰীসকলক কোনো এটা কামত আগ বাঢ়ি যাবলৈ প্ৰেৰণা যোগাইছিল। তেওঁ নিজৰ শিক্ষা সম্পৰ্কে কৈছিল, "সেই মুহূৰ্তটো মোৰ জীৱনৰ সোণালী মুহূৰ্ত আছিল। নামভৰ্তিৰ বাবে প্ৰ-পত্ৰখন কিনাৰ সময়ত মই গম পোৱা নাছিলোঁ যে প্ৰতিষ্ঠানখনত ছোৱালী এজনী পঢ়াৰ ইতিহাস একেবাৰে নাই।" ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ দিওঁতাসকল, জুন, ২০২৫

পল ভৰালী (সপ্তম গ), অংশুমান কুমাৰ (সপ্তম ঘ)। ❖

## Did You Know

# The Skeleton Flower: Nature's Transparent Wonder

■ **Pallavi Dutta**



The Skeleton Flower, scientifically known as *Diphylleiagrayi*, is a rare and magical plant that grows in the cool, damp woodlands of Japan, China, and the Appalachian Mountains in the USA. It is known for an extraordinary characteristic—its delicate white petals turn transparent when wet.

This perennial plant blooms in late spring to early summer, thriving in shaded, moist environments. It produces large umbrella-like green leaves and small clusters of white flowers that, while beautiful when dry, reveal their magic during rainfall.

The scientific explanation behind this transformation lies in light refraction. The petals of the Skeleton Flower are extremely thin and pigment-free, appearing white due to air pockets that scatter light. When water fills these spaces, the refractive index of water matches that of the petal tissue, allowing light to pass through. As a result, the petals become transparent. Once dry, air returns, and the flowers regain their original white hue.

Symbolically, the Skeleton Flower represents transformation, fragility, and hidden strength, making it both a scientific marvel and a poetic symbol of nature's subtle complexity.

The Skeleton Flower is not just a plant—it's a captivating example of how nature blends simplicity with magic in the most unexpected ways. ❖

# Naga Cave: Thailand's Mystical Serpent-like Wonder

Tucked away in the Phu Langka National Park in the Bueng Kan Province of northeastern Thailand lies the Naga Cave—famous for its serpent-like rock formations that resemble the scaly skin of a giant snake. The cave derives its name from the mythical Naga, a serpent deity revered in Thai and Hindu-Buddhist mythology. This belief has turned the site into a place of spiritual importance, attracting pilgrims, tourists, and mystics alike.

The most striking feature of Naga Cave is a massive rock formation that appears to have perfectly patterned scales, stretching along the forest floor like the petrified body of a serpent.

From a geological perspective, scientists suggest that the unusual scaly patterns are likely the result of natural weathering and erosion of sandstone over thousands of years. However, the remarkable resemblance to snake scales continues to inspire awe and mystery.

Whether seen through the lens of science or spirituality, Naga Cave is one of Thailand's most intriguing natural wonders, blending myth, geology, and mysticism into a surreal experience for all who visit. ❖

## Stories from World Classics

# Frankenstein

■ Neha Bora

*(continued from June Issue)*




While Victor searches the house and grounds, the Creature strangles a screaming Elizabeth to death. From the window, Victor sees the Creature, who tauntingly points at Elizabeth's corpse; Victor tries to shoot him, but the Creature escapes.

Days pass by and Victor's father Alphonse, weakened by age and by the death of Elizabeth, dies a few days later. Outraged and frustrated, seeking revenge, Victor pursues the Creature across Europe and Russia, though his adversary stays one step ahead of him at all times. Like this, the chase continues.

Eventually, the chase leads to the Arctic Ocean and then on towards the North Pole, and Victor reaches a point where he is within a mile of the Creature, but he collapses from exhaustion and hypothermia. Eventually the ice around Victor's sledge breaks apart, and the resultant ice floe comes within range of Walton's ship.

***Captain Walton's conclusion:***

A few days after the Creature's vanishing, the ship is trapped by pack ice for a second time, and several crewmen die in the cold before the rest of Walton's crew insists on returning south once it is freed. Upon hearing the crew's demands, Victor is angered and, despite his condition, gives a powerful speech to them, reminding them that it is hardship and danger, not comfort, that defines a glorious undertaking such as theirs. However, although the speech makes an impression on the crew, it is not enough to change their minds. Knowing that continuing on would surely result in mutiny, Walton agrees to abandon the voyage and return home, but Victor, despite his condition, declares that he will continue to hunt the Creature, adamant that he must be killed.

Victor dies shortly thereafter, telling Walton, in his last words, to seek "happiness in tranquility and avoid ambition" but then refuting this, speculating that some other scientist might succeed where he has failed. Walton discovers the Creature on his ship, mourning over Victor's body. The Creature tells Walton that Victor's death has not brought him peace; rather, his crimes have made him even more miserable than Victor ever was. The Creature vows to burn himself on a funeral pyre so that no one else will ever know of his existence. Walton watches as the Creature drifts away on an ice raft, never to be seen again. ❖

*(The end)*

# কুইজ

■ **দীপাংকৰ কৌশিক**

১। ‘বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি’—এটা বিখ্যাত অসমীয়া কবিতা। এই কবিতাটোৰ কবিগৰাকীয়ে ১৯৭৯ চনত কোনটো বিশিষ্ট বঁটা লাভ কৰিছিল?

২। বিজয় হাজাৰে, সুনীল গাভাস্কাৰ, দিলীপ ভেংচৰকাৰ, বিৰাট কোহলীৰ সৈতে শেহতীয়াকৈ সংযোগ হৈছে শুভমন গীলৰ নাম। ইয়াৰ কাৰণটো কি?

৩। ‘মইনাহঁতৰ পদ্য’ৰ বাবে বিশিষ্ট শিশু-সাহিত্যিক সুৰেন্দ্ৰ মোহন দাসে এইবাৰ সাহিত্য অকাডেমিৰ শিশু-সাহিত্য বঁটা লাভ কৰিছে। অসমৰে সুপ্ৰকাশ ভূঞাই তেওঁৰ গল্পপুথিৰ বাবে সাহিত্য অকাডেমিৰ যুৱ বঁটা লাভ কৰিছে। কোনখন গল্পপুথিৰ বাবে তেওঁ এই বঁটা লাভ কৰিছে?

৪। হৰিপ্ৰসাদ চৌৰাচিয়া যদি বাঁহীৰ বাবে হয়, ওস্তাদ জাকিৰ হুছেইন যদি তবলাৰ বাবে হয়, তেনেহ’লে পণ্ডিত শিৱকুমাৰ শৰ্মা কিহৰ বাবে হ’ব?

৫। ‘এ নেটিভ’ ছদ্মনামত কোনগৰাকী প্ৰসিদ্ধ অসমীয়াই লেখামেলা কৰিছিল?

৬। ভাৰত আৰু ইংলণ্ডৰ মাজত ইংলণ্ডত অনুষ্ঠিত টেষ্ট ছিৰিজত বিজয়ী দলক ২০০৭ চনৰ পৰা পাটাউডি ট্ৰফী প্ৰদান কৰা হৈছিল। চলিত বৰ্ষৰ পৰা এই ট্ৰফীৰ নতুন নামকৰণ কৰা হয়। নামটো কি বাৰু?

৭। ‘ডেকা অসম’—অসম সংৰক্ষিণী সভাৰ সাপ্তাহিক মুখপত্ৰ। কোনগৰাকী প্ৰখ্যাত অসমীয়াই এইখন সম্পাদনা কৰিছিল?

৮। অষ্ট্ৰেলিয়াৰ বিজ্ঞানী ড° ডেভিদ ৱাৰেনে ১৯৫৪ চনত কি উদ্ভাৱন কৰিছিল?

৯। Early History of Kamrupa—এই গ্ৰন্থখন কোনগৰাকী বিশিষ্ট অসমীয়াই লিখিছিল?

১০। লেৰাটানা অসমৰ কোনটো জনগোষ্ঠীৰ লোকনৃত্য?

১১। এই দেশখনত প্ৰায় ১৮৮,০০০টা হ্ৰদ আছে। সেইবাবে দেশখনক কোৱা হয় ‘হাজাৰ হ্ৰদৰ দেশ’ নামেৰে। দেশখনৰ নাম কি?

১২। ২০০১ চনত এছিয়াৰ ন’বেল বঁটা খ্যাত মেগছেছে বঁটা লাভ কৰা ভাৰতৰ ৰাজেন্দ্ৰ সিঙে ২০১৫ চনত লাভ কৰিছিল ষ্টকহ’ম ৱাটাৰ প্ৰাইজ (Stockholm Water Prize)। কি অভিধাৰে তেওঁ অধিক পৰিচিত?

১৩। কোনো লোকৰ মৃত্যু হ’লে মৃতকৰ ওচৰত সম্বন্ধীয় তিৰোতাসকলে ‘গাৰছিমাং’ বুলি কবিতাৰ দৰে ছন্দ থকা বাক্যৰে সুৰ লগাই বিলাপ কৰি গীত গায়। কোনটো জনগোষ্ঠীয়ে বাৰু এই ‘গাৰছিমাং’ পৰিবেশন কৰে?

১৪। স্পেইনৰ কাৰ্লোছ আলকাৰাজ যদি লন টেনিছ খেলুৱৈ হয়, তেন্তে বৰ্তমান চৰ্চাত থকা ছুইডেনৰ আৰ্মাণ্ড ডুপ্লান্টিছ কি খেলৰ সৈতে জড়িত?

**চিত্ৰ সংকেত**

১৫। এইগৰাকী বিখ্যাত সাহিত্যিকৰ নাম কি? ❖



## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ, জুন, ২০২৫

১। ড° জয়ন্ত নাৰ্লিকাৰ

২। জ্ঞানদা কাকতী

৩। শচীন তেণ্ডুলকাৰ

৪। পডগোৰিচা (Podgorica) মণ্টেনেগ্ৰ’ৰ ৰাজধানী

৫। ভোলানাথ বৰুৱা ❖

# চেনাবৰ ৰেলৰ দলং

■ মানসজ্যোতি শইকীয়া



উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰেল লিংক (USBRL) সম্পূৰ্ণ হোৱাৰ লগে লগে ভাৰতীয় ৰেলৰ আন্তঃগাঁথনিৰ এক ঐতিহাসিক অধ্যায়ৰ সূচনা হ'ল। কাটৰা-সংগলদান সংযোগী ৰেলপথৰ উদ্বোধনৰ লগে লগে অৱশেষত ৰেলপথৰ জৰিয়তে কাশ্মীৰ উপত্যকাক ভাৰতৰ বাকী অংশৰ সৈতে সংযোগ কৰাৰ সপোন বাস্তৱায়িত হ'ল। ২৭২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ৰেলপথছোৱাই পৃথিৱীৰ আটাইতকৈ বেছি উচ্চতাত থকা ৰেলপথ।

২০০২ চনত অনুমোদিত এই প্ৰকল্পৰ মূল লক্ষ্য আছিল কাশ্মীৰ উপত্যকাক ভাৰতীয় ৰেলৰে জালিকাৰ সৈতে সংযোগ কৰা। ঠেক গিৰিখাত, ভূমিকম্পৰ আশংকা, বছৰৰ বেছিভাগ সময় বৰফেৰে আবৃত তথা অত্যন্ত ভূমিস্খলন প্ৰৱণ এই অঞ্চলত এনেকুৱা প্ৰকল্প ৰূপায়ণ কৰিবলৈ অপৰিসীম অভিযান্ত্ৰিক প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল। ২০04 চনতে আধাৰশিলা স্থাপন কৰা হৈছিল যদিও কাৰিকৰী, নিৰাপত্তা, আৰু পৰিবেশগত প্ৰত্যাহ্বানৰ বাবে ২০২৫ চনৰ ৬ জুনতহে কাটৰাৰ পৰা সংগলদানলৈকে পথছোৱা শুভ উদ্বোধন কৰিব পৰা হয়।

এই প্ৰকল্পৰ অন্তৰ্গত চেনাব ৰেল সেতু ধেনুভিৰীয়াকৈ নিৰ্মিত ষ্টীল আৰু কংক্ৰিটৰ তোৰণসদৃশ দলং। ৰিয়াছি জিলাত অৱস্থিত চেনাব নদীৰ সীমনাৰ গিৰিখাতৰ ওপৰত ১,৩১৫ মিটাৰ (৪,৩১৪ ফুট) দৈৰ্ঘ্যৰ এই সেতুখন অৱস্থিত। মূল সেতুখনত ৫৩০ মিটাৰ (১,৭৪০ ফুট) দৈৰ্ঘ্যৰ এখন প্ৰবেশ সেতু আৰু ৭৮৫ মিটাৰ (২,৫৭৫ ফুট) দৈৰ্ঘ্যৰ এখন ধেনুভিৰীয়াকৈ নিৰ্মিত সেতু আছে। নদীৰ তলৰ পৰা ৩৫৯ মিটাৰ (১,১৭৮ ফুট) উচ্চতাৰ ডেকৰ সৈতে এই সেতুখন বিশ্বৰ সৰ্বোচ্চ উচ্চতাৰ ৰেল সেতু, যি পেৰিছৰ আইফেল টাৱাৰতকৈও ওখ। এই সেতু জম্মু-বাৰামুলা ৰেলপথৰ কৌৰী আৰু বাক্কাল ৰেল ষ্টেছনৰ মাজত অৱস্থিত। এই অঞ্চলত ঘণ্টাত ২০০ কিলোমিটাৰৰো অধিক বেগী বতাহৰ চাপৰ বিৰুদ্ধে স্থিৰতা নিশ্চিত কৰিবলৈ দুটা ৰিবযুক্ত তোৰণৰ ডিজাইন প্ৰস্তুত কৰা হৈছিল। তদুপৰি শীতকালত -২০ ডিগ্ৰী ছেলছিয়াছৰ পৰা গ্ৰীষ্মকালত ৪০ ডিগ্ৰী ছেলছিয়াছলৈকে অতি উষ্ণতা সহ্য কৰিবলৈ বিশেষ জাৰণ প্ৰতিৰোধী তীখা ব্যৱহাৰ কৰা হৈছিল। ৰিখটাৰ স্কেলৰ ৮ পৰ্য্যন্ত ভূমিকম্প আৰু উচ্চ তীব্ৰতাসম্পন্ন বিস্ফোৰণ সহ্য কৰিব পৰাকৈ এই দলংখন নিৰ্মাণ কৰা হৈছে। সেতুখন নিৰ্মাণ কৰোঁতে মুঠ ব্যয় হৈছে ১৪৮৬ কোটি টকা (১৮০ মিলিয়ন আমেৰিকান ডলাৰ)।

চেনাব সেতুৰ জিলিকি থকা তীখাৰ গঠনটোৰ আঁৰত হাজাৰ হাজাৰ শ্ৰমিক আৰু অভিযন্তাৰ অক্লান্ত প্ৰচেষ্টা লুকাই আছে। ২৮ হাজাৰ মেট্ৰিক টনতকৈ অধিক তীখা আৰু এক কোটি মানৱ ঘণ্টা (man-hour) এই সেতুখন নিৰ্মাণৰ কামত ব্যৱহৃত হৈছিল। প্ৰতিকূল বতৰত, পৰিয়ালৰ পৰা আঁতৰত আৰু সাগৰপৃষ্ঠৰ পৰা বহু উচ্চতাত, অক্সিজেনৰ অভাৱত মূৰ ঘূৰোৱা পৰিবেশত শ্ৰমিকসকলে কষ্ট কৰি নিৰ্মাণ কাৰ্য্য আগুৱাই নিছিল।

"আৰম্ভণিতে ইয়াত ৰাস্তা-ঘাট একো নাছিল। আমি জৰীপ কৰিছিলোঁ—কেনেকৈ ৰাস্তা সাজিব পাৰোঁ, কেনেকৈ সঁজুলিবোৰ দলঙৰ ঠাইলৈ লৈ যাব পাৰোঁ, আমি খোজ কাঢ়ি, খচ্চৰ আৰু পনিত উঠি যাত্ৰা

কৰিছিলোঁ। আনকি ৰাতি শিলৰ ওপৰত শিবিৰ পাতিছিলোঁ। মই সুদূৰ মহীশূৰৰ ল'ৰা, হিমালয়ৰ ভয়ংকৰভাৱে ওখ অঞ্চলত থলুৱা নিবাসীৰ মাজত নিজকে বহিঃ গ্ৰহৰ প্ৰাণী যেন অনুভৱ হৈছিল।" এই মন্তব্য কৰা মহীশূৰৰ ল'ৰাজন হৈছে এল প্ৰকাশ, যিয়ে কংকন ৰেলৱেৰ উধামপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰেল লিংক প্ৰকল্পৰ মুখ্য অভিযন্তা হিচাপে ৰাস্তা-ঘাট বিস্তাৰৰ দায়িত্ব লৈছিল। প্ৰকল্পৰ লগত জড়িত কিছুসংখ্যক কৰ্মচাৰী ১২ বছৰৰো অধিক সময় ঘৰৰ পৰা দূৰত আছিল। তেওঁলোকৰ ভাষাৰে "যোৱা ১২ বছৰে চেনাবেই আমাৰ জীৱন, চেনাবেই আমাৰ আহাৰ, চেনাবেই আমাৰ উশাহ।" (For 12 years, we ate, lived, breathed the Chenab)

চেনাবৰ ৰেলৰ সেতুৱে জম্মু-কাশ্মীৰ উপত্যকাৰ এই দুৰ্গম অঞ্চলটোত এক আৰ্থ-সামাজিক প্ৰগতিৰ সূচনা কৰিলে। ৰামবন জিলাৰ চুম্বাৰ গাঁৱৰ উদাহৰণকে লোৱা হওক। স্বাধীনতাৰ প্ৰায় ৭টা দশকৰ পাছতো এই গাঁৱত যাতায়াতৰ বাবে কোনো উপযুক্ত পথ নাছিল, পাইপযুক্ত পানী নাছিল, আনকি বিদ্যুতেও লুকাভাকুহে খেলিছিল। মৌলিক স্বাস্থ্যসেৱা বা বজাৰ কৰিবলৈ গাঁৱৰ মানুহে প্ৰায়ে ঘণ্টাৰ পাছত ঘণ্টা খোজ কাঢ়িবলগীয়া হৈছিল। এতিয়া ওচৰতে এটা ৰেল ষ্টেছন নিৰ্মাণৰ হোৱাৰ ফলত কথাবোৰ বহু পৰিমাণে সলনি হৈছে। গাঁওখনলৈ আহিল বিদ্যুৎ আৰু পাইপৰ পানী। ষ্টেছনৰ ওচৰতে দোকান, টেক্সি সেৱা আদি ব্যৱসায়ৰ সম্ভাৱনাৰ সৃষ্টি হ'ল।

এসময়ত ৰেল এখন দেখাৰ কথা কল্পনাও নকৰা গাঁৱৰ মানুহে এতিয়া মাত্ৰ ৩৫ মিনিটতে কেৱল ১০ টকা খৰচ কৰি ৰেল যাত্ৰাৰে বানিহাললৈ যাব পাৰে—যি যাত্ৰাত আগতে চাৰি ঘণ্টা লাগিছিল আৰু ৫০০ টকাৰো অধিক খৰচ হৈছিল ।

দশক দশক ধৰি বহু কাশ্মীৰীয়ে ভাৰতৰ মূল ভূখণ্ডৰ পৰা বিচ্ছিন্ন অনুভৱ কৰিছিল। আন্তঃগাঁথনিৰ অভাৱে বিচ্ছিন্নতাৰ অনুভূতি বৃদ্ধি কৰিছিল। ৰেলপথ কাৰ্য্যক্ষম হোৱাৰ লগে লগে জম্মু-কাশ্মীৰৰ মানুহে এতিয়া অধিক সংযুক্ত অনুভৱ কৰিছে। সেয়েহে উদ্বোধনী ভাষণৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে মন্তব্য কৰিছিল যে—"এই ৰেলপথ কেৱল দলং আৰু ৰেলপথৰ সমাহাৰ নহয়; এয়া এক হৃদয় সংযোগ। এতিয়া ইয়াৰ গাঁৱৰ লোকেও নিজকে বৃহত্তৰ ভাৰতৰ অংশ বুলি অনুভৱ কৰিব পাৰিব।" ❖

# লোকপিয়ল

■ অপৰ্ণা দেৱী

লোকপিয়ল শব্দটো জনসংখ্যাৰ লগত জড়িত। লোকপিয়লৰ ইংৰাজী প্ৰতিশব্দ হৈছে চেন্সাছ (census)।

লোকপিয়ল হৈছে এটা নিৰ্দিষ্ট সময়ত কোনো নিৰ্দিষ্ট অঞ্চলত বাস কৰা সকলো লোকৰ জনগাঁথনিগত, অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰ বা দিশৰ তথ্য সংগ্ৰহ, সংকলন, বিশ্লেষণ আৰু প্ৰকাশৰ এক প্ৰক্ৰিয়া। এখন দেশত থকা জনসংখ্যা সম্পৰ্কীয় সকলো তথ্য সংগ্ৰহ কৰাৰ এটা নিৰ্ভৰযোগ্য প্ৰক্ৰিয়া হৈছে লোকপিয়ল।

এখন দেশৰ জনসংখ্যা গণনা কৰিবলৈ হ'লে প্ৰথমতে গাঁওসমূহত সেই গণনা আৰম্ভ কৰিব লাগিব। গাঁৱৰ পাছত নগৰ, জিলা, ৰাজ্যসমূহত জনসংখ্যা গণনা কৰিব লাগিব। সেইদৰে জনসংখ্যা গণনা কৰাকে লোকপিয়ল বোলে। বিভিন্ন পৰ্য্যায়ৰ মাজেৰে এখন দেশৰ জনসংখ্যা গণনা কৰা লোকপিয়ল এক নিৰ্দিষ্ট সময়ৰ মূৰে মূৰেহে কৰা হয়। আমাৰ দেশত প্ৰতি দহ বছৰৰ মূৰে মূৰে লোকপিয়ল কৰা হয়। ভাৰতবৰ্ষত ২০১১ চনত শেহতীয়া লোকপিয়ল কৰা হৈছিল। নিয়ম

মতে ২০২১ চনত ভাৰতত লোকপিয়ল হ'ব লাগিছিল যদিও ক'ভিড-১৯ মহামাৰীৰ বাবে সেয়া সম্ভৱ হৈ নুঠিল। ২০২০ চনৰ ক'ভিডসৃষ্ট পৰিৱেশৰ প্ৰভাৱৰ বাবে ২০২১ চনৰ লোকপিয়ল গণনা স্থগিত ৰাখিবলগীয়া হয়। বৃটিছৰ শাসনকালত আৰম্ভ হোৱা লোকপিয়ল ১৮৮১ চনত প্ৰথমবাৰৰ বাবে পূৰ্ণ পৰ্য্যায়ত অনুষ্ঠিত হয়। সেই লোকপিয়লৰ কমিছনাৰ আছিল ডব্লিউ চি প্ল'ডেন (W.C. Plowden)। লোকপিয়লৰ ইতিহাসত ২০২১ চনতেই পোনপ্ৰথমবাৰৰ বাবে দহ বছৰৰ মূৰে মূৰে অনুষ্ঠিত হোৱা লোকপিয়ল স্থগিত ৰাখিবলগীয়া হয়। সম্পূৰ্ণ ১৬ বছৰৰ বিৰতিৰ পাছত ২০২৬ চনত আমাৰ দেশত পুনৰ লোকপিয়লৰ যাত্ৰা আৰম্ভ কৰা হ'ব। ২০২৬ চনৰ লোকপিয়ল হ'ব আৰম্ভণিৰ পৰা ১৬ নম্বৰ লোকপিয়ল আৰু আমাৰ দেশৰ স্বাধীনতাৰ পাছৰ অষ্টমটো লোকপিয়ল। গৃহ মন্ত্ৰালয়ে ঘোষণা কৰা মতে এইবেলি দুটা পৰ্য্যায়ত দেশজুৰি লোকপিয়ল অনুষ্ঠিত হ'ব। প্ৰথম পৰ্য্যায়ত গৃহ তালিকাভুক্তকৰণৰ কাম (house listing) আৰু লাডাখৰ দৰে হিমালয় অঞ্চলৰ লোকপিয়লৰ কাম ২০২৬ চনৰ ১ অক্টোবৰৰ পৰা আৰম্ভ হ'ব। দ্বিতীয় পৰ্য্যায়ত ২০২৭ চনৰ ১ মাৰ্চৰ পৰা জাতিগত গণনাসহ (caste census) লোকপিয়ল আৰম্ভ হ'ব। ১৯৩১ চনৰ পাছৰ পৰা ভাৰতত এতিয়ালৈকে জাতিভিত্তিক লোকপিয়ল হোৱা নাছিল। সুদীৰ্ঘ ৯৪ বছৰ পাছত বৰ্তমানৰ চৰকাৰে জাতিভিত্তিক লোকপিয়ল কৰাৰ সিদ্ধান্ত লৈছে। আগন্তুক লোকপিয়ল ডিজিটেল মাধ্যমৰ জৰিয়তে (ম'বাইল এপ ব্যৱহাৰৰ যোগেদি) সম্পাদন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জনসাধাৰণৰ সেৱাত গণনাকাৰীৰ সেৱাও (self enumeration) অব্যাহত থাকিব। তথ্য সংগ্ৰহ, তথ্য সংগঠন, তথ্য পৰিচালনা, তথ্য মজুতকৰণ আদিৰ




ক্ষেত্ৰত শক্তিশালী সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি এক বিবৃতিত গৃহ মন্ত্ৰালয়ে উল্লেখ কৰিছে। লোকপিয়লৰ সমগ্ৰ প্ৰক্ৰিয়াত ৩৮ লাখ গণনাকাৰী, ছুপাৰভাইজাৰ নিয়োজিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা জানিব পৰা গৈছে। ভাৰতৰ বৰ্তমান লোকপিয়ল কমিছনাৰ হ'ল মৃত্যুঞ্জয় কুমাৰ নাৰায়ণ।

লোকপিয়লৰ মূল উদ্দেশ্য হৈছে দেশৰ জনসংখ্যাৰ আকাৰ, বিতৰণ আৰু বৃদ্ধিৰ তথ্য সংগ্ৰহ কৰা। জনসংখ্যাৰ বয়স, লিংগ, সাক্ষৰতা, বৃত্তি, ধৰ্ম, ভাষা আদিৰ তথ্য সংগ্ৰহ কৰা হয়। লোকপিয়লৰ তথ্যসমূহৰ গোপনীয়তা আইনৰ দ্বাৰা বজাই ৰখা হয়। লোকপিয়লৰ সময়ত তালিকাভুক্ত বাসগৃহলৈ গৈ প্ৰশিক্ষিত কৰ্মীয়ে তথ্য সংগ্ৰহ কৰে।

লোকপিয়লৰ তথ্যসমূহে চৰকাৰক শিক্ষা, স্বাস্থ্যসেৱা, গৃহ নিৰ্মাণ, পৰিবহণ আৰু জনকল্যাণমূলক আঁচনিৰ পৰিকল্পনা কৰিবলৈ সহায় কৰে। লোকপিয়লৰ তথ্যই সম্পদ আবণ্টনৰ ক্ষেত্ৰতো সহায় কৰে। লোকপিয়লৰ তথ্যই নিৰ্বাচনী সীমা (সীমা নিৰ্ধাৰণ) ন্যায্যভাৱে অংকন কৰাত সহায় কৰে। লোকপিয়লৰ তথ্যৰ সহায়ত লোকসভা, ৰাজ্যিক বিধানসভাৰ আসনৰ সংখ্যা নিৰ্ণয় কৰা হয়। গাঁও, মাটি আৰু বৃত্তিৰ বিষয়ে তথ্যই গ্ৰাম্য আৰু কৃষি উন্নয়নৰ কাৰ্য্যসূচী গ্ৰহণ কৰাত চৰকাৰক সহায় কৰে। লোকপিয়লে কম সাক্ষৰতাৰ হাৰ থকা অঞ্চলসমূহ চিনাক্ত কৰে আৰু কেন্দ্ৰীভূত শৈক্ষিক পদক্ষেপ আৰম্ভ কৰাত সহায় কৰে। লোকপিয়ল গৱেষণা আৰু শিক্ষাৰ বাবে অতি উপযোগী। লোকপিয়লৰ তথ্যই এখন দেশক আন এখন দেশৰ সৈতে নিজৰ অগ্ৰগতি তুলনা কৰাত সহায় কৰে। জনসাধাৰণৰ সঁহাৰি তথা গণনাকাৰীৰ বলিষ্ঠ ভূমিকা আৰু চৰকাৰৰ সঠিক পদক্ষেপে লোকপিয়লৰ মান উন্নত কৰাত সহায় কৰে। ❖

# চমাংকান উৎসৱ

■ হিমাশ্ৰী ডেকা



কাৰ্বি জনগোষ্ঠীৰ নিজস্ব সংস্কৃতি, পৰম্পৰা আৰু উৎসৱৰ এক সুদীৰ্ঘ ঐতিহ্য আছে। এই জনগোষ্ঠীৰ সকলোতকৈ গুৰুত্বপূৰ্ণ আৰু বৈশিষ্ট্যমণ্ডিত ধৰ্মীয় উৎসৱ হৈছে চমাংকান উৎসৱ। চমাংকান মূলতঃ কাৰ্বি জনগোষ্ঠীৰ মৃতকৰ আত্মাৰ শান্তিৰ উদ্দেশ্যে আয়োজন কৰা এক ধৰ্মীয় অনুষ্ঠান। এই উৎসৱৰ মূল উদ্দেশ্য হ'ল মৃতকৰ আত্মাৰ সদগতি কামনা কৰা আৰু সমাজৰ পৰম্পৰাগত নিয়ম-নীতি ৰক্ষা কৰা। কাৰ্বিসকলে ধৰ্মীয় বিশ্বাস অনুসৰি আত্মাৰ মুক্তি আৰু পুনৰ্জন্মৰ বিষয়টোত গুৰুত্ব দিয়ে।

থিৰেং ৰাংৰেং নামৰ মহান মনীষী এজনে কাৰ্বিসকলৰ মাজত চমাংকান বা চমকান উৎসৱৰ (শ্ৰাদ্ধ) প্ৰবৰ্তন কৰিছিল। লোকবিশ্বাস অনুসৰি থিৰেং ৰাংৰেঙৰ প্ৰকৃত নাম আছিল হায়া বে। মৰমৰ পত্নীগৰাকীৰ অকালতে বিয়োগ হোৱাৰ ফলত শোকাতুৰ হায়া বেই মৃত পত্নীৰ হাত-বাউলিত ইপুৰীৰ পৰা যমলোকলৈ প্ৰায়েই অহা-যোৱা কৰিছিল। ইপুৰীৰ পৰা সিপুৰীলৈ হায়া বেই অনায়াসে অহা-যোৱা কৰিব পৰা বাবে তেওঁৰ নাম থিৰেং ৰাংৰেঙলৈ ৰূপান্তৰিত হয়। অৰ্থাৎ থি মানে 'মৃত', ৰেং মানে 'জীৱিত' আৰু ৰাং মানে 'অহা'।

চমাংকান উৎসৱ বছৰৰ যিকোনো সময়তে পালন কৰা হয়। মৃতকৰ আত্মাৰ চিৰশান্তি কামনা কৰি চমাংকান বা শ্ৰাদ্ধ উৎসৱ চাৰিদিনৰ কাৰ্য্যসূচী লৈ উলহ-মালহেৰে পালন কৰা হয়।

চমাংকান উৎসৱ তিনি প্ৰকাৰে উদ্‌যাপন কৰা হয়। 'কান ফ্লা ফ্লা' (সাধাৰণভাৱে উদ্‌যাপিত শ্ৰাদ্ধ), লাংটুক চমাংকান (কুঁৱা খান্দি উদ্‌যাপন কৰা শ্ৰাদ্ধ) আৰু হাৰনে (বৃহৎ শ্ৰাদ্ধ)। নিজৰ আৰ্থিক সক্ষমতাৰ ওপৰত ভিত্তি কৰি কোনো লোকে এই তিনি প্ৰকাৰৰ মাজত যিকোনো এটা বাছি লৈ এই উৎসৱ পালন কৰিব পাৰে। কাৰ্বিসকলৰ বিধি-ব্যৱস্থা আৰু আইন-শৃংখলাসমূহ কিছু ক্ষেত্ৰত নমনীয় হোৱাৰ বাবে সামাজিক পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত কোনো পৰিয়ালে আৰ্থিকভাৱে সক্ষম হোৱালৈ ৰ'ব পাৰে। এই উৎসৱৰ উদ্‌যাপনৰ বাবে বৃহৎ পৰিমাণৰ অৰ্থৰ প্ৰয়োজন হয়।

চমাংকান উৎসৱৰ প্ৰথমদিনা ঢোলে-ডগৰে দুহুইদি (ঢোলৰ ওজা), ওচেপী আৰু পৰিয়াল-কুটুম্বৰ সৈতে বৃহৎ ৰাইজৰ অংশগ্ৰহণেৰে 'ৰ্‌ কেহুম' (মৰিশালিৰ পৰা মৃতকৰ অস্থি সংগ্ৰহ কৰা) অনুষ্ঠান পালন কৰা হয়। দ্বিতীয়দিনা 'কানছ' (লমু নাচ) আৰু তৃতীয়দিনাখন কাল পি (গুৰু নাচ) উদ্‌যাপন কৰা হয়। শেষৰদিনা বানজাৰ ককু (পাৰ্থিৰ সংস্কাৰ) নৃত্যৰে 'আৰং কেথন' (মৃতকৰ অস্থিসমূহ লৈ পুনৰ শ্মশানত নি দাহ কৰা) কাৰ্য্যৰে সমাপন কৰা হয়।

চমাংকান উৎসৱত 'ওচেপী'ৰ স্থান অতি গুৰুত্বপূৰ্ণ। ওচেপী মানে হ'ল বিশেষ বিলাপগীতি গোৱাত পটীয়সী মহিলা। এই গীতত মৃত্যুৰ মহত্ত্বৰ তাৎপৰ্য্যপূৰ্ণ বৰ্ণনা, চিৰবিদায়ৰ বাৰ্তা আৰু বিদেহ আত্মাৰ স্বৰ্গলৈ যাত্ৰা কৰাৰ এক আকৰ্ষণীয় বৰ্ণনা থাকে।

এই উৎসৱৰ সময়ত দেৱতাৰ সন্মানাৰ্থে পশু বলি দিয়া হয়। এই বলি মৃত ব্যক্তিৰ আত্মাক শান্তি দিয়া তথা প্ৰকৃতিক পূজা কৰাৰ বাবে দিয়া হয়। কাৰ্বিসকলৰ মতে এই বলি প্ৰথাই হ'ল দেৱতাৰ প্ৰতি কৃতজ্ঞতা প্ৰদৰ্শনৰ উপায়।

এই উৎসৱৰ অন্তত মৃত আত্মাৰ মুক্তি আৰু শান্তিৰ উদ্দেশ্যে সকলোৱে মিলি বিশেষ পূজা কৰে। এই সময়ত সমূহ গাঁওবাসীয়ে একেলগে উপবাস কৰে।

চমাংকান উৎসৱে সকলো পৰিয়ালৰ বাবে সমান গুৰুত্ব বহন কৰে। ই হ'ল নতুন প্ৰজন্মলৈ পৰম্পৰা আৰু ধৰ্মীয় সংস্কাৰৰ শিক্ষা প্ৰদানৰ মাধ্যম। ❖


■ ৰবীন্দ্ৰ বৰ্মন

**নিৰ্দেশনা :** তলৰ প্ৰশ্নসমূহত তিনিটাকৈ সমস্যা চিত্ৰ আৰু চতুৰ্থটোত এটা প্ৰশ্নবোধক চিহ্ন আছে। প্ৰথম দুটা চিত্ৰত যি ধৰণৰ সম্পৰ্ক আছে, তৃতীয় আৰু চতুৰ্থটোত সেই একে ধৰণৰ সম্পৰ্ক থাকিব। উত্তৰ চিত্ৰসমূহৰ পৰা চতুৰ্থ চিত্ৰটো নিৰ্ণয় কৰিব লাগে।

1. সমস্যা চিত্ৰ :




উত্তৰ চিত্ৰ :




a) b) c) d)

2. সমস্যা চিত্ৰ :




উত্তৰ চিত্ৰ :




a) b) c) d)

3. সমস্যা চিত্ৰ :




উত্তৰ চিত্ৰ :



a) b) c) d)

উত্তৰ : 1. (b) 2. (c) 3. (c)

# ইণ্টাৰনেটৰ হাট-বজাৰ : এমাজন, ফ্লিপকাৰ্ট ইত্যাদি

■ নিভা ৰাণী ৰায়

বৰ্তমান সময়ত মানুহৰ দৈনন্দিন জীৱনত বয়-বস্তু ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত অতি জনপ্ৰিয় আৰু অপৰিহাৰ্য্য হৈ পৰা এটা মাধ্যম হৈছে অনলাইন শ্বপিং (online shopping) বা ইণ্টাৰনেটৰ হাট-বজাৰ। আমাৰ সাতামপুৰুষীয়া হাট-পোহাৰৰ ধাৰণাৰ সৈতে আকাশ পাতাল প্ৰভেদ থকা এইবিধ মাধ্যম ব্যৱহাৰ নকৰা মানুহ আজিৰ দিনত এই অসম মুলুকতো বিচাৰি পাবলৈকে টান হ'ব হয়তো। কিয়নো এতিয়া গাঁৱে-ভূঞেও ইণ্টাৰনেটৰ বজাৰ সুলভ। চহৰ-মহানগৰততো কথাই নাই। ঘৰলৈ আলহী আহি বহাৰ পাছত গৃহস্থই ম'বাইল টিপি খাদ্য সম্ভাৰ অৰ্ডাৰ কৰাৰ নিচিনা কথাও এতিয়া তেনেই স্বাভাৱিক।




এদিন মানুহৰ হাতৰ মুঠিতেই ফোন এটা থাকিব আৰু বজাৰ কৰা কামটো তেতিয়া ঘৰত বহিয়েই সম্ভৱ হৈ উঠিব—এই চিন্তা মানুহৰ মনলৈ অহাৰ ইতিহাস তেনেই পুৰণি নহয়। কিন্তু আজিৰ অনলাইন শ্বপিঙৰ ধাৰণাটোৰ বয়স প্ৰায় পাঁচ দশক। ইণ্টাৰনেটৰ জৰিয়তে বস্তু বিক্ৰীৰ ধাৰণাটো উদ্ভাৱন কৰিছিল মাইকেল এলড্ৰিছ (Michael Aldris) নামৰ বৃটিছ আৱিষ্কাৰক, উদ্ভাৱক আৰু উদ্যমী ব্যক্তিগৰাকীয়ে ১৯৭৯ চনত। এটা কম্পিউটাৰ আৰু টেলিফোন লাইন সংযোজিত কৰি একে সময়তে তেওঁ বহুল ব্যৱহাৰোপযোগী ব্যৱস্থা এটা উদ্ভাৱন কৰি উলিয়াইছিল। ব্যৱসায়ী আৰু গ্ৰাহকৰ মাজত অনলাইন লেনদেনৰ প্ৰক্ৰিয়াকৰণৰ সুবিধাযুক্ত ই-কমাৰ্চৰ (e-commerce) প্ৰথমটো ৰূপ উদ্ভাৱন কৰিছিল এলড্ৰিছে।

যোৱাটো শতিকাৰ আশীৰ দশকৰ প্ৰথম ভাগত BBS অৰ্থাৎ বুলেটিন ব'ৰ্ড ছিষ্টেমসমূহে (Bulletin Board System), (ইণ্টাৰনেটত ৰাজহুৱা মেছেজ বা ফাইল বিনিময় কৰিবলৈ ব্যৱহাৰ কৰা এবিধ কম্পিউটাৰাইজড পদ্ধতি) ব্যৱহাৰকাৰীসকলক তথ্য সংযোগ আৰু বিনিময় কৰাৰ ব্যৱস্থা প্ৰবৰ্তন কৰাৰ লগতে বাণিজ্যৰ বাবে নেটৱৰ্কযুক্ত (network) কম্পিউটাৰৰ সম্ভাৱনাও প্ৰদৰ্শন কৰিছিল। অৱশ্যে গ্ৰাহকক প্ৰত্যক্ষভাৱে সামগ্ৰী বিক্ৰী কৰিব পৰাৰ পদ্ধতি তেতিয়াও সুচল হোৱা নাছিল। একেটা দশকৰ মাজভাগত কম্পিউছাৰ্ভ (compuserve) নামৰ কোম্পানীটোৱে ইলেক্‌ট্ৰনিক মেইল আৰু মেছেজ ব'ৰ্ডৰ দৰে সেৱা আগ বঢ়োৱা আৰম্ভ কৰে। পাছলৈ এই কোম্পানীটোৱে ইলেকট্ৰনিক মলৰ প্ৰবৰ্তন কৰি খুচুৰা বিক্ৰেতাক অন্তৰ্ভুক্ত কৰে।

এলড্ৰিছৰ উদ্ভাৱনৰ ঠিক দহ বছৰ পাছত ইণ্টাৰনেটে বিশ্বত হোৱা এক যুগান্তকাৰী আৱিষ্কাৰে ই-কমাৰ্চ বা অনলাইন শ্বপিঙৰ ধাৰণাটোক মজবুত হোৱাৰ ক্ষেত্ৰত ইতিহাস সৃষ্টিকাৰী ভূমিকা গ্ৰহণ কৰে। সেয়া হৈছে WWW অৰ্থাৎ ৱৰ্ল্ড ৱাইড ৱেবৰ (World Wide Web) আৱিষ্কাৰ। ১৯৮৯ চনত বৃটিছ কম্পিউটাৰ বিজ্ঞানী টিম বাৰ্নাৰ্ছ লীয়ে ইণ্টাৰনেটৰ যোগাযোগ ক্ষেত্ৰখনলৈ WWWৰ উদ্ভাৱনৰ জৰিয়তে এক অভাৱনীয় পৰিৱৰ্তন আনিবলৈ সক্ষম হয়। সময়ৰ লগে লগে ৱৰ্ল্ড ৱাইড ৱেবৰ বিকাশে অনলাইন শ্বপিং অধিক সুলভ আৰু ব্যৱহাৰকাৰীৰ বাবে সহজ কৰি তোলে। ইয়াৰ পাছত প্ৰথম নিৰাপদ অনলাইন খুচুৰা লেনদেন নেটমাৰ্কেট বা ইণ্টাৰনেট শ্বপিং নেটৱৰ্কৰ জৰিয়তে হোৱা বুলি ধাৰণা কৰা হয়।

১৯৯৪ চনত নেটস্কেপ (Netscape) নামৰ ৱেব ছাৰ্ভিচ কোম্পানীটোৱে Secure Sockets Layer চমুকৈ এছএছএল নামেৰে ইণ্টাৰনেট ছিকিউৰিটী প্ৰ'ট'কল (internet security protocol) প্ৰস্তুত কৰি উলিয়ায়। ই-কমাৰ্চৰ স্বত্বাধিকাৰসকলৰ বাবে এছএছএল প্ৰমাণপত্ৰ এক গুৰুত্বপূৰ্ণ নথি হিচাপে বিবেচিত হৈ পৰে। ১৯৯৫ চনটো ইণ্টাৰনেট হাট-বজাৰৰ ইতিহাসৰ অন্যতম উল্লেখযোগ্য এটা বৰ্ষ। এই বৰ্ষটোতে ইণ্টাৰনেট বজাৰৰ অনলাইন খুচুৰা বিক্ৰীৰ ক্ষেত্ৰত এক উল্লেখযোগ্য টাৰ্নিং পইণ্ট সৃষ্টিকাৰী এমাজন ডট কম (amazon.com) আৰু ইবে (eBay) নামৰ ছাইট দুটা আৰম্ভ হৈছিল। ক'বলৈ গ'লে এই ছাইট দুটায়েই আধুনিক ই-কমাৰ্চৰ ভেটি স্থাপন কৰিছিল। ২০০৩ চনত আলিবাবাৰ (alibaba) ছাইট Taobao আৰু ২০০৮ চনত Tmall নামৰ ছাইটটোৰ প্ৰচলন আৰম্ভ হয়।


ভাৰতত ই-কমাৰ্চৰ অভ্যুত্থান ঘটে বিগত শতিকাৰ নব্বৈ দশকৰ শেহৰ ফালে। ভাৰতত ইণ্টাৰনেটৰ প্ৰচলন আৰম্ভ হোৱাৰ পাছতেই অনলাইন ক্ৰয়-বিক্ৰয় আৰম্ভ হয় আৰু bazee.com নামৰ এটা নিলাম ছাইটৰ দ্বাৰা অনলাইন বেচা-কিনা জনপ্ৰিয় হৈ উঠে।

২০০২ চনত আইআৰচিটিচি (Indian Railway Catering and Tourism Corporation) অনলাইন ৰেলৰ টিকট বুকিং প্ৰবৰ্তন কৰাৰ লগে লগে ভাৰতত ইণ্টাৰনেট বজাৰে গতি লাভ কৰা বুলি ক'ব পাৰি। দেশত অনলাইন শ্বপিং জনপ্ৰিয় কৰাৰ দিশত ভাৰতীয় ৰেলৰ এই উদ্যোগে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল।

২০০০-২০১০ চনৰ দশকটোত স্মাৰ্টফোনৰ প্ৰচলন বৃদ্ধিৰ লগে লগে ম'বাইল শ্বপিং ক্ৰমান্বয়ে জনপ্ৰিয় হৈ উঠিল আৰু অনলাইন বজাৰসমূহে অভাৱনীয় প্ৰসাৰ লাভ কৰিলে। ক্ৰমান্বয়ে ন ন অনলাইন শ্বপিং এপৰ জন্ম হ'ল আৰু জনপ্ৰিয়তা বৃদ্ধিৰ লগে লগে এপবোৰে ক্ৰেতাক আকৰ্ষিত কৰিবলৈ নিত্যনতুন কৌশল ৰচনা কৰিবলৈ ধৰিলে। ২০১০ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সমস্ত খুচুৰা বিক্ৰীৰ মাত্ৰ ৬ শতাংশহে অনলাইন ক্ৰয়-বিক্ৰয় আছিল। কিন্তু ২০১১-২০২০ চনৰ দশকটোৰ প্ৰথমভাগলৈ ইণ্টাৰনেটৰ হাট-বজাৰ অকল আমেৰিকাতে নহয়, সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ উঠিল। অনলাইন শ্বপিঙৰ ক্ষেত্ৰখন বিশ্ববাসীৰ এক নিৰ্ভৰযোগ্য আৰু অপৰিহাৰ্য্য মাধ্যম হৈ পৰিল। এইটো দশকৰ শেহৰ ফালে বিশ্বব্যাপী অহা ক'ভিড মহামাৰীৰ তৌৰে অনলাইন শ্বপিং ক্ষেত্ৰখনৰ পৰিসৰ অবিশ্বাস্যভাৱে বৃদ্ধি কৰে। বিশ্বজুৰি হোৱা লকডাউনৰ সময়ত বিশ্বৰ সকলো প্ৰান্তৰ গ্ৰাহকৰ যিকোনো প্ৰয়োজনীয় সামগ্ৰী কিনা-কুটাৰ ক্ষেত্ৰত ই-কমাৰ্চ প্ৰথম পছন্দ হৈ পৰে।

চলিত দশকত অনলাইন শ্বপিঙৰ ওপৰত গ্ৰাহকৰ নিৰ্ভৰশীলতা দিনকদিনে বৃদ্ধি পাইছে। ফাষ্ট ফুড বা অন্যান্য আহাৰো অনলাইন খাদ্য বিক্ৰেতা এপৰ জৰিয়তে সুলভ ৰূপত উপলব্ধ হোৱাটো অনলাইন শ্বপিঙৰ জনপ্ৰিয়তা বৃদ্ধিৰ অন্যতম কাৰক। দোকান বা মলত খুচুৰা বিক্ৰীৰ প্ৰচলন এতিয়াও আছে যদিও মলসমূহেও ই-কমাৰ্চযুক্ত বিক্ৰী ব্যৱস্থাৰ প্ৰচলন কৰিছে। দোকানত শাৰী পাতি অথবা ভিৰৰ মাজত নিজৰ পছন্দৰ সামগ্ৰী ক্ৰয় কৰি সময় খৰচ কৰাৰ পৰিবৰ্তে আজিৰ মানুহে ঘৰতে বহি প্ৰয়োজনীয় বয়-বস্তু পছন্দ কৰি অৰ্ডাৰ দিবলৈ ভাল পোৱা হ'ল। বজাৰলৈ যোৱাটো এতিয়া অনেকৰ বাবে জঞ্জালৰ নিচিনা লগা হ'ল। তাতকৈ হাতৰ মুঠিতে থকা ফোনটোতেই বজাৰ কৰাটো সুখকৰ বুলি ভবা মানুহৰ সংখ্যাই আজিৰ পৃথিৱীত অধিক। কাজেই অনলাইন শ্বপিঙৰ পৰিসৰো দিনকদিনে বাঢ়ি গৈ আছে আৰু ইয়াৰ ন ন পদ্ধতি উদ্ভাৱন হৈয়েই আছে। মানুহৰ বজাৰ কৰাৰ বা হাটলৈ যোৱাৰ পৰম্পৰাগত অভ্যাসৰ ঠাই এতিয়া ম'বাইল এপচালিত শ্বপিং বা বজাৰ কৰা পদ্ধতিয়ে লৈছেহি। অনলাইন বজাৰ-সমাৰ এচামৰ বাবে সময় বচোৱাৰ উপায় হৈ পৰাৰ লগে লগে আন এচাম লোকৰ বাবে ই হৈ পৰিছে আত্মনিৰ্ভৰশীলতাৰ আহিলা। অনলাইন বিপণনে আজিৰ দিনত অসংখ্য ব্যৱসায়ীক জীৱিকাৰ উপায় উলিয়াই দিছে, অনেকে অনলাইন ডেলিভাৰী অৰ্থাৎ সামগ্ৰী ক্ৰেতাৰ হাতত তুলি দিয়াৰ মাধ্যমেৰে সংস্থাপনৰ বাট বিচাৰি লৈছে। ❖

# শিক্ষাৰ্থীয়ে আঁকা ছবি



অপেক্ষা দেবৰ্ষি, অষ্টম ক



সাগৰিকা বৰ্মন, নৱম খ



ডেবাঙ্কী দাস, সপ্তম গ



ৰাগ প্ৰীতম পৰাশৰ, পঞ্চম ক



দৰ্শন গৌতম, পঞ্চম খ



অগ্নিভ বৰ্মন, চতুৰ্থ খ



প্ৰাচুৰ্য্য কলিতা, পঞ্চম গ

# অসমৰ বিভিন্ন মঠ-মন্দিৰ, দৌল-দেৱালয়


শিৱ দৌল (শিৱসাগৰ)


ঘনশ্যাম দৌল (জয়সাগৰ)


বিষ্ণু দৌল (শিৱসাগৰ)


জয় দৌল (জয়সাগৰ)


দেৱী দৌল (শিৱসাগৰ)


নেঘেৰিটিং শিৱ দৌল (দেৰগাঁও)


ৰংগনাথ দৌল (জয়সাগৰ)